# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৩/০২/২০১৮ শুকুৰবাৰ

**আজি ইংৰাজী ২৩-০২-২০১৮ তাৰিখে পুৱা ৯ঃ৩০ বজাত চতুৰ্দশ অসম বিধান সভাৰ অধিবেশন অনুষ্ঠিত হয়।**

( সভাপতিৰক সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

**মাননীয় অধ্যক্ষ ঃ** তৰা চিহ্নিত প্ৰশ্ন নং ২০১, শ্ৰী তপন কুমাৰ গগৈ, মাননীয় মন্ত্ৰী ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী তপন কুমাৰ গগৈ,(সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো, প্ৰশ্নটো হল ইয়াত নাহৰ আলি আৰু লাহদৈগড় আলি, যি দুটা ঐতিহাসিক ৰজাদিনীয়া আলিৰ কথা কোৱা হৈছে, ইয়াৰে এটা১৫শ শতিকাত আৰু আনটো ১৬শ শতিকাতে নিৰ্মান কৰা হৈছিল। নাহৰ কোঁৱৰে বনাইছিল নাহৰ আলিটো ৰজা চুকাফা বা খোৰা ৰজাৰ দিনত আৰু লাহদৈগড় আলিটো স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনতে বনোৱা আলি। এই আলিটো যোৰহাটৰ পৰা মাৰ্ঘেৰিটালৈ বনাইছিল আৰু নাহৰ আলিটো গড়গাওঁৰ পৰা তিনিচুকীয়া জিলাৰ মহঙলৈ এই ৰাষ্টা দুটাৰ এতিয়া ৩৮ কিঃ মিঃ ইমান জৰাজীৰ্ণ যে তাত ২-৩ ফুট লৈকে গাঁত হৈ গৈছে। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে পুজি সাপেক্ষে অনুমোদনৰ ব্যৱস্থা কৰা যাব। তাত এতিয়া বিভিন্ন সময়ত আন্দোলন আৰম্ভ হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে চি আৰ এফ ত ইয়াৰ এটা এষ্টিমেট দিয়া হৈছে। এইটো চি আৰ এফৰ জৰিয়তে কৰিব নেকি মই সেই কথাটো আপোনাৰ পৰা জানিব বিচাৰিম আৰু সদ্যহতে যি ৩৮ কিঃ মিঃ ৰাষ্টা জৰা-জীৰ্ণ অৱস্থাত আছে তাৰে যদি ১৫-২০ কিঃ মিঃ ৰাষ্টা ৰিপেয়াৰ কৰিব পৰা যায় ভাল হয়। ইয়াৰ বাবে প্ৰায় ৩.৫০ কোটি মান টকাৰ প্ৰয়োজন হব নাহৰ আলিটোৰ সম্পৰ্কত। এইখিনি মন্ত্ৰী মহোদয়ে দিব নেকি?

অধ্যক্ষ মহোদয়, দ্বিতীয়তে যিটো লাহদৈগড় ৰাস্তা সেইটো একেবাৰে নগা পাহাৰৰ সীমাত লাগি আছে। যোৰহাটৰ পৰা মাৰ্ঘেৰিটালৈ যিটো প'ৰ্চন গৈছে, সেই প'ৰ্চনটো নিৰ্মান কৰাৰ ক্ষেত্ৰত পুঁজি ধাৰ্য্য কৰি ব্যৱস্থা গ্ৰহণ কৰিব নেকি এইটো জনালে মই অতি আনন্দিত হম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, যি দুটা ৰাষ্টাৰ কথা মাননীয় বিধায়ক ডাঙৰীয়াই কৈছে, আজিৰ দিনত খুউব ভাল অৱস্থাত নাই এই কথাটো সঁচা। নাহৰ আলি ৰাষ্টাৰ প্ৰায় ১৪৭ কিঃ মিঃ হাই আৰু বহুত জনবসতি এই ৰাষ্টাৰ ওচৰে পাজৰে আছে এই কথাটোও সঁচা। বহুদিন হল এই ৰাষ্টাটোত যে ভালকৈ কাম কৰিব পাৰিছো এনেকুৱা নহয়। চি, আৰ, এফৰ এটা কাম ২০০২-০৩ ত হৈছিল আৰু পি, এম, জি, এছ, ৰাইৰ পেকেজ নং এ, এছ, ১৪-০১-০৭ৰ এটা আছিল। কমপ্লিত হৈছে ২০০৮ত। পাঁচ বছৰ হৈ গল। ইয়াৰ পাচত আৰু মেইনটেইনেঞ্চ হোৱা নাই । ৰাষ্টাটো ভাল অৱস্থাত নাই যদিও মানুহ চলাচল কৰি আছে। লাহদৈগড় ৰাস্তাটোত

পি, এম, জি, এছ, ৰাইৰ আঁচনিৰ অধীনত এটা সৰু কাম কৰা হৈছিল, সেইটো ২০১৫ত কমপ্লিত কৰা হয়, আৰু এটা ২০১০ চনতো সম্পূৰ্ণ কৰা হৈছিল। দুয়োটা ৰাস্তাৰে ওচৰে পাজৰে বহুতো মানুহৰ বসতি আছে সেইকাৰণে এইটো বৰ প্ৰয়োজনীয় ৰাষ্টা। কিন্তু আপুনি জানে যে চি, আৰ, এফৰ কাম বোৰ আমি (ৰাজ্য চৰকাৰে) নকৰো, আমাৰ ফালৰ পৰা বিভাগীয় ভাবে ডি, পি, আৰ, প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াও আৰু কেন্দ্ৰীয় চৰকাৰে তাত অনুমোদন দিয়ে। প্ৰায় ৮০০ কোটি টকাত তেওঁলোকে অনুমোদন দিছে। কামখিনি শেষ হোৱাৰ পাচত যেতিয়া আমি ইউ, চি দিম তেতিয়া কেন্দ্ৰীয় চৰকাৰে বাকী থকা পইছা খিনি চেংশ্বন কৰে। গতিকে, আপুনি যিটো চি, আৰ, এফৰ ফাণ্ডৰ কথা কৈছে, এই ক্ষেত্ৰত মই আস্বাস দিব নোৱাৰিম যিহেতু গোটেই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন। কিন্তু ভৱিষ্যতে চি, আৰ, এফত দিয়াৰ বাবে চেষ্টা কৰিম।

আপুনি ৰিপেয়াৰিঙৰ ক্ষেত্ৰত যি ৩.৫০ কোটি টকাৰ কথা কৈছে, তাত কিমান এমাউণ্টৰ প্ৰয়োজন হব সেইটো মই নাজানো, এইটো বিভাগে নিৰ্ণয় কৰিব। উপৰোক্ত দুয়োটা ৰাষ্টাৰ গুৰুত্ব উপলব্ধি কৰি আৰু আপোনালোকৰ লগত কথা পাতি যাতে খুব সোনকালে এই দুটা ৰাষ্টা মেৰামতি কৰি ৰাইজৰ বাবে মোকলাই দিব পাৰো তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হব।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** অধ্যক্ষ মহোদয়, ইয়াত লাহদৈগড় নামৰ যিটো পথৰ কথা কোৱা হৈছে, সেইটো অতি গুৰুত্বপূৰ্ণ পথ। চৰাইদেউ জিলা, শিৱসাগৰ জিলা, যোৰহাট জিলা ৰ মাজেৰে যোৱা এই ৰাষ্টাটো কোনো কোনো ঠাইত বহুত ভাল ধৰণে নিৰ্মাণ কৰা হৈছে। গেলেকীৰ পৰা জাঁজী নৈ লৈকে এই পথচোৰা সুন্দৰকৈ নিৰ্মাণ কৰা হৈছে। কিন্তু দিখৌ নৈ, জাঁজী নৈ আৰু টৰকাগ নৈৰ ওপৰত একোখনকৈ দলং দি দিলে এই পথ একেবাৰে যোৰহাটলৈকে সংযোগ হৈ যায়। যিহেতুকে এই পথটো নাগালেণ্ডৰ সীমান্ত অঞ্চলত অৱস্থিত, সেইকাৰণে মই এইটো বিচাৰিছো যে যদিহে এই নৈ কেইখনৰ ওপৰত দলং কেইখন নিৰ্মাণ কৰি দিয়া হয়, তেতিয়া অন্ততঃ গাড়ী চলিব পৰা হব, সীমান্ত অঞ্চলত চিকিঅৰিটি ফৰ্চ যাব পৰা হব, পেট্ৰলিং আদি কৰিব পৰা যাব আৰু সীমান্ত অঞ্চলত কাম কৰিব পৰা এটা অৱস্থা আহিব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী** ঃ হয়, এই ৰাষ্টাটো আমাৰ ৰাইজৰ লগত সম্পৰ্ক থকা ৰাষ্টা আৰু নেশ্যনেল হাইৱেৰ লগতো ৰাষ্টাটো লাগি আছে। অৰুণাচল প্ৰদেশো ইয়াৰ ওচৰতে আছে। বাঘবৰ টি-ইষ্টেটকে আদি কৰি বহুখিনি ঠাই এই ৰাষ্টাটোৰ ওপৰতে নিৰ্ভৰ কৰে, এইটো একেবাৰে সঁচা কথা। গতিকে মই আগতেও কৈছো, এই ৰাষ্টাটোৰ বাবে আমি বিভাগক নিৰ্দেশ দিম। অন্ততঃ কত, কত, কি, কি ব্যৱস্থা কৰিলে যোগাযোগ আৰু যাতায়তৰ ক্ষেত্ৰত সুচল হব তাৰ ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। লাষ্ট চাপ্লিমেণ্টেৰী, শ্ৰী কুশল দেউৰী।

**শ্ৰী কুশল দেউৰী, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰিছো যে আমাৰ ৰাজ্য খনত থকা যিখিনি ঐতিহাসিক ৰাষ্টা আছে, এই ৰাষ্টা খিনি বনোৱাৰ ক্ষেত্ৰত তেখেতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ইতিহাসৰ লগত সম্পৰ্ক থকা ৰাষ্টা।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী** ঃ হয় অধ্যক্ষ মহোদয়, এই দুয়োটা ৰাষ্টাই ইতিহাসৰ লগত সম্পৰ্ক থকা ৰাষ্টা। সঁচা কথা যে ঐতিহাসিক সম্পদ (ৰাষ্টা- পদুলি বা যিয়েই নহওঁক) এইবোৰ সংৰক্ষণ কৰি ৰখাৰ দায়িত্ব চৰকাৰৰে হয়। কথাটো সঁচা। কিন্তু আমাৰ চৰকাৰ গঠন হোৱাও বৰ

বেছিদিন হোৱা নাই, মাত্র ডেৰ বছৰ মানহে হৈছে আৰু গোটেইখিনি কামো আমি সম্পূর্ণ কৈ কৰিব পৰা নাই। যিহেতুকে আজি পবিত্র সদনত এই ৰাষ্টা সম্পৰ্কত উত্থাপন কৰা আৰু আলোচনা কৰা হৈছে , আমাৰো এটা সপোন আছে। গতিকে আমিওঁ এই ঐতিহাসিক নিদর্শন বোৰ প্রকৃতার্থত সংবক্ষণ কৰি যাতে ৰাখিব পৰা যায়, এই চিন্তা চৰকাৰৰ নিশ্চয় আছে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। তৰা চিহ্নিত প্রশ্ন নং ২০২, শ্রী দেবানন্দ হাজৰিকা।

**তৰাচিহ্নিত প্রশ্ন নং-২০২**

**শ্রী দেবানন্দ হাজৰিকা(বিহপুৰীয়া) ঃ** যিবিলাক চৰকাৰী Sericulture Farm আছে, বিশেষকৈ মই অন্য জিলাৰ কথা নকওঁ, লক্ষীমপুৰ জিলাৰ কথাই কৈছো তাত যিবিলাক Farm আছে তাত এৰি মুগা পোহা দেখা পোৱা নাই। এতিয়া এনেয়ে পৰি আছে। এইবিলাকৰ যেতিয়া কোনো ব্যৱহাৰ নহয়, ইয়াৰ পৰা কোনো টকা-পইচা চৰকাৰে নাপায়। তেতিয়াহ'লে তাত মুগা পোহাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিব নেকি? দ্বিতীয়তে, যিবিলাক প্ৰশিক্ষণৰ কথা কৈছে, সেই প্ৰশিক্ষণ বোৰ কেতিয়া দিব? আমাৰ শিপিনীসলক প্রশিক্ষণ দি, তাঁতৰ শিল্পৰ প্ৰতি আগ্ৰহান্বিত কৰাৰ কামটো কেতিয়াৰ পৰা কৰিব। এই বিষয়েও মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰ পিছত কিছুমান বাতৰি কাকতত আজি কিছুদিনৰ আগতে আমি পাইছিলো যে অসমৰ বাহিৰত বোৱা গামোচা বিক্ৰী কৰিব নোৱাৰিব। এই কথাটো চৰকাৰীভাৱে পদক্ষেপ লোৱা হৈছে নে নাই, নে বাতৰি কাকতত এনেয়ে প্ৰকাশ পাইছে আৰু যদি চৰকাৰীভাৱে পদক্ষেপ লোৱা হৈছে, তেন্তে সেই চাহিদা পূৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে এই বিষয়েও জানিব বিচাৰিছো।

**শ্রী ৰঞ্জিত দত্ত(হস্ততাঁত আৰু বস্ত্ৰ শিল্প,মন্ত্রী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে দেৱানন্দ হাজৰিকা দেৱক ধন্যবাদ জ্ঞাপন কৰিছো। আজি তেখেতে যিখিনি প্ৰস্তাৱ ইয়াত কৰিছে Handlloom Textile ইয়াৰ গোটেইখিনি উত্তৰ দিবলৈ আমি সক্ষম হৈছো। আৰু মই আশা ৰাখিছো যে তেখেতেও আমাৰ উত্তৰত সন্তুষ্ট হৈছে বুলি। তেখেতে তিনিটা প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, অসমত Sericulture Farm যিখিনি আছে, এৰি-মুগাৰ যিখিনি ফাৰ্ম এই ফাৰ্মবোৰৰ অৱস্থা অতিকৈ শোচনীয় আৰু দৰাচলতে আমি দেখা পাওঁ যে ফাৰ্ম বিলাকত যি ধৰণে এৰি আৰু মুগা উৎপাদন হ'ব লাগে, সেইধৰণে এৰি আৰু মুগাৰ উৎপাদন হোৱা নাই। আৰু বহুতো ফাৰ্ম বে-দখল হৈ আছে। আমি আমাৰ বিভাগৰ যোগেদি জিলা উপায়ুক্তসকলক নিৰ্দ্দেশ দিছো, যে যিবিলাক ফাৰ্ম বেদখল হৈ আছে, সেই ফাৰ্মসমূহ বেদখলমুক্ত কৰাৰ ব্যৱস্থা কৰিবৰ কাৰণে। ২/১ খন ফাৰ্ম ইতিমধ্যে বেদখলমুক্ত কৰা হৈছে। আৰু যিটো এৰি-মুগা তাত পোহা নহয় বুলি কৈছে সেই টো প্ৰকৃততে নহয়। কিছু কিছু ফাৰ্মত কিন্তু ভাল কাম কৰি থকা হৈছে। তেওঁৰ সমষ্টিতো কেইবাখনো ফাৰ্ম আছে, সেই ফাৰ্মসমূহৰ অৱস্থা অতি শোচনীয় হৈ আছে। ইতিমধ্যে আমি যিটো মুগা মিশ্যন তৈয়াৰ কৰিছো, সেইটো আমাৰ চৰকাৰ অহাৰ পাছত আমি মুগা মিশ্যন বুলি ঘোষণা কৰিছো। ৪৬৫ কোটি টকা ইতিমধ্যে দহ বছৰৰ কাৰণে চৰকাৰে আমাৰ মুগা মিশ্যন খনৰ কাৰণে দিছে। ইতিমধ্যে আমাৰ ২০১৭-১৮ৰ বাজেটত ১০০কোটি টকা আমাক এই মুগা মিশ্যনৰ কাৰণে দিছে(The Assam Silk curpet Muga Mission) আৰু মই জনাবলৈ পাই সুখী হৈছো যে মুখ্য মন্ত্ৰী গ্ৰাম সমিতি উন্নয়ণৰ যোগেদি আমাৰ অসমৰ যিসকল শিপিনী আছে বা যিখিনি মুগা শিল্পৰ লগত জড়িত আছে, এই মুগা মিশ্যনৰ জৰিয়তে আমি কামবিলাক কৰিম। মুগা মিশ্যনৰ জৰিয়তে যিবোৰ ফাৰ্ম আমাৰ জৰাজীৰ্ণ অৱস্থাত আছে, সেই জৰাজীৰ্ণ অৱস্থাৰ পৰা আমি ভাল অৱস্থালৈ আনিবৰ কাৰণে আৰু তাত বাউণ্ডাৰি দিবৰ কাৰণে

ব্যৱস্থা লৈছে। যিহেতু তাত বহুত বেদখল হৈ আছে। এৰি আৰু মুগাৰ যিবিলাক গছ আছে, সেইবোৰক পুনৰ আমি নতুনকৈ গছপুলি ৰোৱাৰ কাৰণে আমি ব্যৱস্থা কৰিছো। আৰু কিছু কিছু সমষ্টিত আমি দেখা পাইছো কিছুমান ফাৰ্ম ৰ ক্ষেত্ৰত যে তাত প্লেন্‌টেশ্যনৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। মই ভাৰো যে মুগা মিশ্যনৰ যোগেদি আমাৰ অসমৰ যিবিলাক ফাৰ্ম সেইবোৰৰ অৱস্থা যাতে ভাল হয়, তাৰ ব্যৱস্থা কৰিছো। কিছুমান ফাৰ্ম আমি PPT Mode ত দিয়াৰো ব্যৱস্থা কৰিছো। যদি কোনো ইচ্ছুক ব্যক্তি আগবাঢ়ি আহে আৰু গাঁৱৰ কোনোবা সংগঠন বা আত্ম সহায়ক গোট বা NGO যদি আগবাঢ়ি আহে, আমি তেওঁলোকক ব্যৱহাৰ কৰিব দিয়াৰ ব্যৱস্থা কৰিছো। ইতিমধ্যে দুই এখন এনেকুৱা ফাৰ্ম আমাৰ লগত কথা-বতৰা হৈ আছে, চুক্তি হৈ আছে। ট্ৰেইনিংৰ কথাটো ইতিমধ্যে তেখেতে কৈছে, আপোনালোকেও জানে যে আজিকালি কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা Block Level Cluster যিটো প্ৰজেক্ট আছে, Handlloom Textile হওঁক বা Sericulture ৰ কিছুমান ST/SC areaবোৰত কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে তাত ৰেজিষ্টাৰ মহিলা সমবায় সমিতি সমূহ যাৰ Turnover ভাল যাৰ টেক্সৰ লগত এটা সম্পৰ্ক আছে, সেই সমবায় সমিতিসকলক প্ৰজেক্ট তৈয়াৰ কৰি দিছো। বহুতো সমবায় ইতিমধ্যে পইচা দিয়া ক্লাষ্টাৰৰ যোগেদি ডাইৰেক্ট তেওঁলোকক পইচা দিয়া হৈছে। তেওঁলোকৰ তাত ট্ৰেইনিং ব্যৱস্থা কৰা হৈছে। আৰু তেওঁলোকক তাত যিবিলাক চাপোৰ্ট লাগে যেনে- শাল, বা যিকোনো আনুষংগিক বস্তু লাগে, তাৰ বাবে পইচাখিনি বেনিফিচিয়াৰী স্কীমৰ জৰিয়তে তেওঁলোকক ডাইৰেক্টলি একাউণ্টচত দিয়া হৈছে। তেখেতে আৰু এটা প্ৰশ্ন কৰিছে যে গামোচাৰ বিষয়ে। মাননীয় অধ্যক্ষ মহোদয়, হয়, যে অসমৰ বাহিৰৰ গামোচা অসমলৈ বহুত আহি আছে। ইতিমধ্যে আমি এটা বিভাগৰ তৰফৰ পৰা জিলা উপায়ুক্ত সমূহক নিৰ্দ্দেশ দিছো আৰু আমাৰ বিভাগৰ যিসকল বিষয়া আছে, জিলা পৰ্য্যায়ত, আমি অতি সোনকালে মানে এসপ্তাহৰ ভিতৰত অসমৰ বাহিৰৰ পৰা যিখিনি গামোচা আহে সেইখিনি জব্দ কৰিবৰ কাৰণে জিলা প্ৰশাসনক দায়িত্ব দিছো। মই ভাৰো যে খুব কম সময়ৰ ভিতৰত সেইটোৰ এটা অভিযান আৰম্ভ হ'ব। আৰু বাহিৰৰ পৰা গামোচা অহা বন্ধ হ'ব। বাহিৰৰ পৰা গামোচা অহা বন্ধ হোৱাৰ লগে লগে আমি অসমত কিমান খিনি গামোচা তৈয়াৰ কৰিব পাৰিম সেই কথাটো আহি পৰিব। ইতিমধ্যে আমাৰ যিবিলাক ক্লাষ্টাৰ প্ৰজেক্ট চলি আছে, আৰু বিভিন্ন কমিটি আছে বিভিন্ন জিলাত ডব্লিউ এচ চি কমিটি আছে, সেই কমিটি সমূহে গামোচা তৈয়াৰ কৰি আছে। আৰু বহুতো গামোচা অসমৰ থলুৱা শিপিনী সকলে বয় আৰু বজাৰত বিক্ৰী কৰে। আমাৰ এজি এম চি আৰু আৰ্টফেডৰ যোগেদিও আমি গামোচা ক্ৰয় কৰিছো। যিবিলাক আমাৰ সমিতি আছে, সেইবোৰৰ যোগেদিও গামোচা ক্ৰয় কৰি বজাৰত বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া দেৱানন্দ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী দেৱানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সাতখন Memorndum of Understanding Sign কৰা হ'ল। এই সাতখনৰ বিষয়ে আমাৰ সদনত অলপ বুজাব নেকি? যাতে আমিও গৈ ৰাইজক ক'ব পাৰিম যে আমাৰ এই Handlloom আৰুTextileৰ কাৰণে আমাৰ চৰকাৰে বেলেগ বেলেগ কোম্পানীৰ লগত কি MMU. Sign কৰিলে?

**শ্ৰী ৰঞ্জিত দত্ত(হস্তত‌াঁত আৰু বস্ত্ৰ শিল্প,মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো Investor Submit হ'ল ইয়াত আমি কি কৰিলো, যিটো প্ৰশ্ন তেখেতে কৰিছে, সেইটো সকলোৰে জনাৰ দৰকাৰ আছে আৰু মই জনাবলৈ পাই সুখী হৈছো যে আমি 'ষ্টেট হেণ্ডলুম প'লিচি' ২০১৭,

লৈছো। যেতিয়া বাহিৰৰ Investor আহিব, বিভাগৰ যদি প'লিচি নাথাকে, বাহিৰৰ Investor কিয় আহিব? আৰু সেই কাৰণে এইবাৰ Handlloom Pollicy লৈছো আৰু Textile Pollicy ও হোৱাৰ পথত আছে। Investorৰ Submit হ'ল আৰু আমাৰ সাতখন MOU. Sign হ'ল। ৫২০ কোটি টকা আমাৰ হেণ্ডলুম চেক্টৰত Invest কৰা হ'ব। এই সাতখনৰ ভিতৰত মই ক'ব খুজিছো যে TT কোম্পানীৰ যিটো ইণ্ডাষ্ট্ৰী, যিটো নেকি গেঞ্জি আৰু আণ্ডাৰ ওৱেৰ কোম্পানী আছে তেওঁলোকে আমাৰ লগত MOU. কৰিছে আৰু ইয়াত এটা TT ইণ্ডাষ্ট্ৰী স্থাপন কৰিব বুলি কৈছে। তাৰ পিছত এচ এচ এজেঞ্চি, অ'ৰিয়ণ প্ৰ'গ্ৰেচিভ বুলি এটা কোম্পানী আছে, তেওঁলোকেও MOU.কৰিছে। তাৰ পিছত প্ৰ'গ চিন্থেটিক বুলি কোম্পানী এটাই MOU কৰিছে।আমি তেওঁলোকৰ লগত ইতিমধ্যে দুইলানি আলোচনা কৰিছো। তেওঁলোকে মাটি বিচাৰিছে। বৰাগাঁৱত আমাৰ আৰ্টফেড ৰ যিখিনি মাটি আছে, তাত টেক্স টাইল পাৰ্ক খুলিব বিচাৰিছো। আমি ইতিমধ্যে আলোচনা কৰি আছো কিন্তু চূড়ান্ত হোৱা নাই। যদি টেক্স টাইল পাৰ্ক হয়, আমাৰ প্ৰায় ৬০ বিঘা মাটি তাত আছে। ইয়াত টেক্স টাইল পাৰ্ক নিৰ্মাণ কৰাৰ লগে লগে প্ৰডাকশ্যনও আৰম্ভ হ'ব। আৰু লগে লগে যিসকল শিপিনী আছে, নিৱনুৱা যুৱক-যুৱতী আছে, তাত আত্ম সংস্থাপনৰ সুবিধা পাব। মই এই কথাখিনিতে আৰু এটা কথা উল্লেখ কৰিব খুজিছো আমাৰ যিখিনি থলুৱা Fabric Pluse বুলি এটা প্ৰতিষ্ঠান আছে। দিলীপ বৰুৱাই তাত খুব ভাল কাম কৰি আছে। ইয়াত তেওঁৰ এটা ইউনিট আছে। গতিকে মই ভাবো যে অকল আমাৰ বাহিৰা কোম্পানী নহয় আমাৰ অসমত থলুৱা কোম্পানীও কিন্তু আছে। হেণ্ডলুম চেক্টৰত ৫০ কোটি ১০০ কোটি টকাৰ ব্যৱসায় কৰা থলুৱা কোম্পানীও কিন্তু আমাৰ আছে। গতিকে তেওঁলোকক উৎসাহিত কৰাৰ কাৰনে আমি চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ... মই দুটা চাপ্লিমেন্টৰি দুজনক দিম। Don't think it otherwise because of time constraint ---- ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়া , তেখেতে আগতে হেণ্ডলুম ডিপাৰ্টমেন্টৰ ফৰ্মাৰ মিনিষ্টাৰ আছিল, গতিকে আপুনি চাৰ্প কোৱেশ্চন কৰিব। আপুনি বেছি বহল নকৰিব কাৰণ আপুনি জনা মানুহ। কেৱল উত্তৰটো লওঁক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাঃ** ঠিক আছে অধ্যক্ষ মহোদয়, বেছি দীঘল নহয়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে সেইখিনি যদি কাৰ্যকৰী হয় তেন্তে হেণ্ডলুম চেক্টৰটো এটা শক্তিশালী চেক্টৰত পৰিণত হ'ব। কিন্তু এতিয়া প্ৰশ্নটো হৈছে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ব্লক বেচিছ আৰু ক্লাষ্টাৰ বেচিছত এটা স্কীম আছে , এই স্কীমটোৰ কথা বোধ হয় বহু এম এল এ নাজানে । এই স্কীমৰ যোগেদি আমি বহু শিপিনিক বহু সুবিধা প্ৰদান কৰিব পাৰো। এতিয়া প্ৰশ্নটো হৈছে, আজি ৭ বছৰ হ'ল বোধ হয়, আমাৰ ক্লাষ্টাৰ বেচিছত স্কীম চেংচন হৈছে ৩৫ জন মানুহহে। কিন্তু বোধ হয় নেক্সট ৫ বছৰ যোৱাৰ পিচত স্কীমটো ডিচকনটিনিউ হ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই ক'ব বিচাৰিছো যে, যিটো স্কীম চলি আছে, সেই স্কীমটো প্ৰতিটো সমষ্টিত এটাকৈ যদিও দিয়ে তেনেহ'লে মই ভাবো যে আমাৰ সমষ্টিবিলাকত যিবিলাক উইভাৰছ আছে, এই উইভাৰছবিলাকে যথেষ্টখিনি সুবিধা পাব । এইটো স্কীম প্ৰাথমিক বোৱা কটা সমিতিৰ জৰিয়তে এইটো ৰূপায়ন কৰে। যাতে প্ৰতিটো সমষ্টিত দিয়ে এই ব্যৱস্থাটো ল'ব লাগে আৰু দ্বিতীয় কথাটো হৈছে অধ্যক্ষ মহোদয়, আমাৰ যিটো উৎপাদিত সামগ্ৰী আছে সেইটো বিক্ৰীৰ বাবে মাৰ্কেটখনৰ কিছু অসুবিধা। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ মাছখোৱাত যিখিনি মাটি আছে সেই মাটিখিনিত যদি অসম তথা সমগ্ৰ নৰ্থ ইষ্টৰ কাৰণে তাতে আমাৰ যিমান উৎপাদিত সামগ্ৰী আছে একেঠাইতে বিক্ৰী

কৰিবৰ বাবে “ হেণ্ডলুম হাভেলী ” নিৰ্মান কৰাৰ , তেনেধৰনৰ যদি এটা পৰিকল্পনা হাতত লয় বা ব্যৱস্থা গ্ৰহণ কৰে তেন্তে নিশ্চয় এই উৎপাদিত সামগ্ৰীখিনি বিক্ৰীৰ বাবে যথেষ্ট সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ..... আপুনি চাজেছ্চনটো লিখিত আকাৰত মন্ত্ৰী ডাঙৰীয়াক দিব।

**শ্ৰীৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ত তাঁত আৰু বস্ত্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে হেণ্ডলুমৰ ব্লক লেভেল ক্লাষ্টাৰৰ কথা কৈছে, ইতিমধ্যে ২০১৫-১৬ পৰা ২০১৭-১৮লৈকে অসমত সৰ্ববমুঠ ৫৬ টা ক্লাষ্টাৰ প্ৰজেক্ট চলি আছে। ইয়াত বহু সমষ্টি আছে কামৰূপ, গোলাঘাট, কোকৰাঝাৰ , ডিমাহাচাও,মৰিগাও ,নলবাৰী ইত্যাদি---- তেখেতৰ সমষ্টিতো আছে চাৰ। এইটো ব্লক লেভেল আণ্ডাৰ ডেভল'পমেন্ট প্ৰগ্ৰেম , এইটো এন এচ ডি পিৰ প্ৰগ্ৰেম। এইটো ডাইৰেক্ট চেন্ট্ৰেল গৰ্ভমেন্টৰ পৰা তদাৰক কৰে। আমাৰ বিভাগৰ কৰিবলগীয়া একো নাই ইয়াত। কেৱল আমি প্ৰজেক্ট বনাই পঠিয়াও, পঠিয়াই দিয়াৰ পিচত চেংচনটো আমি কৰিব লাগে তাত আৰু বছৰেকত ১০-১২ টা প্ৰজেক্ট দিয়ে। আমি ৰিক'মেণ্ডেচন কৰি পঠিয়াই দিওঁ । দ্বিতীয়তে তেখেতে কৈছে যে এই উৎপাদিত সামগ্ৰীখিনি বিক্ৰীৰ কথা কৈছিলে যে, বিক্ৰী ক'ত কৰিব? এইটো ক্ষেত্ৰত কৈছে, মাননীয় অধ্যক্ষ মহোদয়, মাছ খোৱাত এটা মাটি হেণ্ডলুমৰ আছে ছাৰ। এই মাটিখিনি যোৱা চৰকাৰৰ দিনত বেদখল হৈছে, ছাৰ। মাছখোৱাৰ একেবাৰে প্ৰাইম লোকেচনত মাটিখিনি আছে, ছাৰ। মাটিখিনি বেদখল হোৱাৰ পিচত আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিচত আমি ডিচিক কৈ মাটিটো ভেকেট কৰি বাউণ্ডেৰীৰ ব্যৱস্থা কৰিছো। ইতিমধ্যে কোৰ্ট কেচ হৈছে। কোৰ্টত কেচ চলি আছে। এই মাছখোৱাৰ মাটিটোত যিটো হেণ্ডলুম হাভেলীৰ কথা কৈছে, এটা মনত পৰিকল্পনা ৰাখিছো আমি। তাত আমি হেণ্ডলুমৰ সামগ্ৰীখিনি বিক্ৰী কৰাৰ বাবে বিল্ডিং কৰাৰ ব্যৱস্থা আছে বহু খিনি ব্যৱস্থা আমি পি পি পি মোডত কৰাৰ বাবে চিন্তা কৰিছো। ইতিমধ্যে আমাৰ চৰকাৰৰ লগত বিভাগীয়ভাৱে এইখিনি কথা হৈ আছে। মই ভাবো আপোনালোকৰ সহায় সহযোগ পালে আমি নিশ্চয় এইখিনি কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ...... ইমানুৱেল মোছাহাৰী........।

**শ্ৰীইমানুৱেল মুছাহাৰীঃ** মাননীয় অধ্যক্ষ মহোদয় মই, আপোনাৰ জৰিয়তে কিছু কথা জানিব বিচাৰিছো। মই পলিচিৰ ওপৰত কথাটো নকও। বিশেষকৈ মোৰ সমষ্টি আৰু ভূটান সীমান্তৰ দাঁতিৰ যিবিলাক গাওঁ আছে । মোৰ সমষ্টিৰ ভিতৰত এখন কলবাৰী নামে গাওঁ আছে তাত ৫০০ উইভাৰছ আছে। লগতে দৰঙামেলাৰ ওচৰত এখন গাওঁ আছে তাতো ৫০০ উইভাৰছ আছে। এখেতসকলৰ য়াৰ্ণটো আহে ভূটানৰ পৰা । এখেতসকলে ফিনিক্স প্ৰডাক্ট কৰে কাপোৰটো গৈ পেলাই, ‘ খিৰা’ বুলি কয় ভূটানী মহিলাই পিন্ধা কাপোৰৰ লগতে ‘বকো·’ বুলি কয় মতা মানুহে যিটো পিন্ধা সাজ আছে, তাত বনাই মেলি পঠিয়াই দিয়ে। গতিকে তাত চৰকাৰৰ পৰা সহায় সহযোগিতা আজিলৈকে একো পোৱা নাই। এইক্ষেত্ৰত চৰকাৰে এটা পলিচি বনাই এখেতসকলক কিধৰনে সহায় কৰিব পাৰে তাৰ ব্যৱস্থা কৰিলে ভাল হয়। কাৰণ তাত মাৰ্কেট আছে, মেনপাৱাৰ আছে আৰু বজাৰ আছে। গোটেইখিনি আছে গতিকে এই বিষয়ত এটা প্ৰজেক্ট বনাই পেলাই কিধৰনে আপগ্ৰেড কৰিব পাৰে চাব লাগে , অধ্যক্ষ মহোদয় দ্বিতীয় কথাটো হ'ল বি টিছি এৰ্কডৰ সময়ত বৰমাত এখন টেক্সটাইল এপাৰ্ট পাৰ্ক বুলি এখন ৩২ কোটি টকাৰ ঘৰ নিৰ্মান কৰি থকা হৈছে। এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই । গতিকে বিটিচি কৰ্তৃপক্ষৰ লগত চৰকাৰে আলোচনা কৰি তাত টেক্সটাইলএপাৰ্ট পাৰ্কখন যদি কাৰ্য্যক্ষম কৰিব পাৰিনেকি সেইটো চাব লাগে । গতিকে এই বিষয়ত আমাৰ চৰকাৰৰ ফালৰ পৰা যাতে চিন্তা চৰ্চা কৰে মই আপোনাৰ জৰিয়তে অনুৰোধ জনালো

**শ্ৰীৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ত তাঁত আৰু বস্ত্ৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো সমষ্টিৰ কথা কৈছে, এইটো বিটিছিৰ ভিতৰত পৰে। আৰু আপোনালোকৰ তাত যিখিনি বুৰুক্ৰেট আছে, বি টি ছিত চেৰিকালছাৰ, হেণ্ডলুম চেক্টৰক বুৰুক্ৰেটে যিমান খিনি তাত আগুৱাই লৈ গৈছে সেইখিনি আমি প্ৰশংসা কৰিব লাগিব। মই ভাবো যে এইটো যদি আপোনালোকে ক্লাষ্টাৰ প্ৰজেক্ট বনাই দিয়ে বি টি ছিৰ আণ্ডাৰত আপোনালোকৰ বুৰুক্ৰেটৰ আণ্ডাৰত নিশ্চয় এইটো ব্যৱস্থা হ'ব। আমাৰ চৰকাৰ হোৱাৰ পিচত আমি য়াৰ্ণ বেংক কৰিছো। ইতিমধ্যে নখন জিলাত য়াৰ্ণ বেংক হৈ গৈছে। যোৱা বাজেটত আমি ২০ খন জিলাত য়াৰ্ন বেংক কৰাৰ বাবে লৈছো। আৰু এই বাৰ আমি ৭ খ ন জিলা য়াৰ্ণ বেংকৰ বাবে ল'ম। প্ৰতিখন জিলাত আমি একোখনকৈ সুতাৰ ভঁৰাল কৰিম। আৰু আমি চাৰ তাত ২০ পাৰ্চেন্ট চাবচিডিত সূতা দিয়াৰ ব্যৱস্থা কৰিছো। BTC area ত যিমানখিনি Handloom & Sericulture sector ত আগবাঢ়ি গৈছে সঁচাকৈ আমি প্ৰশংসা কৰিব লাগিব। আৰু মই ভাৱো যে আপোনালোকে যদি clauster project এটা বনাই দিয়ে BTC under ত তেতিয়াহলে নিশ্চয় ইয়াৰ এটা ব্যৱস্থা হ'ব। আৰু আমাৰ চৰকাৰ অহাৰ পিছত আমি Yarn Bank য়ো কৰিছো। ইতিমধ্যে আমাৰ ৯ খন জিলাত Yarn Bank হৈ গৈছে। আৰু ২০ খন জিলাত Yarn Bank আমি যোৱা বাজেটত লৈছো। এই বাৰ ৭ খন জিলাত Yarn Bank লম। আৰু প্ৰত্যেকখন জিলাত একোটাকৈ সূঁতাৰ ভৰাল আমি কৰিম। তাত Mill gate price ত 20% subsidies rate ত সুতা দিয়াৰ ব্যৱস্থা কৰিম আৰু এইটো বিভিন্ন জিলাত চলি আছে। গতিকে মই মাননীয় সদস্য গৰাকীক কৈছো যে এইটো BTC ৰ ভিতৰত পৰে আৰু আপোনালোকক যদি আমাৰ চৰকাৰৰ ফালৰ পৰা কিবা সহায় লাগে বা project ত কিবা সহায় কৰিব লাগীয়া হয়, নিশ্চয় আপুনি আমাৰ লগত যোগাযোগ ৰাখিব আপোনালোকক 100% সহায় কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you, question no. 203. শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী পৰিমল শুক্লবৈধ্য, গড়কাপ্তানি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈছাঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো। মই প্ৰশ্নকৰিছিলো যে যোৱা যিটো বাজেট ভাষণ মাননীয় বিত্তী মন্ত্ৰী মহোদয়ৰ আছিল, তেখেতে ১০০০ RCC দলং বনোৱাৰ কথাটো ভাষণত উল্লেখ কৰিছিল। ১০০০ RCC দলং কেইখন এটা বিত্তীয় বৰ্ষৰ ভিতৰত হব। সাধাৰণতে আমি বাজেট বুলিলে একে বাৰে সুৰুকৈ যিটো বুজো যে ১ এপ্ৰিলৰ পৰা অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত যিটো শেষ হ'ব সেইটোৱে। গতিকে বাজেটৰ কপিটো মই লৈ আহিছো। ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ১০০০ RCC দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি পাঁচ বছৰীয়া কাৰ্য্যকালৰ। আমি কিন্তু বুজি পাইছিলো যে বাজেটৰ ভাষণত কৈছিলে ১ বছৰত হব। মাননীয় বিত্তীয় মন্ত্ৰী মহোদয়ে বাজেট ভাষণত কৈছিলে যে দফা ৬৭.১৩ ইয়াত তেখেতে কৈছিলে চলিত বাজেটত। গতিকে বিত্তীয় মন্ত্ৰীৰ যিটো ভাষণ আৰু গড়কাপ্তানি বিভাগৰ মন্ত্ৰীৰ যিটো উত্তৰ ইয়াত আছে অলপ বুজাত অসুবিধা হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে এইটোৰ এটা clearfication বিচাৰিছো।

**শ্ৰী পৰিমল শুক্লবৈধ্য, গড়কাপ্তানি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যেতিয়া প্ৰথম বাজেট আহিলে, আপোনাৰ জৰিয়তে আমি ৰাইজক জনালো। আমি তাত maintenance fund ত তিনি বছৰৰ কাৰণে ৬০০ কোটি টকা প্ৰথম, পিছত ৮০০ কোটি টকা, তাৰ পিছত ৬০০

কোটি টকা, আমি ২০০০ কোটি টকা maintenance ৰ কথা তিনি বছৰৰ কাৰণে কৈছো। আৰু এই RCC দলঙৰ ক্ষেত্ৰত কোৱা হৈছিল যে আমি ১০০০ খন SPT দলং RCC দলঙত ৰূপান্তৰ কৰিম। মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যেতিয়া বাজেট উত্থাপন কৰিছিলে, এই কথাটো আমাৰ চৰকাৰৰ কৰ্য্যকালত direcly লিখা নাছিল, কিন্তু চৰকাৰৰ যিটো লক্ষ্য আছিল যে আমাৰ কাৰ্য্যকালতে ১০০০ খন SPT দলং আমি পকা কৰিম।

এতিয়া আপোনাৰ প্ৰশ্নটো হৈছে যে আমি ১০০০ খন দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়া আছিল নেকি? হয় আমাৰ দিয়া আছিল, আমি কথাটো স্বীকাৰ কৰি লম। মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাক জনাবলৈ পাই সুখী হম আৰু তথ্য দিব পাৰিম যে আমাৰ চৰকাৰে প্ৰথম বছৰতে ১০৫০ খন দলং RCC কৰাৰ হকে আগবাঢ়িছো। আৰু কোন কোন হেডৰ জৰিয়তে কামখিনি কৰিম এইটো আমি আপোনাক লিখি দিব পাৰিম, যেনেকৈ PMGSY ত ৭৪৫ খন দলং এক বছৰৰ ভিতৰত অনুমোদন পাইছো। আৰু কিছুমান award কৰিলো। আপুনি RCC দলঙৰ কথাতো কৈছে, আমি উক্ত প্ৰতিশ্ৰুতি মতে ২০১৭-১৮ বিত্তীয় বৰ্ষত প্ৰাথমিক পৰ্য্যায়ত ২০০ খন দলং নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে ১৩৫ খন দলঙৰ অনুমোদন সাপেক্ষে প্ৰাৰম্ভিক নিৰ্মাণ কাৰ্য্য চলি আছে আৰু ৭ খন দলঙৰ আৱন্টনৰ প্ৰক্ৰিয়া চলি আছে। আৰু প্ৰায় ৫৮ খন দলং অনুমোদনৰ বাবে বিত্ত বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। বিত্ত বিভাগে অনুমোদন দিলে ২০০ খন দলং পূৰ্ণ হ'ব। নাবাৰ্ডৰ জৰিয়তে আমি ৪৪ খন দলং আৰম্ভ কৰিছো। CRF ৰ জৰিয়তে আমি ২৫ খন দলং আৰম্ভ কৰিম। এতিয়া আপুনি চাওঁক মাননীয় বিধায়ক ডাঙৰীয়া যে আমাৰ চৰকাৰে ১ বছৰৰ ভিতৰত ১০৫০ খন RCC দলঙৰ কাম কৰিবলৈ সাজু হৈছে। গতিকে আপুনি যি প্ৰশ্ন উত্থাপন কৰিছে যে আমাৰ বাজেট ভাষণত ১০০০ খন RCC দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি আছিল, মই ভাৱো যে ৫ বছৰৰ কাৰণে সপোন আছিল যদিও তথাপি ১ বছৰত পুৰা কৰিবলৈ গৈ আছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈছাঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এখন চিঠি প্ৰত্যেকখন জিলাৰ Executive Engineer ক দিছিল যে ১০ খনকৈ SPT দলং (কাঠৰ দলং) RCC দলং বনোৱাৰ কাৰণে আৰু বিষয়াসকলেও আমাৰ লগত যোগাযোগ কৰিছিল। খুব সম্ভব আমাকো বোধহয় সেই চিঠিৰ কপি মাননীয় মন্ত্ৰী মহোদয়ে দিছিল। সেই মতে আমি ১০ খনকৈ কাঠৰ দলং, যিবিলাক আমাৰ সমষ্টিত সকলোতকৈ বিপদজনক হৈ আছে যাতায়াতৰ, সেই কেইখন RCC দলঙলৈ ৰূপান্তৰ কৰিবলৈ দিছিলো। কিন্তু অধ্যক্ষ মহোদয়, এতিয়া ২০ মাহ হৈ গ'ল, ২০ মাহত মাননীয় মন্ত্ৰী মহোদয়ে মোক উত্তৰ দিছিলে যে মাত্ৰ এখন SPT দলং RCC দলঙলৈ ৰূপান্তৰ কৰিবলৈ তেখেতে উত্তৰ (গ) ত লিখিছে । গতিকে ১০ খন দলঙৰ কাৰণে আপোনালোকে যিহেতু demand দিছিলে, আৰু গোটেই সমষ্টি ঘুৰি ঘুৰি সকলোতকৈ বেয়া বেয়া দলং বিলাক বাছি যেতিয়া আমি দিছিলো, এতিয়া ৰাইজে ভাবি আছে দলং হ'ব। চাওঁতে চাওঁতে ২ বছৰ হৈ গ'ল, এতিয়া আমি সমষ্টিত গ'লে মানুহে সোধে যে চাৰ আমাৰ দলঙখনৰ কি হ'ল। আমাৰ একে উত্তৰ নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে এই ১০ খন দলং প্ৰত্যেক টা সমষ্টিৰ পৰা বিচাৰিছে, অকল মোৰ সমষ্টিৰ পৰা নহয়, প্ৰত্যেক সমষ্টিৰ পৰা বিচাৰিছে, এইটো কেতিয়ালৈকে হ'ব, এইটোৱে অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, Minister please.

**শ্ৰী পৰিমল শুক্লবৈধ্য, গড়কাপ্তানি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমি এখন

দলং আৰম্ভ কৰিবলৈ গৈ আছো। শ্ৰীওঁম প্ৰকাশ আগৰৱালাক আৱন্টন দিয়া হৈছে। আপোনাৰ ইয়াতে PMGSY ৰ জৰিয়তে সমষ্টিৰ আৰু দুখন দলং কাম আৰম্ভ হ'ব। এইটোৰ আৱন্টনৰ প্ৰক্ৰিয়া চলি আছে। গতিকে তিনিখন হ'ল। আৰু কথাটো হ'ল আমি যে চিঠি দিছিলো যে আমি যিবিলাক দলং, পথ খুব বেয়া আছে, এইটোৰ এটা লিষ্ট লোৱাৰ কাৰণে দিছো। এইটো পৰ্য্যায়ক্ৰমে হ'ব। এনেকুৱা কথা নহয় যে ১০ খন দলং আমি একেলগে কৰি দিম। আমিতো আগতে জানিব লাগিব ক'ত কাম কৰিব লাগে আৰু এই কৰাৰ কাৰণে বিভাগে সাজু হৈ আছে। আপুনি নিজে কৈছে যে চিঠি দিছো মানে কিমান concern আমাৰ চৰকাৰ। এই SPT Bridge তো RCC Bridge লৈ conversion ৰ কাৰণে আমাৰ চৰকাৰ কিমান concern । আৰু পৰ্য্যায়ক্ৰমে আমি চেষ্টা কৰিম যাতে দলংবিলাক হয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, next supplementary Shri Bimal Borah.

**শ্ৰী বিমল বৰা, টিংখংঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰ খনে খুব বৈপ্লৱিক গতিত যি দলং নিৰ্মাণৰ আঁচনি হাতত লৈছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। মই সৰু কথা এটা কওঁ মোৰ সমষ্টিত এখন দলং দিলে তাৰ বাবে আপোনাক ধন্যবাদ দিছো। গতিকে মোৰ প্ৰশ্নটো হৈছে যে সোনাৰি সমষ্টি আৰু টিংখং সমষ্টিৰ মাজেৰে বৈ যোৱা যিখন দিছাং নদী আছে, তাত এটা খুটুঘাট আছে। বৰহাট আৰু মাহমৰা অঞ্চলক সংযোগ কৰিবৰ কাৰণে তাত এখন অতি জৰুৰী ভাৱে দলংৰ প্ৰয়োজন আছে। আমাৰ যি দুখনকৈ দলং দিছিল, তাতে চালে নহ'ল কাৰণ দীঘলটো বেছি। গতিকে খুটুঘাটৰ কাৰণে estimate টোও আহিছে, এইটোৰ অনুমোদন জনাবৰ কাৰণে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী অনুৰোধ জনাইছো।

**শ্ৰী পৰিমল শুক্লবৈধ্য, গড়কাপ্তানি বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিমল বৰা ডাঙৰীয়াৰ সমষ্টিত মই নিজেও গৈছিলো আৰু আমি দেখিছিলো যে ইয়াতে এটা দলংৰ কাৰণে ৫, ৬ খন গাঁৱৰ মানুহে একেবাৰে খোজে কাঢ়ি যাব নোৱাৰে। এনেকুৱা এটা স্থিতি আছিল। আমাৰ বিধায়কৰ সহযোগিতাত আমি এই দলংখন নিৰ্মাণ কৰি দিব পাৰিছো। সেই কাৰণে নিসন্দেহে ৰাইজ উপকৃত হৈছে। আৰু এখন দলং আৰম্ভ হ'ব বা হৈছে এনেকুৱা এটা স্থিতি আছে । আপুনি যিটো দিছাং নদীৰ খুটুঘাট দলংৰ কথা কৈছে, ইয়াৰ DPR প্ৰস্তুত হৈ আহিছে। পৰ্য্যায়ক্ৰমে আৰু কিছুমান দলং লম। যদিও আমাৰ ১০০০ খন দলংৰ ভিতৰত ১০৫০ খন দলংৰ কাম আৰম্ভ কৰিবলৈ গৈ আছো, তথাপি এইটো যদি ১০৫১ খন দলং হয়, তেতিয়াহলেও আপত্তি নাই। আমি চেষ্টা কৰিম যাতে আপোনাৰ দলংখন নিৰ্মাণ কৰি দিব পাৰো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শ্ৰী দূৰ্গা ভূমিজ।

**শ্ৰীদূৰ্গা ভূমিজ, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ মাননীয় মন্ত্ৰী মহোদয়ে ছত্ৰিশ মিটাৰ আৰ.চি.চি ব্ৰীজ নিৰ্মাণৰ বাবে নাম দিবলৈ কৈছিল। সেই মতে আমি দিছিলো। মোৰ সমষ্টিৰ এখন ত্ৰিশ মিটাৰ দীঘল ব্ৰীজ হৈছে একে লগে তৰাজান চাহ বাগিচাৰ পৰা নাহৰজানলৈ যোৱা পথৰ নদীৰ ওপৰত ৰত্ত্ৰিশ মিটাৰ দীঘল ব্ৰীজ এখনৰ আঁচনি এটা দিছিলো। সেই নদীখন সৰু যদিও তাত প্ৰবল সোঁত আছে, মানুহে পাৰ হ'ব নোৱাৰে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই ব্ৰীজখনৰ অনুমোদন দিব নেকি? দ্বিতীয় প্ৰশ্নটো হৈছে অধ্যক্ষ মহোদয়, গান্ধী গাঁৱৰ পৰা বৰডুবী ক্ষেত্ৰলৈকে যোৱা পথৰ ওপৰত থকা আৰ.চি.চি ব্ৰীজখন ভাঙি গৈছে। সেই ব্ৰীজখনৰ অনুমোদন কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয়া মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কৈছে যে আমি বিচৰা মতে ্জ্ম মিটাৰ ব্ৰীজ অনুমোদন হৈছে। গতিকে তেখেতে বিচৰা এই প্ত-ৰজ্ম মিটাৰ ব্ৰীজ হ'ব। আমাৰ সমষ্টিসমূহত ব্ৰীজৰ বিভিন্ন সমস্যা আছে। মাননীয় সদস্য গৰাকীয়ে নাহৰজানৰ যি ব্ৰীজৰ কথা কৈছে, সেইখন প্ৰয়োজনীয় ব্ৰীজ, এই কথাটো সঁচা। যেতিয়া দ্বিতীয় পৰ্য্যায়ত ব্ৰীজ নিৰ্মাণৰ আঁচনি লোৱা হ'ব তেতিয়া সদস্যজনে মোৰ লগত যোগাযোগ কৰিব। আমি চেষ্টা কৰিম যাতে ৰাইজক এই সুবিধাখিনি দিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয়া সদস্য শ্ৰীগুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস, মঙলদৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, মঙ্গলদৈ সমষ্টিৰ মঙ্গলদৈ নদীৰ ওপৰত ইছলামপুৰত থকা দলংখন টু-লেণ যুক্ত কৰাৰ ব্যৱস্থা কৰিবনে? এই দলংখন বহু পুৰণি দলং। টু-লেণ নোহোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীকে আদি কৰি ৰাইজৰ যথেষ্ট অসুবিধা হৈছে। গতিকে দলংখন টু-লেণ যুক্ত কৰিব লাগে। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ৰৌমাৰি ব্ৰীজৰ আঁচনি এটা বিভাগক দিয়া হৈছিল। সেইটো সোনকালে অনুমোদন দিব লাগে। আমাৰ গড়কাপ্তানী মন্ত্ৰী এজন সফল মন্ত্ৰী হিচাপে পৰিগণিত হৈছে, অসম ৰাইজৰ মাজত। গতিকে সেই কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীগুৰুজ্যোতি দাস ডাঙৰীয়াই মঙ্গলদৈৰ দুখন ব্ৰীজ কথা কৈছে। আমি ৰজ্মজ্মজ্ম খন দলং এই বছৰত নিৰ্মাণৰ ব্যৱস্থা কৰিছো। গতিকে মই মাননীয় সদস্যজনক আশ্বস্ত কৰিব বিচাৰিছো যে ইছলামপুৰৰ ব্ৰীজখন আমি টু-লেণ কৰিম আৰু ৰৌমাৰি ব্ৰীজৰ কথাটো আপোনাৰ লগত পাতি কিমান সোনকালে কৰিব পৰা যায় তাৰ বাবে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং ২০৪ মাননীয়া সদস্য মঃ নুৰুল হুদা। মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্ন উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**মঃ নুৰুল হুদা, ৰূপহীহাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিছে। উত্তৰত তেখেতে কৈছে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা বাৰ্ষিক মেৰামতি (এ.আৰ) শিতান বিলুপ্ত কৰি অসম পথ মেৰামতি পুঁজি (এ.আৰ.এম.এফ) শিতানত অনুমোদন দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিবিলাক ৰাস্তা পকী আছে, সেই পকী ৰাস্তাবিলাক বেয়া হ'লে এ.আৰ.এম.এফৰ জৰিয়তে মেৰামতিৰ ব্যৱস্থা কৰিছে , কিন্তু যিখিনি বিভাগৰ ৰাস্তা পকী হোৱা নাই, সেই ৰাস্তাসমূহ বাৰিষাকালত যাতায়ত বন্ধ হৈ যায়। সৰু গাঁত এটা ডাঙৰ গাঁতত পৰিণত হয়। বাৰ্ষিক মেৰামতি শিতানত টকা থাকিলে কাৰ্য্যবাহী অভিযন্তাজনে অলপ শিলগুটি দি সৰু গাঁত থকা অৱস্থাতে ইয়াক মেৰামতি কৰি চলিব পৰা ব্যৱস্থা কৰিলে হেতেন। কিন্তু এ.আৰ শিতানটো বন্ধ কৰাৰ কাৰণে কাৰ্য্যবাহী অভিযন্তা গৰাকীয়ে এই কামটো কৰিব নোৱাৰে। দ্বিতীয়তে মোৰ বিধান সভা সমষ্টিত ৰজ্ম খন কাঠৰ দলং জৰাজীৰ্ণ অৱস্থাত আছে, তাৰে ৰছ খন বন্ধ হৈ আছে, যাতায়তৰ অনুপযোগী। কিছুমান দলং এনেকুৱা আছে যে মাত্ৰ এক বা দেৰলাখ টকা খৰছ কৰিলেই দলংখন যাতায়তৰ কাৰণে উপযোগী হৈ উঠিব। এই ক্ষমতাটো এ.আৰ শিতান বন্ধ কৰাৰ কাৰণে কাৰ্য্যবাহী অভিযন্তা গৰাকীৰ হাতত নাই। অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই এ.আৰ শিতানটো থাকিব লাগে যাতে সৰু সৰু কাম বিলাক কৰিব পৰা যাব। অলপ কামৰ কাৰণে ৰাস্তাটো বন্ধ হৈ নাযায় তাৰ বাবে এ.আৰ. শিতানটো অতি প্ৰয়োজনীয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই প্ৰশ্ন কৰিছে এ.আৰ শিতান সম্পৰ্কত। আমি হৈছো লেবাৰ ডিপাৰ্টমেন্ট পইচা দিয়ে আমাক ফাইনেন্স ডিপাৰ্টমেণ্টে। হেড বিলাক আমাক ফাইনেন্স ডিপাৰ্টমেণ্টে নিৰ্দ্ধাৰণ কৰি দিয়ে। আমাৰ চৰকাৰ অহাৰ আগতে Maintenance and repair, ARISP Maintenance, MPNA Maintenance, ASCP Maintenance, PMGSY Periodical renewal, election urgent work, emergent nature of work ইত্যাদি শিতান আছিলে। কিছুমান শিতান বন্ধ কৰি দিয়া হৈছে। এই শিতান সমূহ বন্ধ কৰাৰ কাৰণো আছে। আগতে ইমানবোৰ শিতান আছিল যে ক'ত কেনেকুৱা কাম হৈছে, কামবোৰ সঁচা অৰ্থাৎ ৰূপায়ণ হৈছেনে নাই এই বিলাক কথা চোৱাৰ ব্যৱস্থা নাই। নিৰ্বাচন আহিলে election urgent work বুলি কাম কৰি লয় আৰু পিছত বিল দিব লগা হয়। এই বিষয়সমূহ চিন্তা কৰি বিত্ত বিভাগে কৈছে যে এই শিতানসমূহ বন্ধ কৰি এ.আৰ.এম.এফ (Annual Repairing Maintenance Fund)ৰ জৰিয়তে আঁচনি সমূহ ৰূপায়ণ কৰিব লাগে। অধ্যক্ষ মহোদয় আগতে ৬০০ কোটি, ৮০০ কোটিৰ প্ৰভিজন আছিল তিনি বছৰৰ কাৰণে। এতিয়া আমি ২০০০ কোটি টকা দিছো। আপোনালোকৰ পৰামৰ্শ অনুসৰি আমি কাম কৰিবলৈ নিৰ্দ্দেশ দিছো। অধ্যক্ষ মহোদয়, সদস্যগৰাকীয়ে এছ.পি.টি দলংৰ কথা কৈছে যে ১৮ খন দলংৰ ২ খন থিকে আছে বাকী ১৬ খন মেৰামতি কৰিব লাগিব। এই দলংসমূহ মেৰামতি আমি এ.আৰ.এম.এফ শিতানৰ জৰিয়েও কৰিব পাৰিম। যিহেতু সদস্য গৰাকীয়ে কৈছে বেছি টকাৰ প্ৰয়োজন নাই গতিকে আগন্তুক বৰ্ষত এই কামসমূহৰ এ.আৰ.এম.এফ আঁচনিৰ জৰিয়তে ৰূপায়ণ কৰিব পৰা যাব। মই অনুভৱ কৰো মানুহৰ সভ্যতাৰ উত্থানৰ বাবে যোগাযোগ ব্যৱস্থা হৈছে অতি জৰুৰী। যদি কৰ'বাত এছ.পি.টি ব্ৰীজৰ সৰু-সুৰা কাম থাকে তেতিয়া হ'লে মাননীয় সদস্যসকলক অনুৰোধ কৰিম যে আপোনালোকে বিধায়ক উন্নয়ন পুঁজিৰ পৰা এক, দেৰলাখ টকা আৱন্টন দি কাম সমূহ কৰাই ল'ব পাৰে। এইটো কৰিলে ৰাইজক সহায় কৰা হ'ব। যদি এছ.পি.টি ব্ৰীজ আৰ.চি.চি ব্ৰীজলৈ কনভাৰ্ট কৰিব লগা হয় তেতিয়া হ'লে সেইটো পৰ্য্যায়ক্ৰমে কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**মঃ নুৰুল হুদা, ৰূপহীহাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰবাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এ.আৰ. শিতানটো যাতে ৰাখে এইটো আমাৰ বাবে খুব দৰকাৰ। অধ্যক্ষ মহোদয়, আজিৰ মোৰ তৰাবিহীন ৪৮৭ নং প্ৰশ্ন এটা আছিলে। তাত মোৰ সমষ্টিৰ কলংপাৰ হালোৱাগাঁও ৰাস্তাৰ পৰা ৰূপহীলৈ যোৱা ৰাস্তাৰ এক কিলোমিটাৰ ৰাস্তা আজি ছমাহ আগতে জে.চি.বি লগাই ভাঙি দিয়া কথাটো চৰকাৰৰ অৱগতনে সুধিছিলো। বিষয়টো সম্পৰ্কত মই কাৰ্য্যবাহী অভিযন্তা গৰাকীক সুধিছিলো, তেওঁ কৈছে একো গম নাপায়। আজি উত্তৰত মন্ত্ৰী মহোদয়ে দিছে তিনিশ মিটাৰ বহৰমপুৰ উন্নয়ন খণ্ডই পেভাৰ ব্লক বহুৱাবলৈ অনুমতি বিচাৰি এই সংমণ্ডলৰ পৰা আপত্তি বিহিন অনুমতি পত্ৰ সংগ্ৰহ কৰিছে। মোৰ প্ৰশ্নটো বহৰমপুৰত নহয়? মোৰ প্ৰশ্নটো আছিল ৰূপহীহাট সমষ্টিৰ ৰূপহী উন্নয়ণ খণ্ড এলেকাৰ। ৰূপহী উন্নয়নখণ্ড এলেকাৰ এটা ভাল ৰাস্তা, পকা ৰাস্তা ছমাহ আগতে ভাঙি দিয়াৰ ফলত ৰাইজে যাতায়ত কৰিব নোৱাৰা হৈছে। গতিকে মই বিষয়টো সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে উপায়ুক্তৰ জৰিয়তে বিষয়টোৰ এটা তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যদি এই ধৰণৰ কামত ব্যৱস্থা গ্ৰহণ কৰা নহয় ভৱিষ্যতে আৰু বেয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই কৈছে, যে A.R শিতানত অহাৰ কাৰণে মই আগতে কৈছো শিতান বিলাক আমি নিৰ্ণয় নকৰো, আমাৰ মাননীয় বিত্ত বিভাগে আমাক নিৰ্দেশ দিয়ে, সেই মৰ্মে আমি কাম কৰো। A.R শিতান হিচাপে আমি আপোনাক আস্বস্ত কৰিব নোৱাৰিম যে আমি ৰাখিব পাৰো নে নোৱাৰো আগতে কোৱা হৈছে, কোন কোন শিতান বন্ধ কৰা হৈছে, আৰু এই গোটেইখিনি শিতান একেলগতে Clubbed কৰি ARMF কৰা হৈছে, যাতে আমি কামত স্বচ্ছতা আনিব পাৰো আৰু যাতে আমি ৰাইজক কব পাৰো যে ইমানখিনি টকা আমি ব্যয় কৰিছো। আপুনি আপোনাৰ Supplementary যিটো সুধিলে তাৰ আমি উত্তৰ দিলো। দ্বিতীয়তে, আপুনি যিটো ৰাস্তাৰ কথা কৈছে, এই কথাটো ইয়াত প্ৰশ্নটোত নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এইটো আপুনি পিছত চাই দিব। যিহেতু এই কথাটো প্ৰশ্নটোত নাই, গতিকে এইটো Relevant নহয় হুদা ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো Unstarred question ত আনিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া নালাগে।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এতিয়া আমি আলোচনা কৰিব নোৱাৰো কিন্তু আপুনি যিহেতু কৈছে, যে ৩০০ মিটাৰ ঠাই কোনোৱাই উঠাই দিলে আৰু আমাৰ Engineer য়ে কৈছে যে এইটো তেওঁ নেজানে, তেনেকুৱা কিবা এটা আপুনি কৈছে।

**মাননীয় অধ্যক্ষ** ঃYou look into the thing and reply to him latter. এতিয়া মাননীয় সদস্য শ্ৰী কমল সিং নাৰ্জাৰী ডাঙৰীয়া।

**শ্ৰী কমল সিং নাৰ্জাৰী (মাননীয় সদস্য, বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দুটা প্ৰশ্ন কৰিম বুলি ভাবিছো, প্ৰথম হল আমাৰ A.R ৰ যি ৰিপৰ্ট দিছে, সেই ৰিপৰ্টটোত চিৰাঙৰ ক্ষেত্ৰত অলপ ভুল হৈছে নেকি মন্ত্ৰী মহোদয়ে অলপ চাব নেকি দুই নম্বৰতে হল আমাৰ National Highway পাটিলাদহাৰ পৰা বাদলাংখাইটিলৈকে যিটো ৰাস্তা ১কোটি ২০ লাখ টকা Sanction হৈছিল, তাত ২বাৰ Tender হৈছিল ছাৰ । এবাৰ ২৪% Below মাৰাৰ কাৰণে Cancel হৈ গ'ল Next time 23% Below মাৰাৰ পিছত যিজনে কামটো পাইছে, তেওঁ নকৰিলে । সেই ৰাস্তাটো ইমানে কদৰ্য্য বা বেয়া হৈ আছে, বানপানীৰ ফলত এই ৰাস্তাটোৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে তেখেতৰ নিজৰ Discretionary power use কৰি পেলাই পুনৰ কামটো কৰাৰ বাবে ঠিকাদাৰক দিব নেকি ?

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কমল সিং মহোদয়ে, A.R ৰ শিতানৰ কথাটো কৈছে, আগতে আমি কৈছো, আৰু N.H ৰ কথাটো যিটো আপুনি কৈছে হয়, এই ক্ষেত্ৰত ২০% Below কৰি ২৪% মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰৱনতা আহি গৈছে যে Below দি হলেও আমি কামটো লব লাগিব আৰু পিছত লাগে কামটো পেলাই ৰাখিব। এই প্ৰৱনতাৰ কাৰণে আমি এনেকুৱা এটা অসুবিধাত আছো যে আমি যদি কাম নিদিওঁ তেতিয়া হলে Court ত যায় যে আমি কামটো পোৱা নাই। গতিকে অধ্যক্ষ মহোদয়, এই প্ৰৱনতাটো শেষ কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো আৰু নাৰ্জাৰী ডাঙৰীয়া আপুনি যিহেতু এটা Particular ৰাস্তাৰ কথা কৈছে, এই Particular ৰাস্তাটোৰ আমি খবৰ লম আৰু কেনেকৈ কামখিনি কৰা যায় সোনকালে তাৰ বাবে আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰুকাস্থ (মাননীয় সদস্য, কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৫-২০১৬ ৰ District wise list টো আমি পালো, কিন্তু ২০১৬-১৭ৰ List টো আমি পোৱা নাই যিহেতু অনুমোদন হোৱা নাই, এইটো ঠিকে আছে অধ্যক্ষ মহোদয়। এতিয়া মোৰ প্ৰশ্নটো আছিল অধ্যক্ষ মহোদয়, আৰু এই বিষয়ে মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিছিলো।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক দুজন একে ঠাইৰে মানুহ গতিকে আপোনালোকে কথা পাতি থাকিব। এতিয়া প্ৰশ্নটো কৰক।

**শ্ৰী কমলাক্ষ দে পুৰুকাস্থ (মাননীয় সদস্য, কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ঠাইত ৯ কিলোমিটাৰ "পাটুমহিচেচন" এটা Road আছিলে, এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰিছো আৰু Estimate এটা বনাই আনিছো গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে সেই ৰাস্তাটো ভাঙি-চিঙি গৈছে, সেয়েহে এই ৰাস্তাটোৰ যাতে অনুমোদন হয়, তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে বুজি পালো আপোনাৰ প্ৰশ্নটো, এতিয়া মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কমলাক্ষ দে পুৰুকায়স্থ ডাঙৰীয়াই এটা ৰাস্তাৰ কাৰণে মোক লগ কৰিছে আৰু কথাটো হল যে আপোনালোকে জানে ARMF ৰ পইচাটোৰ বাবে আমি যোৱাবাৰ Work order দিলো, কাম চলি আছে আৰু শেষ ও হৈছো বহু ঠাইত। এইবাৰৰ কামখিনি আৰম্ভ কৰিম কাৰণ আমাৰ বাজেট অলপতে পাছ হব গতিকে মই চেষ্টা কৰিম আপোনাৰ এই ৰাস্তাটো যাতে কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এতিয়া মাননীয় সদস্য শ্ৰী চাহাবুদ্দিন আহমেদ ।

**শ্ৰী চাহাবুদ্দিন আহমেদ (মাননীয় সদস্য জলেশ্বৰ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, নুৰুল হুদা চাহাবে যিটো প্ৰশ্ন আনিছিল, যে ইয়াত তেওঁলোকে A.R maintenance ৰ যিটো কথা কৈছিলে ২০১৫-১৬ আৰু ২০১৬-১৭ কিন্তু ইয়াত অকল ২০১৫-১৬ৰ খতিয়ানটো দিয়া হৈছে। আমাৰ নুৰুল হুদা চাহাবে যিটো প্ৰশ্ন আনিছিল ইয়াত Mid year ৰ টকা ২০১৫-১৬ আৰু ২০১৬-১৭ হিচাবে বিচাৰিছিলে । কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে আমাক অকল ২০১৫-১৬টো দিলে, ২০১৬-১৭টো নিদিলে।

**মাননীয় অধ্যক্ষ** ঃ কোনটো প্ৰশ্নত ?

**শ্ৰী চাহাবুদ্দিন আহমেদ (মাননীয় সদস্য জলেশ্বৰ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নত যিটো নুৰুল হুদা চাহাবৰ প্ৰশ্ন চলি আছে। দ্বিতীয়তে, আমাৰ লক্ষীপুৰ-আগীয়া ৩০ কিলোমিটাৰ ৰাস্তা আৰু যিটো ইয়াত কোৱা হৈছে, আগীয়াটো পৰা মেধীপাৰা এইটো ১৬ কিলোমিটাৰ । ইয়াত যিখিনি মেৰামতিৰ টকা কথা কোৱা হৈছে, ইয়াত মোৰ সন্দেহ আছে, ইয়াত টকা একো খৰচ হোৱা নাই। কাৰণ আজি প্ৰায় ২৫ বছৰে এই ৰাস্তা বেয়া হৈ আছে, যোৱা বছৰ যেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মানকাছাৰ গৈছিল তেতিয়া তেখেতে ৰাস্তাৰ অৱস্থা দেখা পাই যাব নোৱাৰি তেখেতে মেঘালয়ৰ তুৰা হৈ ঘূৰি যায় আৰু এই ক্ষেত্ৰত কাগজে-পত্ৰই দিছে, যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই Special package দিয়াৰ কাৰণে ৰাস্তাটো বনাই আছে। এতিয়া যিটো ১৬ কিলোমিটাৰ দূৰত্বৰ ৰাস্তা অতিক্ৰম কৰোতে প্ৰায় দেৰ ঘণ্টা লাগিছিল এতিয়া মাত্ৰ আধা ঘণ্টা লাগে। গতিকে ২০১৫-১৬ত যি maintenance ৰ টকা দেখুৱা হৈছিল তাত সন্দেহ আছে আৰু তাৰ এটা তদন্ত হব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আগতেও আপুনি এই কথাটো উত্থাপন কৰিছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক বন্ধুৱে কৈছে, ২০১৬-১৭ত আমি হিচাব দিয়া নাই, কিন্তু আমি দিলো ছাৰ। আমি কথাটো স্পষ্টভাৱে উল্লেখ কৰিছো, ২০১৫-১৬ চনৰ আমাৰ প্ৰভিজন আছিল আৰু ২০১৬-১৭ৰ ত আমাৰ Year টো Convert হল ARMF । গতিকে ARMF ত আমি গোটেইখিনি দিলো। আপুনি যিটো কথা কৈছে, দিয়া নাই বুলি কিন্তু এইটো কথা নহয়, আমি দিলো আৰু সঠিকভাৱে, পুংখানুপুংখভাৱে দিলো । আৰু আপুনি যিটো ৰাস্তাৰ কথা কৈছে, যে আগতে ৩ঘণ্টা লাগিছিল এতিয়া আধা ঘণ্টা লাগে, তাৰ মানে ৰাস্তা ভাল হৈছে।

**শ্ৰী চাহাবুদ্দিন আহমেদ (মাননীয় সদস্য জলেশ্বৰ )** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো CM Special package ৰ পৰা দিয়া হৈছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, CM Special package ৰ পৰা দিয়া হৈছে তাতে কি হল CM Special package ৰ পৰা কৰিলে ও Payment টো আমি কৰি আছো নহয়। এতিয়া ভালে হল ৩ঘণ্টাৰ পৰা আধা ঘণ্টা হল আমি আঢ়ৈ ঘণ্টা কমাই দিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Question N.o 205 শ্ৰী আবুল কালাম ৰশিদ আলম। মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম (মাননীয় সদস্য, গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল, কুৰুৱা বাসাৰ পৰা বলবলালৈ যোৱা পথত থকা জিনাৰী নদীৰ ওপৰত, নয়াপাৰা বহতী পথৰ পৰা শিঙিমাৰীলৈ যোৱা পথত থকা হাব্ৰী নদীৰ ওপৰত আৰু শিঙিমাৰীৰ পৰা শিৰমন্দিৰলৈ যোৱা পথত এই তিনিখন RCC Bridges কৰা হব নেকি ? কিন্তু যি উত্তৰ দিলে উত্তৰত মই সন্তুষ্ট হব পৰা নাই। অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক যদি আমি কিবা সমস্যাৰ কথা কওঁ তেখেতে খুব আন্তৰিকতাৰে লয় এইটো সঁচা কথা আৰু আজিলৈ আমি তেখেতক যিমান সমস্যাৰ কথা অৱগত কৰিছো তাত আমি বিমুখ হোৱা নাই। কিন্তু আজি উত্তৰত মই সন্তুষ্ট নহয়। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে তেখেতক অনুৰোধ কৰিম যে এই তিনিখন দলং এই বছৰত নহলেও অহা বিত্তীয় বৰ্ষত কৰাৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** Thank you

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হয় তেখেতৰ এটা প্ৰশ্ন আছিল কুৰুৱা বাসৰ পৰা বলবালালৈ যোৱা পথত থকা জিনাৰী নদীৰ ওপৰত, নয়াপাৰা বহতী পথৰ পৰা শিঙিমাৰীলৈ যোৱা পথত থকা হাব্ৰী নদীৰ ওপৰত আৰু শিঙিমাৰীৰ পৰা মৰনৈ শিৰমন্দিৰলৈ যোৱা পথত থকা নদীৰ ওপৰত RCC Bridge বনোৱাৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি। আপুনি কিয় সন্তুষ্ট হব নোৱাৰে। মইটো কৈছো বৰ্তমানলৈকে কোনো আঁচনিত এইটো অন্তৰ্ভূক্ত হোৱা নাই। মই কৈছো আপুনি যেনেকৈ প্ৰশ্ন কৰিছে, কিন্তু আপোনাৰ ইয়াতে আমি যি দলংখন লৈছো সেই কথাটো আমি উল্লেখ কৰি দিছো ইয়াত। হয়, এই SPT Bridge বিলাক হয়তো খুব প্ৰয়োজনীয়। এইটো সঁচা কথা গতিকে একে লগতে ১বছৰৰ ভিতৰত গোটেই অসমখন আমি নিৰ্মাণ কৰিব পাৰো নে ? আমি ১০৫০খন দলং Within one year ত ললো। Its a record. মানে অসমৰ বুৰঞ্জীত এইটো লিপিবদ্ধ কৰিব লাগে যে ১০৫০খন দলং সৰ্বানন্দ

সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে লৈছে। সেয়েহে মই ভাৰো পৰ্য্যায় ক্ৰমে এই দলং বিলাক লোৱা হব আপুনি যোগাযোগ ৰাখিব। আমি লম।

Point of Order

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া Point of Order .

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Please This is not the way. মই সকলোকে Allow কৰিম। কিন্তু এতিয়া কেৱল Point of Order কেইটা Allow কৰিম। বাকী কিবা থাকিলে আমাৰ আৰু ১০-১২ দিনমান অধিৱেশন চলিব, তেতিয়া আপোনালোকে আনিব। এতিয়া Point of Order কেইটা কি ? One by One Phase.

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules 130 (A) ৰ অধিনত আমি Special Motion ৰ এটা প্ৰস্তাৱ জমা দিছিলো। এই যিখন বেলট দিছে তাত আমাৰ এইটো নাই আৰু Reject কৰা বুলি আমাক চিঠি দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** In fact কালি I have tried to Communicate. চিঠি এখন নিয়ম মতে আপোনালৈ যাব লাগে, যদি যোৱা নাই মই কাৰণটো কৈ দিছো যে আমাৰ সাধাৰণতে নিয়ম 131অধীনত আমাৰ দুয়োটাই এটা Special Motion আৰু এটা Motion, Special Motion য়ে Priorty পায় Motionতকৈ। সমস্যা হৈছে কি, আপুনি Special Motion ৰ Provisionটো চাব যে আপোনালোকে যি কেইটা দিছে, তাত আপোনালোকে বিধান সভাৰ কোনদিনা কথাখিনি আছে সেইটো দিয়া নাই, আপোনালোকে পেপাৰ দুখন দিছে পেপাৰত সেই কথাটো নাই, আপোনালোকৰ Special Motion ৰ Subject ৰ যিটো আছিল, যিটো বিধান সভাৰ আলোচনাৰ লগত Link থকা। গতিকে চিঠিখন আপোনালোকে পাব। আপোনালোকে চিঠিখন পোৱাৰ পিছত যদি অসন্তুষ্ট হয় মোক জনাব। চিঠিখন নিয়ম মতে কালিয়ে দিয়া হৈছে।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়। মই চাই Decision দিলোঁ। মই আপোনাক কৈছো You have every right to discuss. মই ভাবিছো চিঠিখন নিয়ম মতে পাব লাগিছিল। নাই পোৱা যদি আজি পিছ বেলাও সদন বহিব আপোনালোকে উঠাব, তেতিয়ালৈ চিঠিখন পাব। Next কি আছিলে ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি নতুন নতুন Device দি আমাৰ বিধায়ক সকলক কোৱাৰ সুযোগ দি আছে সেইটোৰ কাৰণে আপোনাক ধন্যবাদ জনাইছোঁ। কথাটো হৈছে কি, যোৱা বিধান সভাৰ অধিবেশনত চাহ-বাগিছাৰ ওপৰত আমাৰ আলোচনা হৈছিল, এই শিক্ষাৰ ওপৰত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষালৈ আলোচনা হ'ব, এইটো ভাল পাইছোঁ। যোৱাবাৰ আপুনি এটা ৰুলিং দিছিলে যে ৯০ দিনৰ ভিতৰত ৰিপোৰ্টটো submit কৰিব লাগে। এইবাৰ আমি আলোচনা কৰিম অধ্যক্ষ মহোদয়, তাৰ পিছত যদি ৰিপোৰ্ট আমি নাপাওঁ।

**মাননীয় অধ্যক্ষ ঃ** No, You will get the report only on that particular day. যিদিনা আমাৰ নতুনকৈ Subject হৈছে তাৰ আগদিনা report পাই যাব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মই Unstarred ৰ এটা প্ৰশ্ন তুলিছিলো ৫০৬ ত, ইয়াৰ উত্তৰ মই নাপালো।

**মাননীয় অধ্যক্ষ ঃ** I will check it and inform you at 3 pm. আজিয়ে জনাই দিম।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, মাননীয় মন্ত্ৰী মহোদয় ওলাই গৈছে যদিও, আপোনাৰ জৰিয়তে তেখেতক অনুৰোধ জনাইছো এই ধোদৰ আলিৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** This is not a Point of Order, আপুনি চিঠি এখন দিব আৰু কোনোবাই ক'ব।

**শ্ৰীনুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে ৪৮৭, মোৰ প্ৰশ্ন আছিল যে ৰূপহী হাট বিধান সভাৰ সমষ্টিত এটা ৰাস্তা কলংপাৰ হালোগাওঁৰ পৰা ৰূপহীলৈ যোৱা PMGSY ৰাস্তাটো ১ কি.মি. ভাল ৰাষ্টা JCB লগাই ভাঙি দিছিলে, মই এই বিষয়ে প্ৰশ্নটো কৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মই ৩ বজাত প্ৰথমে আপোনাৰ, ৰূপজ্যোতিৰ এইকেইটা কথা Clear কৰি দিম।

**শ্ৰীনুৰুল হুদা ঃ** চাৰ, উত্তৰটো দিছে যে বৰহমপুৰ সমষ্টিৰ ৩০০ কি.মি ৰাস্তা।

**মাননীয় অধ্যক্ষ ঃ** I will place the thing, you have raised the matter earlier also. আপুনি আগৰ বাৰো কৈছিল, এইটো মই চাই ৩ বজাত আপোনাক উত্তৰটো দিম।

**শ্ৰীবিমল বড়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক নাৰায়ণ ডেকা ডাঙৰীয়াৰ এটা প্ৰশ্ন আছিলে ২১৬ নম্বৰত।

**মাননীয় অধ্যক্ষ ঃ** Starred নে Unstarred.

**শ্ৰীবিমল বড়া ঃ** Starred.

**মাননীয় অধ্যক্ষ ঃ** Starred 216.

**শ্ৰীবিমল বড়া ঃ** চৰকাৰ জ্ঞাত নে PMGSY ৰ ২০১৬-১৭ বৰ্ষৰ Batch 1 আৰু 2, ২০১৭-১৮ বৰ্ষৰ Batch 1, 2, 3 DPR প্ৰস্তুত কৰণৰ সময়ত 5% VAT সংলগ্ন কৰা হৈছিল। পৰবৰ্ত্তী সময়ত ২০১৭ চনৰ জুলাই মাহৰ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো পঢ়িব নালাগে আপোনাৰ অসুবিধাটো কওঁক।

**শ্ৰীবিমল বড়া ঃ** উত্তৰটো এনে ধৰণে দিলে যে এইটো অলপ গতানুগতিক উত্তৰ দিয়াৰ নিচিনা লাগিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উত্তৰটো পোনপটীয়াকৈ পোৱা নাই বুলি যদি অভিযোগ আহিছে সেইটো কওঁক, মই চাই দিম। আবেলি ৩ বজাত এইখিনি পাব। Next.

**শ্ৰীবিমল বড়া ঃ** চৰকাৰ খনে এইটো স্পেচিয়েলি খৰটকীয়াকৈ এটা সিদ্ধান্ত ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, আৰু এইফালে এটা ক'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰয়ণ কলিতা ঃ** Sir, Point of Order.

**মাননীয় অধ্যক্ষ ঃ** মই দিম, এখেতে কৈ লওঁক।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** চাৰ, অলপ দীঘলীয়া হ'ব চাৰ।

**মাননীয় অধ্যক্ষ ঃ** দীঘলীয়া নকৰিব Point of Order ৰ ৰুলৰ কথা, অন্য কথা নহয়। অন্য কথা হলে, ৩০১ ত ৫ টা Notice দিওঁ, কি কাৰণে দিওঁ যাতে মেম্বাৰ সকলে ক'ব পাৰে। এতিয়া আপুনি ৩০১ ত Notice দিব মই আপোনাক ক'বলৈ দিম। বেলেগ কথা নক'ব।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ সন্দৰ্ভতে মোৰ কেইটামান প্ৰশ্ন আছিল।

**মাননীয় অধ্যক্ষ ঃ** কিমান নম্বৰ প্ৰশ্ন।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** প্ৰশ্ন নম্বৰ মোৰ নহয়, মোৰ কেইটামান গড়কাপ্তানী বিভাগৰ সমস্যাহে।

**মাননীয় অধ্যক্ষ ঃ** আপুনাৰ এইটো কথা এই সময়ত Attend কৰিব পৰা নহ'ব।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মোৰ ৩ খন দলং আছিল। সেই তিনি খন দলং মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক মই জনাইছিলো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা কাম কৰক You give in writing.

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মোৰ এই বিষয়ে অৱগত কৰিম তেখেতক।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত এনেকৈ নোৱাৰে।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মই মানে দলং ২খনৰ কথা কৈছো। দলং ২ খনৰ সমস্যা।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। হাউচ নিয়মত চলিব। আপোনাক যদি এইটো লাগে মই এটা Specially Raise কৰিব Allow কৰিম। আপুনি আজি মোৰ তাত আহিব মই আপোনাক বস্তু দিম আপুনি next day ত উলিয়াই লব।

**শ্ৰী ৰমাকান্ত দেউৰী ঃ** মই সমস্যাটো কওঁ।

**মাননীয় অধ্যক্ষ ঃ** No, You can not talk about the problem, now Please. আপোনাক সময় দিম। আপুনি ভালকৈ উলিয়াব। ৰমেন্দ্ৰ নাৰায়ণ কলিতা Your Point of Order.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Starred Question ২১৮ ত মই কপিলী জনসিঞ্চল আঁচনিৰ যোৱা বিধান সভাত ইয়াত বৃহৎ কেলেংকাৰী হোৱা বুলি কৈছিলো, তদন্ত কৰিম বুলি কৈছিল, কিন্তু আজি যিটো reply দিছে সেইটো কিবা Development Bank ৰ উৎসৰহে কথা কলে।

**মাননীয় অধ্যক্ষ ঃ** আবেলি ৩ বজাত এই গোটেই কেইটা প্ৰশ্ন চাই দিম। ৪টা প্ৰশ্ন দিছে।

**এতিয়া Zero Hour লৈ যাব বিচাৰিছোঁ।**

মই প্ৰথমতে আমিনুল ইছলাম ডাঙৰীয়াক ক'বলৈ কৈছো। তেওঁ অনুপস্থিত। তেতিয়াহলে মই শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক ক'বলৈ কম, তাৰ আগতে এক মিনিট সময় লৈছো। আজি আমাৰ পাঁচ বজাত সদন স্থগিত হোৱাৰ পিছত গধূলি, বাজেট টেবলেটৰ জৰিয়তে দিয়া যিটো digital প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াৰ সম্পৰ্কত এটা Training হ'ব। মই সেইদিনা কৈছিলো যদিওঁ পুনৰ আপোনালোক সকলো সদস্যকে আকৌ এবাৰ জনাইছোঁ। গধূলি সদন স্থগিত হোৱাৰ লগে লগে হ'ব, আমাৰ ইয়াতে হ'ব, Central Hall ত। দ্বিতীয়তে অহা সোমবাৰ আৰু মঙ্গলবাৰে SDG ৰ ওপৰত Resource Person ৰ লগত আমাৰ আলোচনা হ'ব। So that we can place the matter effectively in the floor of the House. এইখিনি আমিও নিজে জানি ললে ভাল হ'ব। সেই কাৰণে সকলো বিধায়ককো সেই দুটা দিন থাকিবৰ কাৰণে অনুৰোধ কৰিলো। মই জানো আপোনালোকে চুটি পাইছে নিজ নিজ সমষ্টিলৈ যাব লাগে, শনিবাৰ, দেওঁ বাৰত গৈ অন্ততঃ আহিব। মই এইটো অনুৰোধ কৰিম। কাৰণ তাৰ পিছত আকৌ চাৰিটা মান দিন আপোনালোকে সমষ্টিলৈ যাব পাৰিব। এইটো সোমবাৰে পুৱা দহ বজাৰ পৰা হ'ব। দহ বজাৰ পৰা, আমি দুটা Shifting কৰিছো, আমাৰ Central Hall ত হ'ব। আমাৰ ১৭ টা লক্ষ্য আছে, গতিকে ১৭ টা লক্ষ্যৰ বিষয়ে ভাৰতবৰ্ষই কি কৰিছে বৰ্তমানলৈকে, আমি কি কৰি আছো আৰু আমি কি কৰা উচিত, ২০৩০ চনৰ ভিতৰত। যাতে অসমৰ মানুহে Minimum Standard of Living টো Attain কৰিব পাৰে। আমি সেইটো কথা কৈছো। গতিকে আপোনালোক

থাকিব লাগিব। মই অনুৰোধ কৰিছো, শেষত শিক্ষাৰ ক্ষেত্ৰত কমলাক্ষ দে পুৰকায়স্থই কৈছিল যে আমি যোৱাবাৰ চাহৰ ওপৰত আলোচনা কৰিছিলো ৯০ দিনৰ ভিতৰত চৰকাৰে প্ৰতিবেদন দিয়াটো Mandatory. সেই কাৰণে শিক্ষা বিভাগৰ আলোচনাটোও খুব গুৰুত্বপূৰ্ণ। আমাক প্ৰায় ৬০-৭০ টা Organisation য়ে কাগজ দিছে। যে আমি কথাখিনি বিধায়ক সকলক জনাব বিচাৰো। যদি বিধায়ক সকল সেইদিনা উপস্থিত নাথাকে তেতিয়া কাৰ্য্যসূচীটো সফল ৰূপায়ন কৰাত অসুবিধা হ'ব। সেয়ে অনুগ্ৰহ কৰি ৫,৬,৭,৮ মাৰ্চত আপোনালোকক উপস্থিত থাকিবলৈ পুনৰ অনুৰোধ কৰিলো।

২৭ ফেব্ৰুৱাৰীৰ পৰা ৫ মাৰ্চলৈ আপোনালোকে এটা গেপ পাব নিজৰ নিজৰ সমষ্টিৰ মানুহখিনিৰ কাৰণে কাম কৰিবলৈ। কিন্তু ৫ তাৰিখে আপোনালোকে আহিব কাৰণ যিসকলে ষ্টেক হোল্ডাৰ,তেখেত সকলক আমি বিধায়ক সকলৰ লগত মত বিনিময় কৰিবলৈ হৈ মাতিছো। যাতে আমি তেখেত সকলৰ হৈ কথাখিনি সদনত ক'ব পাৰো আৰু তাৰ ওপৰত চৰকাৰে এটা শুদ্ধ ব্যৱস্থা ল'ব পাৰে। সেয়েহে সেই তাৰিখ কেইটাত উপস্থিত থাকিবলৈ মই সকলোকে অনুৰোধ জনাইছো। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখৰ 'অসমীয়া খবৰ' কাকতত প্ৰকাশিত "বাঘবৰত দলঙৰ পৰা পৰি ম'হৰ মৃত্যু" এই শীৰ্ষক বাতৰিটো মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭ ফেব্ৰুৱাৰী তাৰিখে কলাইদিয়া খাতীহা মাৰী ৰাস্তাত এখন অতি জৰাজীৰ্ণ কাঠৰ দলং থকা হেতুকে তাত এখন মহৰ গাড়ী উঠোতে মহটো দলঙৰ পৰা পৰি মৃত্যু হয়। জাহাংগৰীয়া আলি নামৰ ১ নং বাঘবৰ চৰৰ লোকজনৰ কোনোমতে প্ৰাণ ৰক্ষা হ'ল। ১৭তাৰিখৰ পৰা আজিৰ তাৰিখলৈ প্ৰায় ৬ দিন পাৰ হৈ গ'ল। এতিয়ালৈ কোনো বিভাগীয় বিষয়াই সেই Spot visit কৰা নাই আৰু লোকজনৰো কোনো ক্ষতিপূৰণৰ বুজ লোৱা নাই। এই দলংখন repairing কৰাৰ কাৰণেও কোনো বুজ লোৱা নাই। মই যোৱা ২০ ডিচেম্বৰ ২০১৭ তাৰিখে এই দলংখনৰ লগতে আন কেইবাখনো কাঠৰ দলঙৰ বিশেষকৈ ৪ খন কাঠৰ দলং অতি জৰাজীৰ্ণ অৱস্থাত থকাৰ কথাটো মই Chief Engineer, PWD ক জনাইছিলো। কিন্তু ২০ ডিচেম্বৰৰ পৰা আজি প্ৰায় ৩ মাহ পাৰ হৈ গ'ল কোনো ধৰণৰ ব্যৱস্থা নহ'ল। মোৰ এই চিঠিখন পোৱাৰ পিছতে তাৎক্ষনিকভাৱে যদি ব্যৱস্থা ল'লেহেতেন এই ধৰণৰ দুৰ্ঘটনা নহ'লেহেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত ১৭ জানুৱাৰী ২০১৮ চনত মই আকৌ এখন চিঠি দিলো Excutive Engineer লৈ যে ৪ খন দলং এখন খাতীহা মাৰী ৰাস্তাত,এখন ভাতনাভাইটী আঞ্চলিক বজাৰৰ ওচৰত, মন্দিয়া ৰৌমাৰী ৰ'ডত আৰু মন্দিয়া দীঘিৰপাম ৰ'ডত এখন। এই কেইখন কাঠৰ দলং অতি জৰাজীৰ্ণ অৱস্থাত আৰু এই কেইখন তাৎক্ষনিকভাৱে মেৰামতি কৰিব লাগে বুলি Excutive Officher ক মই অনুৰোধ কৰো। মাননীয় অধ্যক্ষ মহোদয়, মই বাৰম্বাৰ অনুৰোধ জনোৱাৰ পিছতো মেৰামতিৰ কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ কাৰণে ৯ ফেব্ৰুৱাৰী তাৰিখে মই সদনত প্ৰশ্ন আনিছিলো। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে যে, All the bridges will be reconstructed or renovated subject to availability of fund. এতিয়া মাননীয় অধ্যক্ষ মহোদয়, আৰু কিমানটা মহ বা কিমানজন মানুহৰ মৃত্যু হোৱাৰ পিছত fund available হ'ব, কেতিয়া মন্ত্ৰী মহোদয়ে কাঠৰ দলংবোৰ repair কৰিব? মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জ্ঞাতাৰ্থে সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, সেই একেটা ৰাস্তাতে এখন কাঠৰ

দলঙৰ পৰা পৰি এজন স্কুলীয়া ছাত্ৰৰ মৃত্যু হৈছে। কিন্তু তাৰ পিছতো repairing ৰ ব্যৱস্থা হোৱা নাই। ইয়াৰ বাহিৰেও দলং বিলাকত বিভিন্ন ধৰণৰ দুৰ্ঘটনা হৈ থাকে। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, এই যি ৪ দলঙৰ কথা কৈছিলো, তাৰ ভিতৰত মন্দিয়া সত্ৰখনৰা বৰপেটা জিলাৰ ভিতৰত এখন মেজৰ Distric road। এই সত্ৰখনৰা বজাৰখন পোৱাৰ আগতে দলংখনৰ অৱস্থা তথৈবচ। তথাপিও মই ৩ মাহ অনুৰোধ কৰাৰ পাছতো , সদনত প্ৰশ্ন উত্থাপন কৰাৰ পাছতো আজিলৈকে দলংখনৰ repairing কোনো ব্যৱস্থা লোৱা নাই। সত্ৰখনৰা পোৱাৰ পিছতো আৰু কেইখনমান দলং আছে। সেই কেইখনতো যি কোনো মুহুৰ্তত দুৰ্ঘটনা হয় একো ঠিক নাই। ভাটনাপাইটি আঞ্চলিক বজাৰৰ কাষত থকা কাঠৰ দলংখনতো যিকোনো মুহুৰ্তত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা আছে। মাননীয় অধ্যক্ষ মহোদয়, মই কেইবাখনো ফটো আৰু মোৰ চিঠি আৰু প্ৰশ্ন আপোনালৈ আৰু মন্ত্ৰী মহোদয়লৈ প্ৰেৰণ কৰিম। মাননীয় অধ্যক্ষ মহোদয়, যিবোৰ অতি জৰাজীৰ্ণ কাঠৰ দলং আছে য'ত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা অধিক , এতিয়ালৈ কিয় repairing ব্যৱস্থা হোৱা নাই ? এই দলংবোৰৰ repairing কাৰণে ব্যৱস্থা লবলৈ মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো। আজিৰ সদনৰ পৰা এই বাৰ্তা যাব লাগে যে, এই ম'হটোৰ মৃত্যুটোৱেই শেষ মৃত্যু হওঁক আৰু যাতে ভৱিষ্যতে এনেকুৱা কোনো জীৱ -জন্তু বা মানুহৰ কাঠৰ দলঙৰ পৰা মৃত্যু নহয় তাৰ কাৰণে যাতে চৰকাৰে উপযুক্ত ব্যৱস্থা লয়।

**অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলী ডাঙৰীয়াই শূণ্যকালীন ঘন্টাত যি বিষয়ৰ ওপৰত আলোচনা কৰিলে সেইটো আমাৰ দৃষ্টিগোচৰ হৈছে। “বাঘবৰত দলঙৰ পৰা পৰি ম'হৰ মৃত্যু”। কথাটো সত্য অধ্যক্ষ ডাঙৰীয়া। জীৱ-জন্তুবোৰক আমি আমাৰ মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই কামত লগাইছো। এই মৃত্যুটো ভাল হোৱা নাই। এই জাননী পোৱাৰ পিছতে মই খবৰ ললো। খবৰ লৈ দেখিলো যে, দলংখনৰ ভাল ব্যৱস্থা নাই আৰু Trackway টো বিভিন্ন ঠাইত নাই। মটৰ ছাইকেলেৰে মানুহ অহা-যোৱা কৰে দলংখনৰ ওপৰেৰে। কিন্তু ডাঙৰ গাড়ী উঠাব নোৱাৰে। তাৰ কাৰণে দলং দুয়োফালে চাইন বোৰ্ড লগোৱা হয়। কিন্তু কিছু দুস্কৃতিকাৰীয়ে সেইবোৰো উঠাই লৈ যায়। দলংখনৰ ফটোও আমি সংগ্ৰহ কৰিলো। আপোনাৰ জৰিয়তে মই মাননীয় সদস্য গৰাকীক দিম। সচাঁকৈয়ে দলংখনৰ Trackway নাছিল। ম'হটো মৰিল দলংখনৰ মালিকৰ কাৰণে। কাৰণ দলংখনৰ অৱস্থাটো দেখিও ইমান এখন ডাঙৰ গাড়ী দলংখনত উঠাই দিলে। ম'হটো দলংখনত ফচি গ'ল আৰু গাড়ীখন ম'হটোৰ ওপৰতে পৰি ম'হটোৰ মৃত্যু হ'ল। মই বুজিছো যে, দলংখনৰ অৱস্থা ভাল নহয়। কিন্তু মই ভাৱো ম'হৰ গাড়ীখন দলংখনৰ ওপৰত উঠাই দিয়াটোও ভাল নহয় নেকি ? ম'হৰ মালিক জনৰ নাম মই আনিছো। এই মানুহজনৰ মানৱীয়তা ক'ত হেৰাল ? ভঙা দলঙৰ ওপৰত ম'হৰ গাড়ীখন উঠাই দিব লাগেনে ? মই ভাৱো, এই মানুহ জনৰ কাৰণেই ম'হটোৰ মৃত্যু হৈছে। লগতে, আমাৰ দলংখনো যে ভাল অৱস্থাত নাছিল সেইটোও মই স্বীকাৰ কৰিছো। যিটো ম'হে আমাৰ বাবে আমাৰ পৰিয়ালৰ কাম কৰি আছে সেই ম'হটোক আমি ইমান গধূৰ গাড়ী টানিবলৈ দিব লাগে নেকি ? এইটো জানো মানৱীয়তাৰ লক্ষণ ? ম'হে টনা গধুৰ গাড়ীখন দলঙত উঠাই দিয়াৰ ফলত দলং খন ভাঙি ম'হৰ সৈতে গাড়ীখন দলঙৰ তলত পৰি যায় আৰু ম'হটো মৃত্যু মুখত পৰে। হয়, দলং খনৰ যি অৱস্থাৰ কথা আপুনি কৈছে, মই স্বীকাৰ কৰিছো যে, দলং খন যেনে হ'ব লাগিছিল, তেনে ধৰণৰ হোৱা নাই। কিন্তু এই দলংখন PMGSY ৰ অধীনৰ Phase 5 ত Package No. AS01/426 ত অন্তৰ্ভূক্ত হৈছে আৰু

মই ভাৱো যে অতি সোনকালে tender প্ৰক্ৰিয়াৰ পিছতেই এই দলংখন হ'ব আৰু আপুনি বাকী যি দুই তিনি খন দলঙৰ কথা কৈছে, সেই দলং সমূহো নিসন্দেহে পৰ্যায়ক্ৰমে কেনেকুৱা কৰিব পৰা যায় আমি চাম। আনটো কথা আপুনি যিটো কৈছে যে আমাৰ বিভাগে যোৱা নাই, হয়, বিভাগে হয়তো কাম কৰা নাই বা ঠিক কৰি দিয়া নাই, কথাটো সঁচা। আপুনিও জানে যে ইয়াৰ লগত পুঁজিৰ কথাও জড়িত হৈ আছে। আপুনি এজন বিজ্ঞ বিধায়ক। আমি আপোনালোককে পুঁজি দিছিলো। আপুনিও MLA fund ৰ অলপ টকাৰে অহা-যোৱাৰ ব্যৱস্থাটো কৰি দিব পাৰিলে হেঁতেন। কিন্তু আপুনি হয়তো proposal দিয়া নাছিল। আপুনি যিবোৰ দলঙৰ কথা কৈছে এই দলং বোৰৰ মেৰামতি কেনেকৈ কৰিব পৰা যায় সেইটো আমি চাম আৰু এই দলংখন RCC দলং হ'বয়েই। মই আপোনাক accident হোৱা ঠাইৰ দুখন ফটো দিম য'ত বিভাগে দলংখনত বাঁহ দি কোনোমতে মেৰামতি কৰি থৈছে আৰু আপুনি চাব যে কি নিৰ্মম ভাৱে সেই গধুৰ গাড়ীখন দলংখনত উঠাই দিলে। (সদনত মাননীয় মন্ত্ৰীয়ে মাননীয় অধ্যক্ষৰ আগত ফটো দুখন দাখিল কৰে)। এই ফটোখন আমাৰ বিভাগে তাত গৈ আনিছে আৰু accident টো হোৱাৰ পিছত যি ঘৰ মানুহৰ ম'হটো মৰিছিল সেই মানুহজনৰ ঘৰলৈ যায় আৰু স্থানীয় ৰাইজৰ লগতো কথা পাতিছে। তাৰ recording ও আমি আমাৰ লগত ৰাখিছোঁ। বিভাগে সকলো খবৰ ৰাখিছে, কিন্তু বিত্তীয় অভাৱৰ বাবে হয়তো উপযুক্ত ব্যৱস্থা ল'ব পৰা নাই। গতিকে এই সন্দৰ্ভত ভৱিষ্যতে কেনে ধৰণৰ ব্যৱস্থা ল'ব পৰা যায় তাৰ বাবে আমি চেষ্টা কৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ধুনীয়াকৈ story এটা ক'লে যে তাত দলং বন্ধ বুলি ফলক লগোৱা হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, এইটো মই with authority কৈছো, দায়বদ্ধতাৰ সৈতে কৈছো যে এইটো গোকাট মিছা কথা। এইটো বিভাগে দায় সৰা মন্তব্য দি তেওঁলোক যাতে সাৰি যাব পাৰে তাৰ বাবে কৰা এটা ব্যৱস্থা। দ্বিতীয়তে, How the Hon'ble Minister dare to say, এইটো different যে ম'হটো মৰি গ'ল। এটা জন্তু নিৰ্মম ভাৱে মৰি গ'ল আৰু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰীয়ে দলংখনত ম'হৰ গাড়ী খন উঠাব নালাগিছিল বুলি কেনেকৈ ক'লে ?

**মাননীয় অধ্যক্ষঃ** গোকাট অসত্য কথা বুলি নক'ব। That is his perception. Perceptions are different. You can not force anybody to have your own perception.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** ৰাস্তাটো বন্ধ হৈ থাকিব লাগে। It is the duty of the Government. ৰাস্তাত যাতায়ত চলাচলৰ বাবে ব্যৱস্থা ৰাখিব লাগে।

**মাননীয় অধ্যক্ষঃ** Please no discussion. শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, You know it very well there will be no discussion in Zero Hour. If you are unsatisfied that is a different issue.

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

Everybody please sit down. I am on the deck. I asked you to sit down. Please sit down. কথাটো হৈছে যে, আপোনালোকে Rule ত Zero Hour ৰ বিষয়ে পঢ়িব। Zero Hour ত মন্ত্ৰীয়ে উত্তৰ নিদিয়াকৈয়ে থাকিব পাৰে। I can allow them. They can give their statement later on. আপুনি এটা কথা উত্থাপন কৰিছে, তাৰ উত্তৰত তেখেতে তেওঁৰ part টো কৈছে। মই থিয় হ'লে আপোনালোকে বহি দিব লাগে

আৰু এইটোৰেই হৈছে সদনৰ নিয়ম। নহ'লে মই সদন স্থগিত ৰাখিব লাগিব। মই সদনৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ সদায় থাকিম । সদনৰ মৰ্য্যাদা ৰক্ষা নহ'লে সদন স্থগিত ৰাখিবলৈ মই বাধ্য। মোক ইয়াত আপোনালোকে সদনৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ বহুৱাইছে। আমি সকলোৱে learning stage ত আছো। ময়ো শিকি আছো। আপোনালোকে নাভাবিব যে, মই সকলো কথা জানো। আমি কেতিয়াবা এজনে আনজনক সুধিবও লাগিব। গতিকে , মই শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক কৈছো যে আপুনি senior মানুহ, মই আপোনাৰ Zero Hour Notice খন দিব বিচৰা নাছিলো যদিও কিয় দিলো? এইবোৰ নিজৰ নিজৰ অঞ্চলৰ সৰু সৰু incident. মই জানো যে এইটো সৰু যদিও আপোনাৰ অঞ্চলৰ বাবে ডাঙৰ কথা। কিন্তু আমি পাৰিলে Zero Hour ত অন্যান্য ধৰণৰ কথাবোৰ আনিবলৈ চেষ্টা কৰো। তথাপিও আপোনাক অনুমতি দিয়া হৈছিল। আপোনালোকৰ কেইবাজনেও notice দিছিল কিন্তু আপুনি আগৰ পৰাই দি আছিল যদিও আগতে পৰা নাছিলো বাবে এইবাৰ আপোনাক accomodate কৰিলো। মই সকলোকে accomodate কৰিব বিচাৰো যাতে আপোনালোক সকলোৱে কথাবোৰ ক'ব পাৰে। আপোনালোকে জানে যে, এই সদনত আপোনালোকে কথা ক'ব, চৰকাৰৰ ফালৰ পৰা উত্তৰ দিব আৰু ৰাইজেও judge কৰিব। তাৰ বাবে মই live telecast কৰিবলৈও দিছো। গতিকে আপোনালোকে যদি ইজনে সিজনক এনে ধৰণে treat কৰে, তেনেহ'লে what message we will send ? You may not be satisfied with his answer. But, this is not the way to place the mater like that. সেইকাৰণে মই আপোনালোক সকলোকে অনুৰোধ কৰিছো যে আপোনালোকে সদনৰ কথাখিনি ৰাখিব। আমিও excited হ'ব নালাগে। মই আগতেও কৈছো যে, Patience, Tolerance and Mutual Respect to each other এই কথাখিনি যদি নাথাকে আমি সদন চলাব নোৱাৰো। Patience লাগিবই। এতিয়া আপুনি Zero Hour ত যিটো আনিছিল, সেইটোত মই এটা কথাই ভাল পাইছো যে সেই দলং PMGSY ৰ package ত সোমোৱা বুলি মন্ত্ৰী ডাঙৰীয়াই বোধকৰো কৈছে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** হয়, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** মই সেইটো শুনি এটা কথা ভাৰিছিলো যে Zero Hour ত অহাৰ বাবে অন্ততঃ দলং খন পকী হৈ গ'লে তেওঁলোকৰ অসুবিধা সমূহ নাইকিয়া হ'ব। তেখেতে এটা কথা কৈছে যে, মালিক জনে গধূৰ গাড়ীখন ভঙা দলংখনত উঠাব নালাগিছিল। আমিও কেতিয়াবা এনেকুৱা কৰো। যেতিয়া আমি ডেকা কালত আছিলো, ভগা থাকিলেও পাৰিম বুলি কৈ গুছি যাওঁ, কিন্তু এতিয়া যেতিয়া বয়স হৈছে, আমি গাড়ীৰ পৰা নামি দিও আৰু driver জনে গাড়ীখন পাৰ কৰাই লৈ যায়। গতিকে কিছুমান কথা perception ৰ ওপৰত নিৰ্ভৰ কৰে। কাৰ কেনেকুৱা perception, সেইটো বেলেগ বেলেগ কথা। গতিকে এই matter টো মই ইয়াতেই close কৰিলো। এতিয়া second matter.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ**

(সদনত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

The chair has expunged.

**মাননীয় অধ্যক্ষঃ** Please, মই এতিয়াও থিয় হৈ আছো শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপুনি মোক বহিবলৈ দিয়ক। মই বহাৰ পিছত আপুনি ক'ব। আপুনি কাৰো কথা নুশুনে নেকি? আপুনি যদি সদনৰ মৰ্য্যাদা নাৰাখে, আপুনি যাব পাৰে। I have suspended you for dis-

obeying the chair. Marshal, you can take him away. This is not the way. I am telling you to go out. আপুনি যাব লাগিব। মই এনেকৈ House চলিব দিব নোৱাৰো। I am very sorry to say মই এনে ধৰণৰ harsh measure ল'বলৈ কেতিয়াও নিবিচাৰো, কিন্তু, সদনত যেতিয়া এটা বিষয়ৰ ওপৰত আলোচনা চলে, তাৰোপৰি, তেখেতৰ বিধায়িনী দলৰ দলপতিয়ে notice খনো দিছে। Principle হিচাপে মই বিৰোধী দলপতিৰ notice খন accept কৰিব লাগে আৰু যিহেতু তেখেতে মোক notice খন দিবলৈ personally দুবাৰকৈ request কৰিছে গতিকে তাৰ বাবে মই অনুমতি দিছো। তেখেতে সদনক এনেধৰণে সদায় disobey কৰি থকাটো ঠিক নহয়।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা)ঃ** দুৰ্ভাগ্যজনক ছাৰ, প্ৰকৃততে দুয়ো ফালৰ পৰা উত্তেজনা আহিছিল। কিন্তু উত্তেজিত হ'ব নালাগিছিল। মই এটা উদাহৰণ দিব বিচাৰিছো, মোক অলপমান সময় দিয়ক।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা)ঃ** মই ২০১৫-১৬ চনৰ Annual plan ত এখন দলং পাইছিলো। তাৰ আগতে এখন লোহাৰ দলং বনাইছিলো ONGC ৰ পৰা পইচা আনি MLA fund দি। যেতিয়া মোক Annual plan ত দলংখন দিলে তেতিয়া মই লোহাৰ দলংখন ভাঙি দিলো আৰু RCC দলংখনৰ foundation হোৱাৰ পিছত যোৱা দুবছৰ ধৰি একো কাম হোৱা নাই। যাৰ বাবে মানুহ বিলাকে মোক গালি পাৰিছে। ফলত পুনৰ মই MLA fund দি দলংখন বনাব লাগিব। যদি এনেকুৱা ঘটনা হয় এইবিলাকৰ কাৰণে অকনমান যদি চৰকাৰে দৃষ্টি দিয়ে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছিলো Zero hour ৰ পিছত সাধাৰণতে debate নহয়। তথাপি দুই এটা কথা allow কৰো। কিন্তু যদি তেখেত সকলে insist কৰে এই hour টোত ক'বৰ কাৰণে ১২৬ জন সদস্যৰে অধিকাৰ আছে। মই পুনৰ কৈছো যে এনেকৈ যদি House control কৰাত বাধা দিয়ে কেনেকৈ হ'ব? মই তথাপি তেখেতক কৈছো যে মই বহাৰ পিছত যদি তেখেতে আকৌ কিবা এটা সোধে সুধিব পাৰে, কিন্তু তেখেতে সেইটো কৰা নাই। I am very sorry. মই এনেকুৱা হোৱাটো নিবিচাৰো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules and Procedure follow কৰি আৰু আমাৰ Assembly ৰ decorum সকলোৱে টো ৰক্ষা কৰা ভাল।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী অতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ ক'বলৈ সুবিধা পোৱা হ'লে এই উত্তেজনাটো নহ'লহেতেঁন। তেওঁ দলং খনৰ কথা কৈছে নে মহটো মৰাৰ কথা কৈছে। বেলশৰ, কামাখ্যা, দীৰ্ঘেশ্বৰী মন্দিৰত ম'হ বলি দিয়েই থাকে দেখোন। ম'হটো লৈ তেওঁৰ ইমান কন্দা কটা কিয় কৰিছে? কিন্তু যোৰহাটৰ গায়ন গাওঁত সিদিনা নাহৰ ফুটুকী বাঘটো মানুহে যে মাৰি পেলালে বন বিভাগৰ সন্মুখত সেইটো কথাতেখেতে কিয় নকয়?

**মাননীয় অধ্যক্ষ ঃ** মই সকলো মন্ত্ৰীকে কৈছো যে আপোনালোকে গোটেই দেশখন চলায়। কোনোবাই কিবা ক'লে আমাৰ উত্তেজনাটো আহি যায় হয়। যিমান পাৰে আপোনালোকে control কৰিব। So that I can run the House properly. এতিয়া next question Shri Brindaban Goswami. "তেজপুৰ ভূমি সংৰক্ষণ বিভাগৰ দূৰ্নীতি"।

**শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসমীয়া প্ৰতিদিন" কাকতত ১৪ জুন, ২০১৭

তাৰিখত এটা বাতৰি প্ৰকাশ পাইছিল “ তেজপুৰত ভূমি সংৰক্ষণ বিভাগৰ ব্যাপক দূৰ্নীতি। ছয়কোটি টকীয়া আঁচনি ৰূপায়ণত অবাধ লুণ্ঠন”। অধ্যক্ষ ডাঙৰীয়া, ২০১১-১২ চনৰ এখন অভিলাষী আঁচনি জলচ্ছেদ, যিখন প্ৰকল্পত ৩৩ খন গাওঁ সামৰি ৫ হাজাৰ হেক্টৰ ভূমিত এই প্ৰকল্প ৰূপায়ণ কৰিব লাগে। কিন্তু ৰাইজৰ অগোচৰে বিভাগ, বিভাগীয় বিষয়া সকলে স্থানীয় কিছু সংখ্যক লোকক লৈ এই আঁচনিখনৰ নামত লক্ষ লক্ষ টকা আত্মসাৎ কৰাৰ অভিযোগ প্ৰকাশ পাইছে। ভূমি সংৰক্ষণ বিভাগৰ সংহত জলচ্ছেদ প্ৰকল্পৰ ৬ কোটি টকীয়া আঁচনি ৰূপায়ণৰ নামত সামান্য কাম কৰিয়েই অবাধ লুণ্ঠন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। সংহত জলচ্ছেদ প্ৰকল্পৰ ৬ কোটি টকীয়া আঁচনি ৰূপায়ণত দূৰ্নীতি সংঘটিত হোৱাৰ বাবেই এই ক্ষেত্ৰত ৰাজহুৱা অভিযোগ উত্থাপন হোৱাৰ পিছতো কোনো তদন্ত নহ’ল। বিভাগীয় নিৰ্দ্দেশনা অনুসৰি জলচ্ছেদ আঁচনি ৰূপায়ণৰ বাবে স্থানীয় ভাৱে ৰাইজৰ সম্পূৰ্ণ সহযোগত আঁচনিখন ৰূপায়ণ কৰিব লাগে যদিও এইখিনি নকৰি বিষয়া সকলে স্থানীয় কিছু সংখ্যক লোকক লৈ আঁচনি ৰূপায়ণৰ নামত ব্যাপক ধনৰ অপচয় কৰিছে। অধ্যক্ষ ডাঙৰীয়া, ২০১১-১২ বৰ্ষত হলেশ্বৰ জলচ্ছেদ প্ৰকল্পৰ বিপৰীতে ৬ কোটি টকাৰ অনুমোদন দিছিল। কিন্তু এই আঁচনি খনৰ নামত ২০১৪-১৫ বৰ্ষত বিমলজান নামৰ এটা পুৰণি হোলা চাফা কৰাৰ বাবে বৃহৎ পৰিমাণৰ ধনৰ অনুমোদন দিয়ে। সেই অনুসৰি বৰপুখুৰী অঞ্চলত বিমলজান চাফা কৰাৰ বাবে ২,৫০০ আৰ এম ৰ বিপৰীতে ৮,৮৭,৫০০ টকা কোনো কাম নকৰাকে মাত্ৰ অমৰলতা বোৰ কাটিয়েই এই টকাখিনি আত্মসাৎ কৰিছিল। এইদৰে ৪ লাখ ২৩ হাজাৰ ৬০০টকা, ৬ লাখ টকা, ১,৯২০ আৰ এমৰ বিপৰীতে আৰু ৬,৮১, ৬০০ টকা অনুমোদন দিছিল আৰু মই নিজেও এই অঞ্চল বিলাকলৈ গৈছো। তাত দেখা পাইছো যে কেইজনমান মুষ্টিমেয় মানুহে ৰাজনৈতিক পৃষ্ঠপোষকতাত তেওঁলোকে নিজৰ ইচ্ছামতে এই ধনখিনি অপব্যয় কৰিলে। এইখন এখন অভিলাষী আঁচনি আছিল। বিমলজান এই জানটোৱে গৈ ডিপোটা নদীত লাগে আৰু দুই কাষে বিস্তৃত অঞ্চল খেতি পথাৰ আৰু মই আগৰবাৰ বিধায়ক থকা সময়তে এই আঁচনিখনৰ কাৰণে যথেষ্ট গুৰুত্ব দি আৰম্ভ কৰিছিলো। ইয়াৰ আগতেও গাভৰু ব্লকত অসমৰ প্ৰথমখন এনে আঁচনি আমি ৰূপায়ণ কৰিছিলো ব্লকৰ যোগেদি। কিন্তু এই আঁচনিবিলাক পিছত ভূমি সংৰক্ষণ বিভাগলৈ হস্তান্তৰ কৰিলে আৰু হস্তান্তৰ কৰাৰ নামত এই আঁচনিখন আছিল যদিও ২০১৪-১৫ বৰ্ষত পুনৰ এই আঁচনিৰ আধাৰত ৰবৰ বাগান এখন কৰিলে। অধ্যক্ষ মহোদয়, আপুনি এটা যদি দলো পঠায় তেতিয়া দেখিব যে তাত এডালো ৰবৰ গছ নাই। হলেশ্বৰ থানৰ ওচৰত অলপ টকা খৰচ কৰি এটা প্ৰকল্প কৰিলে কিন্তু এই আঁচনিখনৰ তাত একো চিনমোকাম নাই। এইদৰে ইয়াত বিস্তৃত ভাৱে এই বাতৰিটো ৬ কোটি টকীয়া আঁচনি খনৰ যি অবাধ লুণ্ঠন চলিল তাৰ বিষয়ে তাত ওলাইছে। মই বিষয়া সকলক মাতি আনি এবাৰ আলোচনা কৰিছিলো। ৩০ লাখ মান টকা বোধহয় চাহপানী খুৱাওতেই খৰচ কৰিলে। বাকীখিনি টকা অপচয় কৰিলে কিন্তু ৰাইজৰ মাজত যেতিয়া ত্ৰই বিষয়টো চাৰিওফালৰ পৰা আলোচনা বিলোচনা হ’ল এই ছয়কোটি টকাৰ ধনখিনি অপব্যয় কৰাৰ পিজ্ঞত আঁচনিখন বন্ধ হৈ আছে। গতিকে এই আঁচনিখন যদি ৰূপায়ণ হয় এটা বিস্তৃত অঞ্চল মোৰ পৰিকল্পনা আছিল যে দুইফালে দুটা মথাউৰিৰ দৰে হ’ব তাত আমি plantation কৰিম sluice gate থাকিব। যেতিয়া অধিক পানীখিনি নদীলৈ ওলাই যাব বাকী পানীখিনি আমি তাত আবদ্ধ কৰি ৰাখিম আৰু তাৰ পৰা বিস্তৃত অঞ্চললৈ আমি অন্ততঃ দুটা তিনিটা খেতি সেই বিস্তৃত অঞ্চলত কৰিব পাৰিম। কিন্তু আমাৰ মন্ত্ৰী ডাঙৰীয়া যেতিয়া নাছিল এই আঁচনিখন মই বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিছো এই বাতৰিটো আপুনি ভালদৰে চাই ইয়াত যিখিনি অপচয় হৈছে সেইখিনি

ইতিমধ্যে হৈছে। সেইটো ৰোধ কৰিবৰ কাৰণে অনুসন্ধান কৰাটো ৰাইজেও বিচাৰিছে কাৰণ আগতে কোনো তদন্ত নহ'ল। এবাৰ আমাৰ বিধায়িনী, বিধান সভাৰ এখন কমিটি গৈ এই বিষয়টো আলোচনা কৰিছিল। তাতো সঠিক ভাৱে তেওঁলোকে তথ্য পাতি বিলাক দিয়া নাই। আজি সেইকাৰণে মই এই পবিত্ৰ সদনত Zero hour ত এই বিষয়টো উত্থাপন কৰি বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। প্ৰথম যিখিনি অপচয় হৈছে সেইখিনি অনুসন্ধান কৰি ব্যৱস্থা লওঁক। দ্বিতীয়তে ছয়কোটি টকীয়া আঁচনিখনত এতিয়া কিন্তু কোনো কাৰ্য্যসূচী লোৱা নাই। এই ধনখিনিৰ কি হ'ব? এই আঁচনি লোৱা হ'বনে নহ'ব? এইবাৰ মই যিখিনি দেখিছো ছয়কোটি টকাৰ এই আঁচনি খনত কোনো নতুন আঁচনি অন্তভুক্ত কৰা নাই। গতিকে মোৰ অনুৰোধ এইখন আঁচনি আৰম্ভ কৰিব লাগে আৰু ৰাইজক জনাই কৰিব লাগে। ৰাজহুৱা সভা পাতক, কাষৰীয়া ৰাইজক মাতক। কিন্তু কোনোবো drawing room ত, কোনোবা circuit house ত, কোনোবা চৰকাৰী ভৱনৰ ভিতৰত বহি কমিটি গঠন কৰি এনেবোৰ ধনৰ যাতে অপচয় নহয় বৰ্তমানৰ চৰকাৰে এই দৃষ্টি দিয়ক আৰু মোৰ অনুৰোধ ছয়কোটি টকাহে অপব্যয় কৰাত ৰাইজৰ দৃষ্টি বন্ধ হৈ আছে, সেইখিনি অনুসন্ধান কৰক। বাকী থকা ধনেৰে হলেশ্বৰ জলচ্ছেদ প্ৰকল্পটো সম্পূৰ্ণ কৰক আৰু এই অঞ্চলটোৰ ৰাইজৰ যি আশা বিশেষকৈ বানপানীৰ সময়ত আমাৰ জলাশয়, বিভিন্ন নদীৰ পানী আহি সেই জানটোৰে যায় গতিকে কামখিনি নোহোৱাৰ কাৰণে এই জানটোৰ ওপৰত যথেষ্ট দলং আদি কৰি জানটো বন্ধ কৰি দিছে। আমাৰ উদ্দেশ্য আছিল যাতে এই জানটোৰ পানী সৰবৰাহ হৈ থাকে আৰু তাৰ যোগেদি বিস্তৃত অঞ্চলৰ উন্নয়ন কৰিব পৰা যায়। গতিকে মই এইখিনি কথা কৈ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো ছয় কোটি টকীয়া যিখিনি ধন গৈছে তাৰ অনু সন্ধান কৰি ব্যৱস্থা লওঁক আৰু বাকী যিখিনি টকা আছে এই আঁচনিখ ন সম্পূৰ্ণ কৰাৰ কাৰণে নতুন কমিটি গঠন কৰি আৰু স্বচ্ছভাৱে এই আঁচনিখন কাৰ্য্যকৰী কৰিবৰ বাবে মই অনুৰোধ জনাইছো।

**Hon'ble Speaker :** Thank you. Minister.

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো বিষয় আজি আমাৰ পবিত্ৰ সদনত উত্থাপন কৰিছে, এই বিষয়টো আমাৰ চৰকাৰৰ অৱগত হৈছে। ইয়াত বাতৰিটোত লিখা আছে যে "ছয়কোটি টকীয়া আঁচনি ৰূপায়ণত অবাধ লুণ্ঠনতেজপুৰ ভূমি সংৰক্ষণ বিভাগত" গতিকে বিষয়টো মোৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে মই বিভাগীয় বিষয়া সকলৰ লগত বহিছো, আলোচনা কৰিছো যে সঁচাকৈ এই ছয়কোটি টকীয়া আঁচনিখনত কেনেকুৱা ধৰণৰ কাম-কাজ হৈ আছে সেইটো মই তেওঁলোকৰ লগত বহি বিতং তথ্য তেওঁলোকৰ পৰা লৈছো। মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰকল্পটো ২০১১-১২ চনৰ পৰা আৰম্ভ হৈছে। ইয়াৰ মুঠ প্ৰকল্পৰ এষ্টিমেটটো ছয় কোটি আছিলে। সঁচা অৰ্থত ছয় কোটি টকা আছিল। এই ৬ কোটি টকাৰ তেওঁলোকে বেলেগ বেলেগ ধৰণৰ চাৰ্ভে কৰিব লাগে আৰু ডি পি আৰ বনাব লাগে, (EPA) Entry Point Activity আৰম্ভণি কৰিবৰ কাৰণে কি কি পৰ্য্যায় আছে, সেইবিলাক কৰিব লাগেএইবিলাক কৰোতেওঁ বেলেগ পইচাৰ Estimat ধৰা হয়। আৰু মেইন প্ৰজেক্টটোত বেচিকৈ পইচা ধৰা থাকে। আপুনি যিটো কৈছে, ৩৩ খন গাওঁক লৈ প্ৰকল্পটো আছিল। এইটো হয়। আচল প্ৰক ল্প ৬ কোটি টকা আছিল। কিন্তু এই ছয় কোটি টকাৰে আমাৰ বিভাগে সময় থাকোতে খৰচ কৰিব নোৱাৰিলে। তেওঁলোকে কেনেকৈ খৰচ কৰিছে মই জনাই দিওঁ যে, Administrative Over rate,Administrative Cost থাকে। প্ৰতিটো প্ৰকল্পত এনেকুৱা ধৰণৰ খৰচ থাকে। তাৰ কাৰণে তেওঁলোকে খৰচ কৰিছে৮,৭০,৮৯৩ টকা,Capacity Building ৰ কাৰণে ট্ৰেইনিং

কিছুমান থাকে। তাৰ কাৰণে খৰচ কৰিছে ৮,০১,৮৯৩ টকা। আৰু (EPA) Entry Point Activity প্ৰজেক্টটো বনাবৰ কাৰণে Entry Point ত কি কাম কৰে। তাৰ কাৰণে খৰচ কৰিছে এন আৰ এম ত খৰচ কৰিছে ২৪ লাখ টকা। physically তেওঁলোকে খৰচ কৰিছে, ১৪ টা স্কীমত। আৰু N R M works প্ৰধান কাম, আৰু National Resource Management ,ইয়াৰ কাৰণে খৰচ কৰিছে ৩১ লাখ ৬২ হাজাৰ ৬৭২ টকা। ডি পি আৰ বনাওঁতে লৈছে ৬,০৩,০৬৫ ট কা। এইবিলাক মুঠ মিলি খৰচ কৰিছে ৭৮,৯২,২৭৭ টকা। এই চাৰি-পাচঁ বছৰতো বিগত সময়চোৱাত তেওঁলোকে মুখ্য প্ৰকল্পটোত কাম কৰিব নোৱাৰিলে। অকল চেনেল বিলাক চা ফা কৰিলে। মোক জানিব দিছে যে, নলাবিলাকত একেবাৰে জংঘল হৈ আছে। যদি এইটো চাফা কৰা যায়, খেতি পথাৰত পানী water logging নহয় বা Stagnant নহয়। গতিকে নলাবিলাক চাফা কৰিছে। চাফা কৰোতে খৰচ হৈছে। তাৰ পিছত দুখন ৰাবাৰ বাগান কৰিলে ।এই ৰাবাৰ বাগানতো অলপ পইচা খৰচ হ'ল। এইখিনি পইচা তেওঁলোকে খৰচ কৰিছে। কিন্তু project টোৰ এষ্টিমেট আছিলে প্ৰজেক্টটো cost আছিলে ৬ কোটি টকা। মাত্ৰ খৰচ কৰিব পাৰিছে ৭৮ লাখ টকা। মই কালিও আপোনালোকে জানিবলৈ দিছো যে যিমান project আগত চৰকাৰৰ দিনত অনুমোদন দিয়া হৈছিল, Recommend কৰা হৈছিল, Approvel লোৱা হৈছিল কিন্তু কামটো এই চৰকাৰ অহাৰ পাছত আমি দায়িত্ব লোৱাৰ পাছতহে খৰতকীয়া হৈছে। আমি শতকৰা ৮০ ভাগ খৰচৰ হিচাপ U C দিব পাৰিলে। বাকী পইচাটো আহিব। কিন্তু এই প্ৰকল্পটোত অলপো কাম কৰিব নোৱাৰিলে। মাত্ৰ ৭৮ লাখ খৰচ হ'ল। গতিকে ৰাইজে যেনেকৈ ভাবিছে, প্ৰকল্পটো ৬ কোটি টকীয়া আছিল, পইচা ক'ত গ'ল। হৰলুকী হ'ল এইটো ধাৰণা আছিল। আপুনি কোৱাৰ দৰে যে নলা চাফা কৰোতে, অলপ জংঘল চাফা কৰোতে গ'ল সেইটো হব পাৰো। আপোনাৰ যিখিনি সন্দেহ তাত ময়ো আপোনাৰ লগত একমত। কিবা যদি হৰলুকী হৈছে, তেতিয়া ইয়াৰ কাৰণে মই সাৱধান হৈছো। যিহেতু পইচা খৰচ হোৱা নাই। মই আপোনাক ধন্যবাদ দিম যে আজি এই পবিত্ৰ সদনৰ যোগেদি তেওঁলোক clear হওঁক। যে ৬ কোটি আছিল যদিও, ৬ কোটি টকা আমাৰ দিল্লী চৰকাৰৰ পৰা অহা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা মাত্ৰ ৭৮,৯২,২৭৭ টকা এই প্ৰকল্পটোৰ নামত আহিছে। এতিয়া পাচঁ বছৰ মাত্ৰ কৰিলে। সেই প্ৰকল্পৰ সময় সীমা বান্ধি দিলে মাত্ৰ পাচঁ বছৰ। পাঁচ বছৰ ম্যাদটো সম্পুৰ্ণ উকলি গ'ল। এতিয়া পইচা নাপায়। যদি পাচঁ বছৰৰ সম্পুৰ্ণ নহ'লহেতেন আমি এই পইচাটো খৰচ কৰিব পাৰিলোহেতেন। কিন্তু পাচঁ বছৰ ম্যাদ কেতিয়াবাই পাৰ হৈ গ'ল । সেই গতিকে এই প্ৰকল্পটোৰ আমি আৰু পইচা নাপাম। কিন্তু তথাপিও মই অনুভৱ কৰিছো যে প্ৰকল্পটো অতি দৰকাৰ। সেই গতিকে আমি যদি নতুন প্ৰকল্পটো পাও, তেতিয়া হ'লে আমি সেইটো দিল্লীত পঠিয়াই দিব পাৰে আৰু Approval আনিব পাৰো। এইখিনিহে মই চেষ্টা কৰিবৰ কাৰণে আপোনাক আশ্বাস দিছো। ৰবৰ খেতিৰ কোনো চিন-চাব নাই বুলি কৈছে। সেইটো মই তদন্ত কৰিব দিম। আমাৰ বিভাগীয়ভাৱে মই তদন্ত ক ৰিব দিম। মই চেক্ৰেটাৰীৰ যোগেদি তেখেতৰ নেতৃত্বত এটা Team চাৰ্ভে কৰি বিতংভাৱে তেওঁক report টো দাখিল কৰিব দিম। তাৰ পাছত যদি প্ৰয়োজন হয়, আপুনি কৈছে আমাৰ Assemblyত এটা কমিটিয়ে গৈছিলে, তেতিয়া চাইছিল একো ৰিপোৰ্ট দিব পৰা নাই। এইটো কিছুমান খেলি-মেলি থাকিব পাৰে। তথাপিও মই আপোনাক কৈছো আজিৰ এই পবিত্ৰ সদনত যে Secretary ৰ নেতৃত্বত এটা Team পঠিয়াই মই এইটো enquiry কৰিব দিম। তাৰ পিছত যিখিনি Report পাম,তাত যদি কিবা অনিয়ম দেখা নাই। তেতিয়াহ'লে মই Action লম।

**माननीय অধ্যক্ষ ঃ** Zero Hours ত কোনো Discussion নহয়।

**শ্ৰী বৃন্দাবন গোস্বামী, (তেজপুৰ) ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমোদন সাপেক্ষে এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কাৰণ Zero Hours ত আমি কোনো প্ৰশ্ন শুধিব নোৱাৰো। যিহেতু বিষয়টো অতি জৰুৰী, ৰাজহুৱা বিষয়। এটা কথা ৬ কোটি টকীয়া এই আঁচনিখন কোন বিষয়াৰ, কাৰ দোষত এনেদৰে অৰাবত বন্ধ কৰিবলগীয়া হ'ল। আজি ৭ বছৰ হ'ল । ৮৭ লাখ টকা অপচয় কৰাৰ কাৰণে সেইটো ৰোধ কৰিবৰ কাৰণে এনে এখন আঁচনি ৰাইজৰ মঙ্গলৰ কাৰণে অনা আঁচনি বন্ধ কৰিব লগীয়া হ'ল? কোন কোন বিষয়াৰ কাৰণে এনেবোৰ ঘটনা ঘটিব পালে। এই বিষয়টো বিভাগীয়ভাৱে অনুসন্ধান কৰাটো প্ৰয়োজন। ইয়াৰ আগতে এনে ঘটনা তেজপুৰত ঘটিছে। এনে বহু আঁচনি ধ্বংস হৈছে, কোনোবা ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ কৰে। গতিকে বিভাগে নিৰ্দ্দিষ্টকৈ কাম কৰা উচিত। সেয়েহে মই আপোনাক অনুসন্ধান কৰিবৰ কাৰণে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া 301 ত ৫ খন নটিচ আছে। আমি ইয়াত select কৰিছো।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** অধ্যক্ষ মহোদয়, 301 ৰ আগত Rule54 আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এৰি থৈ গ'ল, Zero Hour ত।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিৰ কথা।

**মাননীয় অধ্যক্ষ ঃ** মোৰ সমষ্টি বুলি নহয়। আপুনি কৈছে মই Allow কৰি দিছো।

**শ্ৰী কমল সিং নাৰ্জাৰী, (বিজনী)ঃ** অধ্যক্ষ মহোদয়, 301 ৰ আগত Rule54 টো আছে। দুই নম্বৰ।

**মাননীয় অধ্যক্ষ ঃ** 54 টো থাকি গৈছে। ঠিক আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ,(পাটাছাৰকুছি) ঃ** অধ্যক্ষ মহোদয়, Point Of Order আছে। মোৰ এটা উত্তৰ এতিয়ালৈকে অহা নাই। যোৱা পৰহিৰে Zero Hour ৰ উত্তৰ এতিয়াও অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** Statement টো আছিল । কেতিয়াবা ইচ্ছা কৰিলে আপোনালোকে তেখেত সকললৈ পঠিয়াই দিব পাৰে। সদনত আমি circulate কৰি দিলেই হ'ল। পাঠ কৰিব লাগিব বুলি কোনো কথা নাই, সদস্যজনলৈ উত্তৰটো দি দিয়ক। পাটোৱাৰী ডাঙৰীয়া উত্তৰটো আপুনি place কৰি দিয়ক। তেখেতৰ তাতো আৰু আমাৰ হাউচটো তেতিয়া আমি সময় অলপ বাচিব পাৰো। সদনৰ সময় আৰু **১৫** মিনিট আছে আগবেলা। ঠিক আছে। You just circulate it .ডেকা ডাঙৰীয়া, হ'বনে?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, circulate কৰি দিলেই হ'বনে? আছে মোৰ তাত ষ্টেটমেণ্টটো ।

**মাননীয় অধ্যক্ষ ঃ** circulate হৈ যাব। পাটোৱাৰী ডাঙৰীয়া এইটো ৰুল্চ আছে, পাৰিব। আজিয়েই কৰি দিব। ষ্টেটমেণ্টটো circulate কৰিলেই হ'ব, দিব নালাগে। It treated to be as read, we have treated it has been read please circulate among the members. হ'ব, আপোনাক অলপ ৰিলিফ দিছো। শ্ৰী আমিনুল ইছলাম নিয়ম মতে মই দিব নালাগে। কিন্তু কথাটো মোৰ সমষ্টি বুলি নহয়। আমাৰ তাত কামটোৱেহে হৈছিলে , গোটেই উজনি অসমৰ Highwayটোৰ কথা আছিল । কিন্তু কওঁতে মই আপোনাক তিনি মিনিট মান দিম। তাতকৈ বেছি নিদিওঁ। মই বেল বজাই দিম। তেখেত উপস্থিত আছিল দিয়াৰ আগতে। এইটো Bad precedent নহয়, ভাল precedent হে আৰু বিৰোধী দলে দিছে, শাসক দলে দিয়া নাই। একদম সৰুকৈ ক'ব।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** বিষয়টো অতি জৰুৰী কাৰণে ক'ব বিচাৰিছো। মই নিজেও মাজে মাজে শিৱসাগৰ, যোৰহাট বা ডিব্ৰুগড় গৈ থাকোতে সেই ৰাস্তাটোৰে যাব লাগে, যাওঁতে অনুভৱ কৰিছো, Highway এটা ইমান বেয়া হৈ আছে আৰু এইফালে যিহেতু ইমান ভাল। ইয়াত কথাবিলাক অতি সংক্ষেপে মই কৈ আছো, ২০১৫ চনত এইটো দিয়া হৈছিল জাৰ্মানিৰ এটা কোম্পানীক। ৮৩ কি.মি. দৈঘ্যৰ ৰাস্তা আৰু তাৰ পাছত সেই company য়ে কামটো নকৰিলে। সিহঁতে কিছুমান Sub Contract ত, কিছুমান ঠিকাদাৰ বিচাৰিলে, সিহঁতক Sub Contract দিয়াৰ কাৰণে, ১০ শতাংশ কাম হ'ল। তেওঁলোকেও কৰিব নোৱাৰিলে। তাৰ পাছত এই কোম্পানীক Black listed কৰা হ'ল। Black listed কৰাৰ পাছত যোৱা ডিচেম্বৰ মাহত GDCL নামৰ আন এটা কোম্পানীক দিয়া হ'ল। আৰু সিহঁতে এতিয়ালৈকে কামটো আৰম্ভই কৰা নাই। এইবাৰ বাতৰিত প্ৰকাশ পোৱা মতে, এই বছৰ আৰম্ভ কৰিব। এতিয়া rainy season আৰম্ভ হ'বলৈ আৰু মাত্ৰ এক,ডেৰ মাহ বাকী আছে। এতিয়া নুমলীগড়ৰ, ডিমৌকে আদি কৰি উজনি অসমৰ নিশ্চয় বহু কেইগৰাকী বিধায়ক, তেখেতসকলে এই ফালে অহাযোৱা কৰিব লাগে। আৰু আমাৰ অধ্যক্ষ মহোদয় চাৰ আপুনিও জানিব যিহেতু আপোনাৰ ওচৰৰ, এই ৮৩ কি.মি. দৈঘ্যৰ ৰাস্তাৰ আধাৰশিলাটো কিন্তু আমাৰ কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে কৰি গৈছিল। গতিকে আমাৰ কেন্দ্ৰীয় চৰকাৰ জড়িত। এতিয়া আমাৰ মুখ্যমন্ত্ৰী মহোদয়ো আছে, আমাৰ PWD মিনিষ্টাৰ, তেখেত আছে। গতিকে এই ৮৩ কি. মি. ৰাস্তা নুমলীগড়ৰ পৰা ডিমৌ, এইখিনি যদি অতি সোনকালে নতুনকৈ আৰম্ভ কৰিবলৈ বাধ্যকৰা নহয়, ৰেলৰে ষ্টেচনত কৰিও বেয়া হব। গতিকে এই কথাটো মই মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-**This is a very important matter. আমাৰ National Highway টো নুমলীগড়ৰ পৰা নাই। মানুহে বহুত আপত্তি কৰে। Tourist বিলাকৰ কাৰণেও অসুবিধা হয়। গতিকে মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত অলপমান ক'ব পাৰে।

**শ্ৰী পৰিমল শুক্ল বৈদ্য, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, হয় আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই শূণ্যকালীন ঘণ্টাত যিটো বিষয় উত্থাপন কৰিলে, এইটো আমাৰ দৃষ্টিগোচৰ হৈছে। এই কথাটো তেওঁ কৈছে যে এইটো আমাৰ ৰাজ্য চৰকাৰৰ নহয়, কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে এইটো আৰম্ভণি হৈছিল। কথাটো হ'ল যে চাৰ যিটো কোম্পানী আছিল, এই কোম্পানীটোৱে বিচৰা মতে কাম কৰা নাছিল। কোম্পানীটোৱে Date of contract sign কৰিছিল ২০১৪ ত আৰু ২০১৫ ত তেওঁলোকে কৈছিল যে আৰম্ভ কৰিলে। অলপ কাম কৰাৰ পাছতে আমি যেতিয়া দেখিলো যে, কামটো হোৱাই নাই, কেৱল কামটো লৈহে ৰাখিলে। এনেকুৱা এটা স্থিতি আছিল। তেতিয়া আমাৰ চৰকাৰ অহাৰ পাছতে আমিও লিখামেলা কৰিলো, লিখামেলা কৰাৰ পাছতে এই কোম্পানীটোক Cancelled কৰা হ'ল। Contract agrement ৰ ফালৰ পৰা তেওঁলোকক terminate কৰি দিয়া হৈছে। আৰু নতুন এটা কোম্পানীক দিয়া হ'ল। DPCLনামৰ এটা কোম্পানীক এতিয়া দিয়া হৈছে। টাৰ্মিনেট কৰা আৰু দিয়া, এইটোত অলপ সময় লাগে, কথাটো আপোনালোকেও জানে। ২০১৭ ত আমি টাৰ্মিনেট কৰি remaining portionৰ কাৰণে DPR প্ৰস্তুত কৰি তেওঁলোকক এৱাৰ্ড কৰা হৈছে ৯-১১-১৭ ত। আৰু কামটো তেওঁলোকে আৰম্ভ কৰা দেখুৱাইছে জানুৱাৰী ২০১৮ ৰ পৰা। আমি আমাৰ চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো, তেওঁলোকে কৈছে যে হয়, তেওঁলোকক দিয়া এক মাহ হৈছে, কিন্তু তেওঁলোকে এতিয়া কিছুমান machinary mobilize কৰিছে। সোনকালে কামটো কৰিবৰ কাৰণে ৰাজ্য চৰকাৰৰ

ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত আৰু এই বিভাগৰ লগত আমি যোগাযোগ ৰক্ষা কৰি আছো। মই ভাবো তেওঁলোকে সোনকালে, তেওঁলোকৰ কথা মৰ্মে সোনকালে কামটো আৰম্ভ কৰিব। এইটো খুব প্ৰয়োজনীয় ৰাস্তা। এইটো খুব সোনকালে কৰিব লাগে। এই কাৰণে আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা খুব তৎপৰ হৈ কেন্দ্ৰীয় চৰকৰৰ লগতো যোগাযোগ ৰক্ষা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ**-Thank you এতিয়া ৫৪ , কমলসিং নাৰ্জাৰী আৰু গুণীন দাস। গুণীন দাস বোধকৰো অনুপস্থিত সেয়ে কমল সিং নাৰ্জাৰী।

**শ্ৰীকমল সিং নাৰ্জাৰী, সদস্যঃ**- মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা স্বাৰ্থ জড়িত কাৰণত, আৰু সুস্থ প্ৰশাসনৰ স্বাৰ্থত, লগতে মানৱতাৰ স্বাৰ্থত, আপুনি ৰুল নং ৫৪ ত এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, অসমত যি পৌৰ কৰ্মচাৰী সকল আছে, পৌৰ নিগম সমুহ আছে, সেই নিগম সমুহ আজি বহু বছৰ ধৰি আমাৰ অসমৰ নগৰ সমুহৰ উন্নয়নৰ স্বাৰ্থত, তাত থকা ৰাইজৰ কল্যাণৰ স্বাৰ্থত তেওঁলোকে কাৰ্য্যনিৰ্বাহ কৰি আছে, কাম কৰি আছে, সেই নগৰ সমিতি সমুহে। তেনেকৈ আজি ৪৩ বছৰীয়া, যিটো সংগ্ৰাম, তেওঁলোকৰ সেই কৰ্মচাৰী সকলৰ চাকৰিটো চৰকাৰীকৰণ কৰিবৰ বাবে যিটো সংগ্ৰাম কৰি আহিছে তাৰ আজিলৈকেও কোনোধৰণৰ ফল লাভ কৰাটো আমি দেখিবলৈ পোৱা নাই। আৰু এটা কথা তেওঁলোকে আজি **২২** মাহ পৰ্য্যন্ত কিছুমান পৌৰ কৰ্মচাৰীয়ে নিজৰ প্ৰাপ্য যিটো দৰমহা হয়, পৌৰ নগৰ সমিতি সমুহ আছে। মিউনিচিপালিটি আছে, সেই সমুহ হৈছে আমাৰ Local self Government,তেওঁলোকে নিজৰ দৰমহা নিজেই, নিজৰ যিটো income তাৰ জৰিয়তে দৰমহাখিনি লব লাগে। কিন্তু বহু সময়ত আমি দেখিবলৈ পাইছো, তেওঁলোকৰ যিখিনি ৰেভিনিউ tax collection হয়। সেই tax collectionৰ ফালৰ পৰা সেই কৰ্মচাৰী সকলক দৰমহা দিব পৰা অৱস্থা প্ৰায় দেখিবলৈ নাপাওঁ। যাৰ ফলত পঞ্চায়ত, সেই পঞ্চায়ত সমুহত যোৱা **১৯৯১** চনৰ **২** অক্টোবৰত তেওঁলোকৰ যিটো চাকৰি, সেইটো চাকৰি চৰকাৰীকৰণ কৰা হৈছিল। চৰকাৰে দায়িত্ব সহকাৰে তেওঁলোকৰ দৰমহা দিবৰ বাবে, এই পঞ্চায়ত সমুহক চাবৰ বাবে সেই দায়িত্বটো লৈছিল **১৯৯১** চনৰ **২** অক্টোবৰ আৰু ঠিক তেনেকুৱা তেওঁলোকৰ যিটো সংগ্ৰাম, আমাৰ পৌৰ কৰ্মচাৰী সকলৰ যিটো সেই সংগ্ৰামৰ প্ৰতি সহাৰি জনাই ,দায়িত্বটো লৈছিল, **১৯৯১** চনৰ **২** অক্টোবৰ আৰু ঠিক তেনেকুৱা তেওঁলোকৰ যিটো সংগ্ৰাম, আমাৰ পৌৰ কৰ্মচাৰী সকলৰ যিটো সেই সংগ্ৰামৰ প্ৰতি সহাৰি জনাই ,সন্মান জনাই তেওঁলোকৰ যিটো মানসিক অৱস্থা, কিছুমান কৰ্মচাৰীৰ এনেকুৱা অৱস্থা তেওঁলোকে দুবেলা দুমুঠি খাবৰ বাবে যোগাৰ কৰিব নোৱাৰে। ল'ৰা-ছোৱালী আছে স্কুলত এডমিশ্যন দিব নোৱাৰে, ফিজ দিব নোৱাৰে,এই অৱস্থাত তেওঁলোকে মানসিক দুৰাৱস্থাৰ মাজেদি তেওঁলোকৰ কৰ্মজীৱন পাৰ কৰা দেখা গৈছে। তেনে ক্ষেত্ৰত যোৱা **১৯১৩** চনত, ৪ ছেপ্তেম্বৰত তেতিয়াৰ কংগ্ৰেছ চৰকাৰৰ আমোলাত, এটা কেবিনেট decision লৈছিল যে এই পৌৰ কৰ্মচাৰী সকলৰ যিটো চাকৰি, নিয়মীয়াকৰণ কৰিব লাগে বুলি, চৰকাৰীকৰণ কৰিব লাগে বুলি এটা সিদ্ধান্ত লৈছিল। কিন্তু অধ্যক্ষ মহোদয়, ইয়াত চৰকাৰৰ যিটো কেবিনেট decision, অৰ্থাৎ চৰকাৰী সিদ্ধান্ত এই চৰকাৰী সিদ্ধান্ত হিচাপে থকাটো, কিমান দুৰ জনকল্যাণমুলক হৈছে আমি আজি নিশ্চয় ভাবিবলৈ বাধ্য হৈছো।

**মাননীয় অধ্যক্ষঃ**- আমাৰ প্ৰায় **৩** মিনিট আছে। আপুনি যদি চমুকৈ কৈ দিয়ে, উত্তৰটোত মই অকন মান টাইম দি দিব পাৰিম। নহলে, পিছবেলা উত্তৰ আহিব আৰু।

**শ্ৰী কমলসিং নাৰ্জাৰীঃ**- **১৯১৩** চনৰ ৪ ছেপ্তেম্বৰত চৰকাৰে সিদ্ধান্ত লৈছে, এই সিদ্ধান্তটো কিয়

সিদ্ধান্ত হিচাপে থাকিল ? কাৰ্য্যকৰী কিয় কৰা ন'হল ? চৰকাৰী সিদ্ধান্ত কাৰ্য্যকৰী নকৰাকৈ সিদ্ধান্ত লৈ থলে, এইটো কিমানদুৰ জনকল্যানমুলক সিদ্ধান্ত হৈছে, সেইটো আমাৰ ভাবিবলগীয়া হৈছে। গতিকে আমি এই **২০১৭** চনত আমাৰ মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী বৰা ডাঙৰীয়া আজি ইয়াত উপস্থিত নাই, তেওঁ থাকিব লাগিছিল। যিহেতু তেখেতক ইনফৰমেশ্যন দিয়া হৈছে, নটিচত অনা হৈছিল।

**মাননীয় অধ্যক্ষ** ঃ- তেখেতে এটা বিশেষ কামৰ বাবে মোক কালি আহি কৈছিল, আৰু সেয়েহে ওলাই গৈছে।

**শ্ৰী কমলসিং নাৰ্জাৰীঃ**- ঠিকে আছে। **২০১৭** চনত তেখেতৰ লগত আলোচনা কৰা হৈছিল। এই আলোচনাত তেখেতে কথা দিছে যে এই পৌৰ নিগমৰ যি সকল কৰ্মচাৰী, **৯৬** খন including six scheduled area, BTC এলেকা, ডিমাহাচাও বা কাৰ্বিআংলং অসমৰ সকলো পৌৰ নিগমক সাঙুৰি লৈ যি **৯৬** খন পৌৰ নিগম, সেই নিগমৰ কৰ্মচাৰী সকল, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰা হব বুলি এটা প্ৰতিশ্ৰুতি দিছিল । কিন্তু আজিলৈকে নহ'ল, কি কাৰণত নহ'ল। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই কথাটো মই জনাব বিচাৰিছো, সদনত জনাব বিচাৰিছো। এই কৰ্মচাৰী সকলক যিটো financial assistance দিয়া হয় দৰমহাৰ বাবে সেই assistanceটো, তেওঁলোকৰ নিজৰ নিজৰ একাউন্ট নং আছে পৌৰ নিগমৰ নিজাকৈ একাউন্ট আছে। সেই একাউন্টত ডাইৰেক্টলি যদি ট্ৰেন্সফাৰ দিয়া হয়, তেন্তে বেছি ভাল হয়।

Shri Kamalakhya Dey Purkayastha, (Karimganj): মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো যে ব্ৰহ্মপুত্ৰ খননক লৈ উত্তৰ সমুহ দিওঁতে যাতে মাননীয় মন্ত্ৰী মহোদয়ে কোনো বিভ্ৰান্তি মূলক বাখ্যা সদনত ডাঙি নধৰে তাৰ বাবে আপোনাৰ জড়িয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ থিক আছে, ৰূপজ্যোতি কুৰ্মীয়ে আগতেই এই বিষয়টোৰ ওপৰত কৈছে। মই তেখেতক allow কৰিলো কাৰণ Rule-54ত allow কৰা নাছিলো। Similar Notice এখন আহিছিল Rule-54 তও। এতিয়া আমি সদনৰ অনুমতি সাপেক্ষে সদনৰ কাৰ্য্যসূচী ১০ মিনিটৰ বাবে বৃদ্ধি কৰিলো। এতিয়া মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কথা উত্থাপন কৰিছে এই সম্পৰ্কে চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এই ক্ষেত্ৰত আমি চৰকাৰৰ ফালৰ পৰা এটা বিবৃতি দিব বিচাৰিছোঁ।

বৰপেটাকে ধৰি অসমৰ সকলো পৌৰ নিকায় সমূহে কৰ্মচাৰীৰ দৰমহা সময়মতে দিব পৰা নাই ।

(ক) পৌৰসভা, নগৰ সমিতিসমূহ তৃতীয় পৰ্যায়ৰ চৰকাৰ হিচাপে ভাৰতীয় সংবিধানে স্বীকৃতি দিছে (3rd tier Government) । পৌৰসভা,নগৰ সমিতিসমূহৰ কৰ্মচাৰী সকলৰ নিযুক্তি তথা দা-দৰমহা পৌৰসভা, নগৰ সমিতিৰ নিজস্ব আয়ৰ পৰা প্ৰদান কৰাৰ ব্যৱস্থা আছে । এই ক্ষেত্ৰত অসম পৌৰ আইন ১৯৫৬ৰ ধাৰা ৫০ (১)ত সন্নিবিষ্ট আছে ।

তাৰোপৰি পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ অধীনত Devolution Fund হিচাপে২০১৬-১৭ বিত্তীয় বৰ্ষত মুঠ ৭২৬৫.০০ লাখ টকা Salary and Non-salary লাখ

হিচাপে মোকলাই দিয়া হৈছে ।

২০১৭-১৮ বিত্তীয় বৰ্ষত মুঠ ৪২৫৭.৫০ লাখ টকা Devolution Fund - Revenue Gap হিচাপে পৌৰসভা,নগৰ সমিতিলৈ মোকলাই দিয়া হৈছে । উক্ত ধনৰাশিৰ ব্যৱহাৰৰ ক্ষেত্ৰত OM No. UDD(M)142/2012/Pt.I/77 dated,28.08.2017 যোগে ৩০ শতাংশৰ ক্ষেত্ৰত থকা ব্যৱস্থা শিথিল কৰি দিয়া হৈছে ।

পৌৰ কৰ্মচাৰী সকলৰ দৰমহাৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে যোৱা ১৩-০২-২০১৮ তাৰিখে মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ সভাপতিত্বত এখন সভা অনুস্থিত কৰা হৈছিল । এই সভাত প্ৰধান সচিব,অতিৰিক্ত সচিব আৰু পৌৰ প্ৰশাসন সঞ্চালক

উপস্থিত থাকে । পৌৰ কৰ্মচাৰী সকলৰ দা-দৰমহা দিয়াৰ দায়িত্ব পৌৰ নিকায় সমূহৰ সভাপতি সকলৰ ওপৰত "অসম পৌৰ আইন, ১৯৫৬ চনৰ ধাৰা ৫০ (১)" যোগে ন্যস্ত কৰা আছে। বৰ্তমান পৰিস্থিতিত চৰকাৰে অহা ২০১৮-১৯ বৰ্ষৰ জৰিয়তে অতিৰিক্ত কিছু পুঁজি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যিবোৰ পৌৰ সভা, নগৰ সমিতিয়ে Utilization Certificate দাখিল কৰিছে, তেনে পৌৰ সভা, নগৰ সমিতি সমুহলৈ Devolution Fund ৰ পৰৱৰ্তী কিস্তি চৰকাৰে মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী আৰু পৌৰ নিকায়ৰ কৰ্মচাৰী সন্থাৰ বিষয়ববীয়াৰ সৈতে ইংৰাজী ১৬-০২-২০১৮ তাৰিখে যোৰহাট আবৰ্ত ভৱনত হোৱা বৈঠকত লোৱা সিদ্ধান্ত সমুহ তলত উল্লেখ কৰা হ'ল।

১) সদ্যহতে পৌৰ কৰ্মচাৰীৰ চাকৰি চৰকাৰী কৰণ কৰাৰ ক্ষেত্ৰত প্ৰচলিত আইনৰ পৰিপন্থী।

২) Devolution Fund (Revenue) Gap হিচাপে ইতিমধ্যে মোকলাই দিয়া ১ম কিস্তিৰ ধনৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ (UC) দাখিলৰ বিপৰীতে দ্বিতীয় কিস্তি মোকলাই দিয়া হব। ইতিমধ্যে ৪২.০৬ কোটি টকা মোকলাই দিয়াৰ বাবে বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হৈছে।

৩) ষষ্ঠ অনুসুচীৰ অন্তৰ্গত পৌৰ নিকায়ৰ কৰ্মচাৰীৰ মুঠ দৰমহাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হব।

৪) Staffing pattern ৰ ক্ষেত্ৰত অধিসূচনা অতি সোণকালে জাৰি কৰা হব।

৫) আগন্তুক বাজেটত, অৰ্থাৎ ২০১৮-১৯ বৰ্ষৰ বাবে Financial Grants-in-aid (Salary) শিতানত ৫০.০০ কোটি টকা ধাৰ্য্য কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

৬) নিয়মিত দৰমহাৰ ক্ষেত্ৰত এক আৰ্হি প্ৰস্তুত কৰা হব।

পৌৰ সভাই কি কি কাৰণত কৰ্মচাৰী সকলক তেওঁলোকৰ নিজা পুঁজিৰ পৰা দা-দৰমহা আদায় দিয়াত ব্যৰ্থ হৈছে, তাৰ সমিধান উলিয়াবলৈ অতি শীঘ্ৰে সকলো পৌৰ নিকায়ৰ সভাপতি সকলৰ লগত আলোচনা কৰা হ'ব।

ইতিমধ্যে চৰকাৰে লোৱা পদক্ষেপৰ বাবে সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাই তেওঁলোকৰ আন্দোলন প্ৰত্যা হাৰ কৰিছে আৰু জাৰৰ নিষ্কাষণকে ধৰি আটাইবোৰ কাম নিয়াৰিকৈ চলি আছে। গতিকে অধ্যক্ষ মহোদয়, চৰকাৰীকৰণৰ ক্ষেত্ৰত যিটো কথা কোৱা হৈছিল - সেই সম্পৰ্কত Gazeett Notification এখন আছে আৰু এই Gazeett Notification ৰ মতে স্বায়ত্ব শাসিত অনুস্থানৰ কৰ্মচাৰী সকল সংবিধানৰ ২৪৩ অনুচ্ছেদৰ পৰিপন্থী, কাৰণ এইটো স্বায়ত্ব শাসিত অনুস্থান। সেই একে ধৰণে Guwahati Municipal Corporation ও সেই একে ব্যৱস্থাৰ অন্তৰ্ভুক্ত । গতিকে সংবিধানৰ পৰিপন্থী কাম কৰাত অসুবিধা হয়।

**শ্ৰী কমল সিং নাৰ্জাৰী,ঃ** অধ্যক্ষ মহোদয়, যি সমুহ ষষ্ঠ অনুসুচীৰ অন্তৰ্গত এলেকাৰ কৰ্তৃপক্ষ আছে, তেওঁলোকে NOC দিছে আৰু এই ক্ষেত্ৰত ৭৮৩ নে ৭৮৪ Article টো Amendment কৰাৰ কাৰণে House ত যদি Resolution লৈ বিভাগক দিয়ে তেতিয়া ভাল হয়। গতিকে ইয়াৰ ওপৰত আলোচনা হব লাগে। ষষ্ঠ অনুসুচীৰ অন্তৰ্গত এলেকা সমুহকে আদি কৰি Devolution Fund ত যিখিনি টকা দৰমহাৰ বাবে দিয়া হৈছে, সেই টকাটো যাতে directly পৌৰ নিকায়ৰ Account ত জমা দিয়াৰ ব্যৱস্থা কৰে, তাৰ বাবে মন্ত্ৰী মহোদয়ক আপোনাৰ জড়িয়তে অনুৰোধ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** The House adjourned till 3-00 P.M. today.

**মাননীয় অধ্যক্ষ ঃ** আমাৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪নং দফাটো শেষ হৈছে। এতিয়া কাৰ্য্যসূচী ৩ ত 'Special Mention' under Rule ৩০১ আছে। মই সন্মানীয় সদস্যসকলক পাঁচখন Special Mention দিছো। মই পাঁচ মিনিটৰ ভিতৰত শেষ কৰিবলৈ অনুৰোধ কৰিম। যাতে আমি Private Member Business লৈ যাব পাৰো। প্ৰথমতে মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই দীপৰ বিলৰ ঐতিহ্য সম্পৰ্কত ক'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা(পশ্চিম গুৱাহটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাঁচ মিনিটত নহ'ব আৰু অকণমান সময় দিবলৈ অনুৰোধ কৰিছো। বিশেষভাৱে আমাৰ দীপৰ বিলটো প্ৰকৃততে জলাশয় আৰু এই জলাশয়টো বিশ্বৰ মানচিত্ৰত ইতিমধ্যে অন্তৰ্ভূক্ত হৈছে। তথাপিও অধ্যক্ষ মহোদয়,আমাৰ দীপৰ বিলৰ সৰ্বমুঠ মাটিকালি ৪০বৰ্গ কিলোমিটাৰ। এতিয়া দীপৰ বিলৰ ৪০বৰ্গ কিলোমিটাৰৰ পৰা সংকুচিত হৈ প্ৰায় ১৪বৰ্গ কিলোমিটাৰ আছে। ১৪বৰ্গ কিলোমিটাৰত বেদখলো আছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে দীপৰ বিলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ কাৰণে ব্যৱস্থা ল'ব লাগিব আৰু সেইকাৰণে ২০০৯ চনৰ ১২ জানুৱাৰী তাৰিখে সেই সময়ৰ অসম গণ পৰিষদ চৰকাৰে এই দীপৰ বিলৰ প্ৰায় ৪.১৪বৰ্গ কিলোমিটাৰ পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰিছিল। পৰৱৰ্ত্তী যিখিনি আমাৰ ১০বৰ্গ কিলোমিটাৰ মাটি সেই ১০ বৰ্গ কিলোমিটাৰ মাটিত আমাৰ যিটো পক্ষী অভয়াৰণ্য আছে, তাৰ বাহিৰত আছে। সেই মাটিখিনিত আকৌ আমাৰ ৰাজহ বিভাগৰো মাটি আছে আৰু তাত কিছু মানুহক বহুত আগতে সেই মাটিত ম্যাদী পট্টা ও দিছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে ইতিমধ্যে আমাৰ Guwahati Water Body Conservation যিখনAct, সেই GMDA Act মতে IDENTIFY কৰিছে যে ১০ বৰ্গ কিলোমিটাৰ যিখিনি মাটি আছে, পক্ষী অভয়াৰণ্যৰ বাহিৰত আছে। যদি Identify কৰিছে তেনেহ'লে যিখিনি চৰকাৰী মাটি আছে তাত আমাৰ অসুবিধা নাই। কিন্তু যিখিনি মাটি ইতিমধ্যে কোনোবাই বহু আগতে মাটিৰ পট্টা দিছিল প্ৰয়োজন হ'লে সেই মাটিখিনি অধিগ্ৰহণ কৰি সেই মাটিখিনি আমাৰ দীপৰ বিলৰ জলাশয়ৰ নামত ৰাখিব লাগে। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উড়িষ্যাত চিল্কা Wet Land নামৰএটা জলাশয় আছে। কিন্তু উড়িষ্যা চৰকাৰে সেই উড়িষ্যা Wet Land টো ভাৰতবৰ্ষৰ ভিতৰতে এটা আকৰ্ষণীয় পৰ্য্যটন স্থলী হিচাপে গঢ়ি তুলিছে। ইতিমধ্যে Wet Land টো সেইখন চৰকাৰে অকল এটা পৰ্য্যটন ডিপাৰ্টমেণ্টেই নহয়,তাত ফৰেষ্ট ডিপাৰ্টমেণ্ট, ফিচাৰী ডিপাৰ্টমেণ্ট আদিকে ধৰি বিভিন্ন ডিপাৰ্টমেণ্ট তাত জড়িত হৈ আছে। তাত Integrated Scheme লৈছে। সেই Integrated Scheme লোৱা কাৰণে তাত Silka Development Authority এটা হৈছে । আমাৰ যিখিনি পক্ষী অভয়াৰণ্য আছে,তাৰ বাহিৰত যিখিনি অঞ্চল আছে তাত বহু মাছমৰীয়াই বহু বছৰ

ধৰি মাছ মাৰি আছে। যিহেতু পক্ষী অভয়াৰণ্যৰ ভিতৰত মাছ মৰা নিষেধ, সেয়েহে অভয়াৰণ্যৰ বাহিৰত যিখিনি অংশ আছে, তাত লোকেল মাছৰ Water Treatment Plane breeding scientfic Method ত কৰি আমি মাছ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু মাছ মৰীয়া সকলক মাছ মৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ লগে লগে তাত পৰ্য্যটনস্থলী হিচাপেও গঢ়ি তুলিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেদৰে আজি এই দীপৰ বিলত বশিষ্ঠ নদী, ভৰলু নদীৰ যিমান লেতেৰা প্ৰদূষিত পানী আছে, তাত পেলোৱা হয়। গতিকে আমি যদি scientfic Method এটা Water Treatment Plane দুয়োখন নদীতে কৰিব পাৰো তেতিয়া আমাৰ পৰিষ্কাৰ পানীখিনি দীপৰ বিলত পৰিব আৰু দীপৰ বিলত বৰ্তমান যিটো প্ৰদূষণ হৈ আছে সেইটো বন্ধ হ'ব। অধ্যক্ষ মহোদয়,মই কেৱল আজিয়েই নহয়, বহুবাৰ বিধায়ক হৈ থকাৰ পৰা বিগত চৰকাৰৰ দিনতো এই অনুৰোধটো জনাই আহিছিলো । কিন্তু সুখৰ কথা যে ইতিমধ্যে আমি **দীপৰ বিল মহোৎসৱ** আয়োজন কৰিছিলো। সেই দীপৰ বিল মহোৎসৱত প্ৰায় ৫০-৬০ হাজাৰ মানুহৰ সঁহাৰি পাইছো। মাননীয় মুখ্য মন্ত্ৰী সৰ্বনন্দ সোণোৱাল ডাঙৰীয়া তালৈ গৈছিল আৰু তাৰ যিটো পৰিৱেশ সেই পৰিৱেশটো চাই ইতিমধ্যে তেওঁ ঘোষণা কৰিছে, দীপৰ বিলৰ যিটো জৈৱ বৈচিত্ৰ্য বা যিটো প্ৰাকৃতিক সৌন্দৰ্য্য সেইটো আমি জীয়াই ৰাখিব লাগিব আৰু তাৰ বাবে বিভিন্ন আঁচনি লোৱাৰ কথা ঘোষণা কৰিছিল আৰু ইতিমধ্যে মই গম পাইছো যে যোৱাকালি আমাৰ State Wild Life board ৰ লগত মিটিং কৰি কিছুমান সিদ্ধান্ত লোৱা বুলি গম পাইছো। সেইবাবে মই মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মই বিশেষভাৱে আৰু এটা কথা ক'ব বিচাৰিছো যে দীপৰ বিলৰ কাষতে আমাৰ মেঘালয় পাহাৰ আছে। সেই পাহাৰখনৰ যিটো প্ৰকৃতিক সৌন্দৰ্য্য আৰু মনোমোহা দৃশ্য অক্ষুণ্ণ কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগিব। সেই কাৰণে মই বিগত চৰকাৰক অলপ দোষাৰোপ কৰিব বিচাৰিছো যে সেই দীপৰ বিলৰ পাৰত আৰু প্ৰকৃতিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ এটা অঞ্চলত আজি প্ৰায় ৯টা গুদাম নিৰ্মাণ কৰা হৈছে। আজি সেই গুদামবোৰ নিৰ্মাণ কৰাৰ ফলত এই বিলৰ আৰু ওচৰৰ অঞ্চলবোৰৰ যিটো প্ৰাকৃতিক সৌন্দৰ্য্য বহুতো বিনষ্ট হৈছে। তৰপৰা যিটো প্ৰদূষণ হয়,সেই প্ৰদূষণে ওচৰৰ অঞ্চলবোৰৰ প্ৰদূষণ বৃদ্ধি কৰিছে। গতিকে মই আশা ৰাখিছো আমাৰ ১০ বৰ্গ কিলোমিটাৰ যিখিনি মাটি, ইতিমধ্যে Wet Land ৰ নামত আছে সেইখিনি মুক্ত কৰিব লাগে আৰু বিভিন্ন আঁচনি দীপৰ বিলৰ ক্ষেত্ৰত গ্ৰহণ কৰিব লাগে। প্ৰয়োজন হ'লে আমাৰ যিখিনি গুদাম আছে, সেইখিনি উঠাই নিয়াৰ বাবে বা বন্ধ কৰিবৰ বাবে তাৰ লাইচেঞ্চ বাতিল কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু এটা কথা মই ক'ব বিচাৰো যে দীপৰ বিলেৰে আমাৰ এটা ৰেল লাইন গৈছে। কিন্তু মেঘালয়ৰ পাহাৰৰ পৰা হতী আহি দীপৰ বিলত বিচৰণ কৰে। দীপৰ বিলেৰে দ্বৈত ব্ৰডগজ ৰেল লাইন যোৱাৰ কাৰণে তাত কিছুমান ট্ৰেক নিৰ্মাণ কৰি থকা হৈছে। যোৱাকালিও ৰেলৰ খুন্দাত হাতীৰ মৃত্যু হৈছে। যদি সেই দলংখন অলপ উৰণীয়া সেঁতুৰ নিচিনা নকৰে অনাগত দিনত সেই দলংত আৰু বহু হাতী ৰেলৰ খুন্দাত মৃত্যুমুখত পৰিব। মই ভাৱিছো ট্ৰেকৰ ওপৰত যদি উৰণীয়া সেঁতুৰ নিচিনা কৰি দিয়া যায়, তেতিয়াহ'লে যি পাঁচটা কৰিড'ৰ আছে, সেই কৰিড'ৰৰে হাতী আহি দীপৰ বিলত বিচৰণ কৰিব পাৰিব আৰু তেতিয়া হয়তো হাতীৰ মৃত্যু নহ'ব। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত যাতে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে আৰু মই আশা ৰাখিছো যে আমাৰ মিত্ৰজোঁটৰ চৰকাৰখনে এইটো গুৰুত্ব সহকাৰে ল'ব আৰু যেতিয়ালৈকে এইটো ক্ষেত্ৰত এটা ভাল সিদ্ধান্ত নলয়, তেতিয়ালৈকে মই বিধান সভাত এই টো সদায়ে কৈয়ে থাকিম। চাৰ ,গতিকে আশা ৰাখিছো এইটোৰ কিবা এটা কৰিব

লাগে আৰু সেই বাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে এই কথাটো নিশ্চিত কৰিলো।

**মাননীয় অধ্যক্ষঃ** ভাল কথা এটা উত্থাপন কৰিছে , এই টো জনস্বাৰ্থৰ লগত জড়িত বিষয়। ধন্যবাদ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই যিটো বিষয় উত্থাপন কৰিছে এইটো ভাল বিষয়। চৰকাৰে এই কথাটো গুৰুত্বসহকাৰে নিশ্চয় বিবেচনা কৰিব। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে তেওঁ যেতিযালৈকে নহয় এই বিষয়টো তেখেতে লাগি থাকিব । লাগি থাকিলে ভাল, মইও বেয়া নাপাও এই কথাটোত। কিন্তু তেখেত লাগি থাকিব নালাগে। চৰকাৰে ব্যৱস্থা ল'বই । গতিকে আমি আপোনাক ইমান কষ্ট নিদিও। গতিকে এই ক্ষেত্ৰত মানে কি হৈছে আপুনি কোৱা কথাটো , উৰিষ্যাৰ যিটো আপুনি উদাহৰণ দিছে। গতিকে ইয়াতো তেনেকুৱাধৰনৰ এটা কম্পজিট স্কীম হ'ব লাগিব । কাৰণ কম্পজিট স্কীম এই কাৰনে হ'ব লাগিব কিয়নো ইয়াত কেইবাটাও বিভাগ জড়িত আছে। জিলা প্ৰশাসন জডিত্ আছে, জি এম ডি এ জড়িত আছে ,ফৰেষ্ট জড়িত আছে আৰু টুৰিজিম জড়িত আছে গতিকে ইয়াত এটা কম্পজিট স্কীম হ'বই লাগিব। কেইবাটাও বিভাগ জড়িত আছে। আপুনি কোৱা উৰিয়্যাৰ মডেল মতেই কাম হ'ব। এইটো এটা কম্পজিট স্কীম কিয় হ'ব লাগে, কাৰন-গোটেই কেইটা ডিপাৰ্টমেন্ট ইয়াৰ লগত জড়িত হৈ আছে। আমাৰ চিটিখন এতিয়া স্মাৰ্ট চিটি , গতিকে বহুত আগলৈকে গ'ল সীমা । গতিকে অধ্যক্ষ মহোদয়, স্মাৰ্ট চিটি হৈছে ইয়াত আহি যাব। জি এম ডি এ আহি যাব, ফৰেষ্টৰ অৰণ্য তাত আছে হাতী, পক্ষী সেইটোও আছে। গতিকে এইবিলাক ফৰেষ্টৰ আণ্ডাৰত আছে। মাছটোও আছে , দীপৰ বিল হিচাপে এটা টুৰিষ্ট এট্ৰেকচন পইণ্টও তাত আছে, হাতীও আহে তাত গতিকে- ফৰেষ্ট, জি এম ডি এ, ডিষ্ট্ৰিক্ট অথোৰিটি, টুৰিজিম, এই কেইটা বিভাগক লৈ এটা কম্পজিট স্কীম, যিটো উৰিষ্যাৰ কথা তেখেতে কৈছে, তেনেধৰনৰ হ'লে ভাল হ'ব। গতিকে এই কথাটো নিশ্চয় বিভাগে বিবেচনা কৰিব। তাত অসুবিধা নাই। কেৱল মই বিভাগৰ পৰা দিয়া এটা কথা তেখেতক জনাই দিছো। " দীপৰ বিলৰ বিষয়ে অসমৰ পৰ্য্যটন বিভাগ, বন বিভাগ, গুৱাহাটী উন্নয়ন বিভাগ , জি এম ডি এ আদি বি ভাগে বিভিন্ন সময়ত দীপৰ বিল পৰিদৰ্শন কৰি ইয়াৰ ঐতিহ্য আৰু গৰিমা অক্ষুন্ন ৰখাৰ বাবে বিভিন্ন দিশত আঁচনিৰ প্ৰস্তাৱবোৰৰ পৰ্য্যালোচনা হৈ আছে। এই সন্দৰ্ভত মাননীয় অধ্যক্ষই পৰ্য্যটন উন্নয়ন নিগম লিমিটেড সহ জিলা প্ৰশাসন, বন বিভাগৰ বিষয়াসকলৰ লগত কেইবালানিও আঁচনি হৈ গৈছে। যিহেতু দীপৰ বিলৰ ভূখণ্ডৰ, বন বিভাগ, জিলা প্ৰশাসনৰ অধীনত আছে এতেকে সংশ্লিষ্ট বিভাগসমূহৰ অনুমতি আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে এই আঁচনি হাতত ল'বলৈ পৰা যাব। মাননীয় অধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত কম্পজিট এটা স্কীমৰ কথা মাননীয় ৰমেন্দ্ৰ নাৰায়ন কলিতাই কৈছে সেইটো বিভাগে নিশ্চয় বিবেচনা কৰি চাব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাঃ** মাননীয় অধ্যক্ষ মহোদয় , মই বিতৰ্ক নকৰো। কেৱল আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে চিগ্‌নেচাৰ স্কীমত যিটো মোক **১০** কোটি টকা দিছে। সেই **১০** কোটি টকা মই দীপৰ বিলৰ ডেভল'পমেন্টৰ কাৰনে দিয়াৰ ব্যৱস্থা লৈছো। যদি আৰু বাকীখিনি আপোনালোকে কৰে তেতিয়া হ'লে বেছি ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মনিপুৰৰ লক্‌টক হ্ৰদটো টোৰ নিচিনা হ'লে ভাল । দীপৰ বিলৰ নতুন ৰাস্তাটো হোৱাৰ পিছত আমি তাত গৈছো , আগতে যোৱা নাছিলোঁ । একচুৰেলি তাত খুৱ ধুনীয়া টুৰিজিম হাব এটা হ'ব পাৰে। ইয়াৰ পিচত ৰূপজ্যোতি কুৰ্মী। মই তেখেতৰ বিষয়টো উত্থাপন কৰিবলৈ

অনুৰোধ কৰিছোঁ।

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ নিয়মাৱলী **৩০১**ৰ অধীনত চাহ শ্ৰমিকৰ মজুৰি এই বাতৰিটো উত্থাপন কৰিবলৈ দিয়া বাবে আপোনাক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। **২০১৪** চনত চাহ বাগিছাৰ ৰাইজে দুজনকৈ সাংসদ বিজেপি দলৰ পৰা পৰা নিৰ্বাচিত কৰিছিলে। আৰু ঠিক কেইদিনমানৰ পিচতে বি জে পি নেতৃত্বধীন এই দলটোৰ আশ্বাসৰ প্ৰতি সন্মান জনাই , **২০১৬**চনত বিজেপি মিত্ৰজোটঁৰ চৰকাৰ আহিল। আহিয়ে লগে লগে ক'লে চাহ শ্ৰমিকৰ দৰমহা বঢ়া নাই কিয়? প্ৰথম বিধান সভাত আজিও মনত পৰে অসম চাহ মজদুৰ সংঘ কংগ্ৰেছ দলৰ এটা অঙ্গ বুলি ভাবি বা বিবেচনা কৰি এনেধৰনে থকা সৰকা কৰিবলৈ ল'লে যে, অসম চাহ মজদুৰ সংঘৰ কামেই নাই। বি জে পি মিত্ৰ জোঁটৰ চৰকাৰে অনুসন্ধান নকৰিলে। যেতিয়া ভাৰত স্বাধীন হ'ল, যেতিয়া বৃটিছসকল গ'ল, চাহ বাগিছাসমূহৰ শ্ৰমিকৰ বিষয়বিলাক কোনে পৰিচালনা কৰিব? সেই সময়তে জন্ম গ্ৰহণ কৰা অসম চাহ মজদুৰ সংঘই অসম চৰকাৰৰ লগত আলাপ আলোচনা কৰি C C P A মালিক পক্ষৰ যিটো কমিটি, সেই কমিটিৰ লগত আলোচনা কৰিছিল, তাত চৰকাৰৰ প্ৰতিনিধিও থাকে। এনেকুৰাকৈ মজুৰি বৃদ্ধি কৰি আহি আছে। পৰিস্থিতি চাই, বিভিন্ন সমস্যাসমূহ চাই মেলি অসম চাহ মজদুৰ সংঘই সদায় মাত মাতি আহিছিল । চৰকাৰেও তেনেদৰে বিচাৰ বিবেচনা কৰিছিল। বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক দলৰ চৰকাৰ আহিছিল । বিভিন্ন সময়ত অসমত জনতা দলৰ চৰকাৰ, অসম গম পৰিষদ দলৰ চৰকাৰ অন্যান্য ৰাজনৈতিক দলৰ চৰকাৰসমূহে এই ত্ৰিপাক্ষিক বৈঠকৰ যোগেদি চাহ শ্ৰমিকৰ মজুৰি নিৰ্দ্ধাৰিন হৈ আহিছে। আজিৰ তাৰিখতো আমি যদি মন কৰো, বিভিন্ন দল সংগঠনে দাবী কৰি আহিছে যে, **৩৫০** টকা চাহ শ্ৰমিকৰ এদিনৰ মজুৰি হ'ব লাগে। যদিও অসমত নিৰ্দ্ধাৰিত কৰা হৈছে un-skilled labour ৰ মজুৰি **২৫০** টকা। মই ব্যাক্তিগতভাবে বিচাৰিছো আৰু কংগ্ৰেছ বিধায়িনী দলৰ পৰাও বিচাৰিছোঁ যে, এই দৰমহাটো বৃদ্ধি হ'ব লাগে। পাৰিলে **২৫০** টকাত কৈ বেছি হ'লে আমি আৰু সুখী হ'ম। **২০১৫** চনৰ জুলাই মাহত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত এটা draft প্ৰস্তুত কৰা হৈছিল আৰু **১১৫** টকাৰ পৰা **১৪৩.৫০** পইচা চাহ শ্ৰমিকৰ মজুৰি নিৰ্দ্ধাৰিত কৰা হৈছিল। পিছলৈ গৈ পেলাই- C C P A , অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে Consultant Committee of Planters Association তেওঁলোকে High Court লৈ গ'ল। তেওঁলোকে Stay Order পালে আৰু পিছলৈ গৈ **১৪৩.৫০** পইচা যিটো পূৰ্বৰ চৰকাৰে নিৰ্ধাৰিত কৰি দিছিল সেইটো আজিলৈকে প্ৰযোজ্য নহ'ল। বৰ্তমানে **১৩৭** এটা নিম্নতম এদিনৰ মজুৰী পাই আছে এজন শ্ৰমিকে। অন্যান্য ৰেচনৰ নামত অসম চাহ নিগমৰ শ্ৰমিক সকলে পোৱা নাই। অন্য চাহ বাগিচাৰ শ্ৰমিক সকলে নিম্নতম ৰেচনৰ লগতে অন্যান্য সা-সুবিধা সমূহ পাই আছে । কিন্তু যদি আমি মন কৰো **১৩৭** এটা নিম্নতম মূল্য আৰু **২০১৫** চনত যিটো ত্ৰিপাক্ষিক বৈঠক হৈছিলে CCPA, চৰকাৰ আৰু অসম চাহ মজদুৰ সংঘৰ সেই সময়ত প্ৰত্যেক বছৰে এটা সংখ্যা বাঢ়ি যাব বুলি উল্লেখ কৰা হৈছিল। ঠিক তেনেকৈ **১৯৯৪** ৰ পৰা **১১৫** টকা হৈছিল। সেই **১১৫** টকাৰ পৰা আজিৰ তাৰিখত শ্ৰমিকৰ মুল্য **১৩৭** টকাকৈ বাঢ়ি আছে। **০১-০১-২০১৮** ইং বৰ্ষৰ আৰম্ভণিৰ দিনাখনে শ্ৰমিকসকলে নতুন মজুৰী পাব লাগিছিল। এই মজুৰীৰ বাবে চৰকাৰে আশ্বাস দিছিল আৰু ইয়াতো এখন বৈঠকত চৰকাৰী পক্ষৰ পৰা কোৱা হৈছিল **৯০** দিনত দিয়াৰ কথা। সেই **৯০** দিনৰ সময়সীমাটো উকলি গ'ল এতিয়ালৈকে ইয়াৰ report টো নাপালো।

**মাননীয় অধ্যক্ষঃ** আমাৰ মাজত House হোৱা নাই। House হোৱা হেঁতেন পালেহেতেন।

House নোহোৱাৰ কাৰণে আমি ৯০ দিন দিব পৰা নাই। এইবাৰ মোক report দিছে, এইটোৰ যিদিনাই আলোচনা হয় report টো place কৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া আশ্বাস দিছিল যে ৯০ দিনৰ ভিতৰত আমাক দিব, সেইটো দিয়া নাই। তেতিয়াও আশ্বাস দিছিল যে অসম চাহ মজুৰী সংঘই এইবোৰ বাদ দিব লাগে, এইবোৰ গ'ল। আমি এতিয়া দৰমহা বঢ়াই দিম। এতিয়াও আশাৰে বাট চাই আছে। ০১-০১-২০১৮ ইং বৰ্ষৰ জানুৱাৰী মাহৰ পৰা বৃদ্ধি হ'ব লাগিছিল। জানুৱাৰী মাহ গ'ল, ফেব্ৰুৱাৰী মাহও শেষ হ'বৰ হ'ল, দুই মাহ উকলি যাবৰ হ'ল, arrear বৃদ্ধি হবলৈ ধৰিছে। বৰ্তমান চাহ বাগিচাৰ যিটো সমস্যা, বগিদলাত শ্ৰমিকে কথা কবলৈ যাওঁতে তেওঁলোকক গুলিয়াই দিছিল মালিক পক্ষই। Hindustan Liver Pvt. Ltd. তে চাহ কৰ্মচাৰীক চাটাই কৰিছে। TATA ই share টো withdraw কৰিব বিচাৰিছে। আজিৰ তাৰিখত যদি মন কৰো যে অসমৰ চাহ বাগানৰ শ্ৰমিকৰ নিৰাপত্তা ভৰিষ্যতে কেনেধৰণৰ হ'ব, এইটোক লৈ তেওঁলোক অশংকাত ভুগিব লগা হৈছে। Advisory Board গঠন কৰা হ'ল। Director of Assam, Economics and Statistics Department, State Labour Commissioner তেওঁলোককো লৈ আৰু বৰ্তমানৰ বিজেপি চৰকাৰৰ অংগ বুলি সকলোৱে জানে BMS (Bhartiya Mazdur Sangha) তেওঁলোকক লোৱা হৈছে। এতিয়া প্ৰশ্ন আহিল ভাৰতীয় মজদুৰ সংঘই কিমান আৱেদন জনাইছে আৰু কিমান শ্ৰমিকৰ হৈ মাত মাতিছে। আজিলৈকে কোনেও মাত মতা নাই। শেহতীয়াকৈ অসম চাহ মজদুৰ সংঘই ২৭ তাৰিখৰ পৰা অসমৰ প্ৰত্যেক চাহ বাগিচা বন্ধ কৰি দিম বুলি আন্দোলনৰ ঘোষণা কৰিছে যদি তেওঁলোকৰ মজুৰী বৃদ্ধি নহয়। এই বিষয়টো যদি আজি আমি গুৰুত্বসহকাৰে নলওঁ, চৰকাৰখনে যদি গুৰুত্বসহকাৰে নলয়, যদি বাগান বন্ধ হৈ যায় কেনেকুৱা এটা পৰিস্থিতি হ'ব। মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় মন্ত্ৰী মহোদয় জ্ঞাত যে dependent ক সাঙুৰি প্ৰায় ২০ লক্ষ্যৰ ওচৰা উচৰি চাহ শ্ৰমিকে আজি এই দৰমহাৰ পৰাই তেওঁলোকে ঘৰ পোহ-পালন কৰি আহিছে , পৰিয়াল চলাই আছে বা আশা কৰি ভৱিষ্যতৰ কাৰণে চলি আছে। বেংগলত শেহতীয়াকৈ ১৩৫ টকা আছিল, ১৫০ টকা লৈকে কৰি দিলে চৰকাৰে। তাতো মজদুৰ সংঘ আছে, তেওঁলোকে এতিয়াও গ্ৰহণ কৰা নাই ১৫০ টকাতো। কিন্তু চৰকাৰে উদ্যোগ লৈ বৃদ্ধি কৰিলে।

আমি এটা massage দিব খুজিছো মালিক পক্ষক যে আগৰ শ্ৰমিক সকলে পাই থকা সা-সুবিধাৰ কথা চিন্তা কৰো বা মনত পেলাও । আজিৰ তাৰিখত বহুত সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। তৎস্বত্ত্বেও যিটো দৰমহা অত্যন্ত কম। service to mankind, service to God, মানৱ সেৱাই ভগৱানৰ সেৱা, এই লক্ষ্যৰে আপোনালোক আগবাঢ়ি আহিব লাগিব। চৰকাৰে তেওঁলোককো মান্তি কৰিব পাৰিব লাগিব আৰু এই কথাবোৰ পলম হৈ থকাৰ ফলত মানুহৰ মাজত এনে এটা ধাৰণা হৈছে যে বৰ্তমান চৰকাৰে মূৰ দোৱাইছে মালিক পক্ষৰ ওচৰত । BMS য়ে মূৰ দোৱাইছে মালিক পক্ষৰ ওচৰত। এই মজুৰী বৃদ্ধি নোহোৱাটোৱে এনেকৈ বুজাইছে। আজি চাহ শ্ৰমিক ৰাইজে ত্ৰিপাক্ষিক কমিটিৰ বৈঠকৰ যোগেদি sub staff আৰু মাহেকীয়া দৰমহা লোকসকলৰ ভ্ৰমণ বনাচ বৃদ্ধি হোৱাৰ পৰা আদি কৰি সেইবোৰ আশা কৰি আছে। ইয়াৰ উপৰিও house rent ৰ ওপৰত তেওঁলোকে আশা কৰি আছে। আজি ক্ষুদ্ৰ চাহ মজদুৰ সকলে এটা দৰমহা পাই আছে কিন্তু তেওঁলোকৰ PF Gratuity বুলি নাই। তেওঁলোকৰ নিৰাপত্তা বুলিবলৈ নাই। কোনো এজন মানুহৰ যদি বেমাৰ হয় মালিকে কিবা দিব লাগে বুলি ধৰা বন্ধা নিয়ম নাই। ক্ষুদ্ৰ

চাহ খেতিয়ক সকলক কেনে ধৰণৰ গুৰুত্ব লৈছে, তেওঁলোকৰ নিৰাপত্তাৰ বাবে কেনেধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। মোৰ ক'বলগীয়া আৰু বহুত আছিল, আজি যিহেতু সময়ৰ অভাৱ কিন্তু মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক হাতযোৰ কৰি অনুৰোধ কৰিব বিচাৰিছোঁ যে এই চাহ শ্ৰমিকৰ যিটো দৰমহা **০১-০১-২০১৮** তাৰিখৰ পৰা তেওঁলোকে পাব লাগিছিল, আজি দুই মাহ পাৰ হওঁ হওঁ। গতিকে আৰু কিমান দিন অপেক্ষা কৰিব লাগিব। তেওঁলোকৰ দৰমহা অতিশীঘ্ৰে বৃদ্ধিৰ বাবে চৰকাৰে গুৰুত্বসহকাৰে লওঁক, ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষঃ** Thank you. Minister please.

**শ্ৰী পল্লৱলোচন দাস, চাহ জনগোষ্ঠি সমূহৰ কল্যাণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যি মজুৰী বৃদ্ধি সম্পৰ্কত বক্তব্য আগবঢ়ালে তাত আমাৰ চৰকাৰ ফালৰ পৰা কি কি আমি পদক্ষেপ গ্ৰহণ কৰিছোঁ, তাকে কোৱাৰ আগতে মজুৰী বৃদ্ধিৰ নিয়মটো কেনেকুৱা বা আজিলৈকে কি practise মজুৰী বৃদ্ধি হৈ আছিল। আজি দীৰ্ঘদিন ধৰি ভাৰত স্বাধীনতাৰ পিছৰ পৰাই ব্যৱস্থাটো এনেকুৱা যে অসম চাহ মজদুৰ সংঘ মানে Trade Union আৰু Consultative Committee on Planters Association (CCAP) লগত বহি আলোচনা কৰে। কিহৰ ওপৰত মজুৰী rate নিৰ্ধাৰণ কৰে ? living wages ৰ ওপৰত যে মানুহৰ জীৱন ধাৰণ কৰিবৰ কাৰণে নিম্নতম কি সুবিধা লাগে সেইটোৰ ওপৰত তেখেতসকলে দুয়োটা পক্ষই মিলি মজুৰীৰ rate নিৰ্ধাৰণ কৰে। Plantation Labour Act ৰ নিয়ম মতে আছে যে wages ত cash and kind এই দুয়োটা component থাকিব লাগে। সেই ব্যৱস্থা এই practise ত চলি আছে। চৰকাৰে কোনো দিনে ইয়াত interfare কৰা নাই। কিন্তু আচৰিত বিষয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে তেখেতসকলে খুব আন্তৰিকতাৰে কাম কৰিছিল, চাহ মজদুৰ সংঘই খুব ভালকৈ কাম কৰিছিল, আৰু চাহ শ্ৰমিকৰ কাৰণে বহুত তেনেকুৱা হৈছিল আৰু তেখেতে আজি দীৰ্ঘদিন ধৰি খুব active বিধায়ক হয়, তেখেতৰ মাতৃও শ্ৰমৰ মন্ত্ৰী আছিল, সেই কাৰণে তেওঁৰ legacy আছে, তেওঁ জানে। অধ্যক্ষ মহোদয়, মই এটা সাধাৰণ উদাহৰণ দিছোঁ কিন্তু অধ্যক্ষ মহোদয় আচৰিত কথা হৈছে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে তেখেতসকলে চাহ শ্ৰমিক সকলৰ কাৰণে আন্তৰিকতাৰে কাম কৰিছিল, চাহ মজদুৰ সংঘইও ভালদৰে কাম কৰিছিল। অধ্যক্ষ মহোদয় কুৰ্মী ডাঙৰীয়া আজি দীৰ্ঘদিন ধৰি বিধায়ক হৈ আছে, তেখেতৰ মাতৃও শ্ৰম মন্ত্ৰী আছিল, সেইকাৰণে তেখেতৰ এটা legacy আছে। এটা সাধাৰণ উদাহৰণ দিছো চাৰ, ২০১০ চনত যিখন চাহ মজদুৰ সংঘ আৰু C C P A ৰ মাজত agreement হৈছিল সেইখন Government rectify কৰি দিয়ে। কিন্তু আচৰিত হ'বলগা কথাটো হৈছে ১ ডিচেম্বৰ, ২০১০ত বৰাক ভেলী আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ কাৰণে বেলেগ বেলেগ দুটা base, notify কৰি দিছে। মানে technicsটো এনেকুৱা যে C C P A, বাগিছা কতৃপক্ষ আৰু চাহ মজদুৰ সংঘই যিয়ে কয় সেইসময়ত চৰকাৰে সেইটোকে মানি ল'ব লাগে। চৰকাৰৰ কোনো interfere ৰ কথা নাই। সেই কাৰণে মই কৈছোঁ যে কোনে মূৰ দোৱাইছে, সেই notification বিলাক চালে আপোনালোকে গম পাব। কেনেকৈ এখন চৰকাৰে দুটা ব্যৱস্থাক notifyকৰিব পাৰিছে। তাৰ যিটো Dr. Acworth formula আছিল যে মজুৰী কোনো নিদ্ধাৰ্ৰণ কৰিব। Dr. Acworth formula মতে এজন মানুহক এদিনত ২৭০০ কেলৰি লাগে। তাৰ ওপৰত যিখিনি বস্তু লাগে,৭২ য়াৰ্ড কাপোৰ, housing facilities আৰু বাকী গোটেইখিনি facility Dr. Acworth formula মতে কৰিব লাগে। আজিলৈকে সেই formula মতে কোনো ধৰণৰ

মজুৰি চাহ মজদুৰ সংঘ বা C C P A ৰ মাজত নহ'ল। চাহ শ্ৰমিকৰ অৱস্থা এয়া যে চাহ শ্ৰমিকসকলে দৈনিক জীৱন ধাৰণ কৰিবলৈ তেওঁলোকৰ একো ব্যৱস্থা নাই। আজিৰ চাহ শ্ৰমিকৰ যিটো গোলামৰ দৰে অৱস্থা হৈছে, কোনে এই অৱস্থা কৰিলে? ইমান দিন ৰাজনৈতিক ভাৱে থাকি তেওঁলোকে সংগঠন কৰি চাহ শ্ৰমিকসকলক তিল-তিলকৈ এনে পৰ্য্যায়লৈ আনিছে? বিজেপিয়ে এইখিনি কৰিছিল নেকি? ইমান দিন কাৰ চৰকাৰ আছিল? এই কাৰণে এই কথাটো পৰিষ্কাৰ যে আপোনালোকৰ শোষণৰ কাৰণে চাহ শ্ৰমিকৰ অৱস্থা এই পৰ্য্যায়ত। মূল বিষয়লৈ আহিছো, আমি কি কৰিছো? আমি আপোনালোকক জনাব বিচাৰিছোঁ ২০১৫ চনত প্ৰথমবাৰৰ বাবে চৰকাৰে চেষ্টা কৰিলে যে আমি Dr. Acworth formula মতে এটা নিয়ম কৰিব লাগে। তাৰ minutes আছে। minutes মতে চৰকাৰে Dr. Acworth formula মতে ১৭৭ টকাৰ মজুৰিৰ প্ৰস্তাৱ minimum wise board ক কৰিছিল। এই বোৰ্ডত থাকে planters Associationৰ মানুহ, trade union আৰু চৰকাৰৰ মানুহ। চৰকাৰৰ লগত যেতিয়া তাত আলোচনা কৰিলে, মাইনুটচ মতে দেখা যায়, তাত চাহ মজদুৰ সংঘৰ প্ৰতিনিধিয়ে মালিকসকলে যি কথা কৈছে সেই কথাটোকে সমৰ্থন আগবঢ়ালে। তাত চৰকাৰে প্ৰথমবাৰ সদিচ্ছা দেখুৱালে আৰু মজুৰি ১৭৭.১৯ টকা কৰাৰ কাৰণে নিৰ্ধাৰণ কৰিলে। নিৰ্ধাৰণ কৰাৰ পাছত তেওঁলোকে ক'লে যে চৰকাৰে এনেকে নিৰ্ধাৰণ কৰিব নালাগে, যিটো পুৰণি bilateral নিয়ম মতে মজুৰি নিৰ্ধাৰণ কৰিব লাগে। যেতিয়া Draft nitification ওলাল সেইটোৰ ওপৰত C C P A কৰ্টে কেচ কৰিলে। সেই মজুৰিটো তিনি বছৰৰ কাৰণে ধাৰ্য্য কৰা হৈছিল। কিন্তু তিনি বছৰ কোটাত আধৰুৱা হৈ থাকি গ'ল আৰু ইয়াৰ কোনো ধৰণৰ ব্যৱস্থা লোৱা নহ'ল আৰু পুৰণা মজুৰি ১৩৭ টকা C C P A আৰু চাহ মজদুৰ সংঘই নিৰ্ধাৰণ কৰিছিল সেইটোৰে ধাৰ্য্য হৈ থাকিল। আমাৰ চৰকাৰ অহাৰ পিছত আমি নিৰ্ণয় লৈছো যে, চাহ মজদুৰ সংঘ বাC C P A অকলে এই মজুৰি নিৰ্ধাৰণ কৰিব নোৱাৰে। আমি যোৱা ১৫ ডিচেম্বৰ তাৰিখে চাহ মজদুৰ সংঘ, trade union, garden management ,C C P A আদি তেওঁলোকক সকলোকে মাতিলো। আমি মুকলিকৈ ক'লো যে আপোনালোকে মজুৰি কিমান বিচাৰে? মজদুৰ সংঘ, মালিক পক্ষ আদিক সকলোকে সুধিলো নূন্যতম মজুৰি কিমান হোৱাটো বিচাৰে? যদি চৰকাৰে মজুৰি নিৰ্দ্ধাৰণ কৰি দিয়ে তেওঁলোকে ন্যায়ালয়ত যাবই। দুমাহ উকলি গ'ল কোনেও আমাক নজনালে যে ন্যূনতম কিমান মজুৰি হ'ব লাগে। কেইটামানে দিলে কিন্তু গুৰুত্বপূৰ্ণ সংস্থা যেনে C C P A, অসম চাহ মজদুৰ সংঘ, বৰাক চাহ শ্ৰমিক সংঘই নিদিলে। অধ্যক্ষ মহোদয় আচৰিত কথা হৈছে চৰকাৰী ভাবে পতা মিটিংখনত চাহ মজদুৰ সংঘৰ সভাপতি আৰু সম্পাদক উপস্থিত নহ'ল। তেওঁলোকৰ পৰিবৰ্তে এগৰাকী উপ-সভাপতিক nomenee কৰি পঠাই দিছে আৰু আমি তেওঁকে সোধোতে তেওঁ কয় যে, তেওঁ ওপৰত সুধি পেলাইহে ক'ব পাৰিব। এইয়াই হৈছে সদিচ্ছা। তেখেতসকলক আমি কৈছে যে bilateral কৰক, আমাৰ ক'বলৈ একো নাই। আমি আকৌ অহা ৭ মাৰ্চ তাৰিখে পুনৰ minimum wise board ৰ মিটিং কৰিব বিচাৰিছো আৰু সেই মিটিঙত minimum wise Acworth formula মতে কিমান হ'ব লাগে নিৰ্দ্ধাৰিণ কৰিম। এইটো কথা essure কৰিছোঁ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আৰু সন্মানীয় সদনক, যে চৰকাৰৰ তৰফৰ পৰা চাহ শ্ৰমিকৰ নূন্যতম মজুৰি কিমান হ'ব লাগে সেইটো আমি নিৰ্দ্ধাৰিণ কৰিমেই। কোনোবাই ন্যায়াললৈ যাব পাৰে। কাৰণ আমাৰ সদিচ্ছা আছে আৰু ৰাজনৈতিক সদিচ্ছা আমি দেখুৱামেই। সাহস দেখুৱামেই যিটো কংগ্ৰেছে ইমান দিন দেখুৱাব নোৱাৰিলে। আমি সদিচ্ছা দেখুৱাই প্ৰমাণ কৰিম যে চৰকাৰে চাহ শ্ৰমিকৰ কাৰণে কি

কৰিব পাৰে আৰু কেনেকৈ কৰিব পাৰি। মাননীয় অধ্যক্ষ মহোদয়, তাৰ লগতে বাগিচাৰ লক আউটৰ কথা কৈছে। বহু বাগিচাই নিময় বহিৰ্ভূত ভাবে কাম কৰিছিল, পি.এফ ৰ ধন দিয়া নাছিল। সেইবিলাকৰ মালিকক ইমান দিনে ধৰা হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত যিসকলে ভৱিষ্য নিধিৰ ধন দিয়া নাই সেই বাগিচা আমি C C attachment ত লৈছো আৰু বেলেগক দি বাগিচাখন চলোৱাৰ ব্যৱস্থা হাতত লৈছোঁ। বগীধলা বাগানখন আমি attachment লৈ বেলগৰ দ্বাৰা চলোৱাৰ ব্যৱস্থা কৰিছো। আমি চাহশ্ৰমিকৰ বিষয়টোৰ ক্ষেত্ৰত সদিচ্ছা দেখাইছো যে মালিকপক্ষৰ ওচৰত মুৰ দোৱাই চাহ শ্ৰমিকৰ অন্যায় নকৰো। চাহ শ্ৰমিকৰ উন্নয়নৰ বাবে যিখিনি কৰিব লগীয়া আছে সেইখিনি আমাৰ চৰকাৰে দায়বদ্ধতাৰে কৰি যাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীৰূপজ্যোতি কৰ্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই debate কৰিব বিচৰা নাই। এক আষাৰ হে ক'ব বিচাৰিছোঁ। মাননীয় মন্ত্ৰী মহোদয়ে নিজৰ গা বচাবলৈ কৈছে। ১-১-২০১৮ ত মিটিং হৈছে। ডেৰবছৰ পাৰ হৈ গ'ল তেওঁলোকে একো কৰিব নোৱাৰিলে এটা সিদ্ধান্ত কৰিব নোৱাৰিলে।

**মাননীয় অধ্যক্ষ** ঃ Please don't pass comment. মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া প্ৰতিদিন কাকতত আৰু অন্য কাকতত প্ৰকাশিত "কামপুৰ কলেজৰ ব্যাপক বিত্তীয় কেলেংকাৰী" সংক্ৰান্তত বিষয়টো সম্পৰ্কে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। তেখেত যিহেতু সদনত উপস্থিত নাই, গতিকে আপোনাৰ জৰিয়তে বিষয়টি মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। মাননীয় অধ্যক্ষ ডাঙৰীয়া সু-সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ মৃত্যুঞ্জয় উপন্যাসে যি জ্ঞানপীঠ বঁটা কঢ়িয়াই আনিছিল, সেই মৃত্যুঞ্জয়ৰ পটভূমি আছিল কামপুৰ। ভাৰতবৰ্ষৰ স্বাধীনতাৰ আন্দোলনত কামপুৰৰ অফুৰন্ত অৱদান আছে। বিভিন্ন আইনৰ ক্ষেত্ৰতে হওঁক, শিক্ষাৰ ক্ষেত্ৰতে হওঁক বা অৰ্থনৈতিক ক্ষেত্ৰতে হওঁক কামপুৰে অৱদান আগবঢ়াই আহিছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত যেনেধৰণে কামপুৰবাসী ৰাইজে অৱদান আগবঢ়াইছিল সেইধৰণে অসম আন্দোলনটো অৱদান আগবঢ়াইছিল। এই কামপুৰতে সমবায় ভিত্তিত এক বৃহৎ চেনীকল প্ৰতিষ্ঠিত হৈছিল আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াইও এই কামপুৰতে শিল্পী নিপন গোস্বামীৰ সৈতে 'ককাদেউতা নাতি আৰু হাতি"ছবিত অভিনয় কৰিছিল। কামপুৰৰ উচ্চ শিক্ষাৰ এটাই অনুষ্ঠান সেইটো হৈছে কামপুৰ কলেজ। অধ্যক্ষ ডাঙৰীয়া এই কামপুৰ কলেজখন ৰাইজে বহু কষ্টৰে সাজি উলিয়াইছিল বা প্ৰতিষ্ঠা কৰিছিল। এই কামপুৰ কলেজৰ পৰা বহুতে শিক্ষাৰ ক্ষেত্ৰত বা চৰকাৰী বিষয়া পৰা আৰম্ভ কৰি বিভিন্ন ব্যক্তি তাৰ পৰা ওলাই আহিছে। কামপুৰ কলেজৰ অধ্যক্ষ আছিল ৰাউট ৰয় আৰু তেওঁক ২০১১ চনত বিভিন্ন কাৰণত নিলম্বিত কৰা হয়। কিন্তু নিলম্বিত কৰাৰ পিছত তেওঁৰ যি department proceeding draw হ'ব লাগে সেই proceeding draw কৰা নহ'ল আৰু ২০১৬ চনত মনে মনে তেওঁক join কৰা দেখুৱাই থৈছে। তেওঁ কিন্তু কামপুৰত নাই, তেওঁ আছে উৰিষ্যাত। তেওঁ এটা ক'ৰ্ট কেছ কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, সেই কোৰ্ট কেছ কৰোতে ১৮লাখ টকা কোৰ্টে তেওঁক দিবলৈ দিলে। ক'লে যে এই টকা যিজন Principal incharge আছিল, তেতিয়া Permanent Principal নাছিল তেওঁ এই ১৬ লাখ টকা Court verdict দিয়াৰ পিছত সেই টকাটো তেওঁক দিয়া দেখুৱাই আত্মসাত কৰিছে অভিযোগ মতে। তাৰোপৰি অধ্যক্ষ ডাঙৰীয়া, যে এখন Governing body ত মই আছিলো, সেই Governing body ত তেনেকুৱা কোনো সিদ্ধান্ত হোৱা নাছিল। ৪টা Sanction posts, এই post

কেইটা আগৰ কমিটিখন Adjourned হোৱা দেখুৱাই ৩জন ব্যক্তি লগলাগি Appointment দিছিল। আচলতে Quorum হোৱাৰ কাৰণে সেইখন কলেজৰ Governing body ত ৬জন ব্যক্তি লাগে। আৰু এই ৩জন ব্যক্তি হৈছে, Governing body ৰ Chairman, SMDC, Principal আৰু এজন Clerk বাকী কেইজন নাছিল উপস্থিত। অকল এইটোৱে নহয় অধ্যক্ষ ডাঙৰীয়া, যে ১৬লাখ টকাতকৈ অধিক টকা কলেজে Payment কৰিছে, incharge Principal ৰ দায়িত্বত, মই নামটো কব বিচৰা নাই। মন্ত্ৰীয়ে নিশ্চয় জানিব। কোনো বিল নোহোৱাকৈ অধ্যক্ষ ডাঙৰীয়া, More than 60 lakhs, ১০লাখ টকা UGC য়ে দিছিল Basket ball, Volly ball ৰ Court বনাবলৈ আৰু Flood light ৰ কাৰণে কিন্তু কোনো Basket ball, Volly ball ৰ Court নবনুৱাকৈ Flood light নলগোৱাকৈ False utilization certificate দি এই ১০ লাখ টকা আত্মসাৎ কৰিছিল। কিতাপ কিনিবিৰ কাৰণে অধ্যক্ষ মহোদয়, চৰকাৰে ১লাখ ৫০হাজাৰ টকা দিছিল কিন্তু কলেজত কিতাপ নাই। কিতাপ কিনাৰ নামত খৰচ হল। অধ্যক্ষ মহোদয় অকল এইটোৱে নহয়, ইয়াত তদন্ত কৰিলে আৰু যথেষ্ট খেলি মেলি ওলাব আৰু বৰ্তমান কলেজৰ যিজন অধ্যক্ষ চৰকাৰে তাত নিযুক্তি দিছে, আৰ্য্য বিদ্যাপীঠ কলেজত আছিল, Principal হৈ তেখেতে লিখিত ভাৱে টকা DSE লৈ পঠালে এই ক্ষেত্ৰত কোনো ব্যৱস্থা চৰকাৰে লোৱা নাই। incharge Principal জন এতিয়া HoD geography ৰ হৈ আছে। গতিকে মই চৰকাৰক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো, মন্ত্ৰীকো অনুৰোধ কৰিছো, যে ইমান এখন ডাঙৰ কলেজৰ Financial irregularities কৰাৰ পিছতো তেওঁ কেনেকৈ থাকিব পাৰে। গতিকে এইটোৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হব লাগে আৰু আগৰ যি Principal incharge যাৰ দিনত এই ঘটনা সংঘটিত হৈছিল বা যদি Chairman জৰিত আছিল তেতিয়া হলে তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু incharge গৰাকী যি গৰাকীয়ে Financial irregularities কৰিলে, কোনো হিচাব দিব পৰা নাই এতিয়া লৈকে। তেওঁক আচলতে দায়িত্বৰ পৰা আতৰাই দিব লাগে বা Suspend কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য প্ৰাক্তনমুখ্য মন্ত্ৰী বিধায়ক শ্ৰী যুত মহন্ত ডাঙৰীয়াই যিটো বিষয়ে উত্থাপন কৰিছে, এই বিষয়টো চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব আৰু এই বিষয়টো গুৰুত্বপূৰ্ণ কাৰণ শিক্ষা বিভাগৰ এজন Acting Principalয়ে যদি তেনেকুৱা ধৰণৰ কথাত জৰিত হয়, নিশ্চয় এই ব্যৱস্থাটো গুৰুত্ব সহকাৰে বিবেচনা কৰিম। কামপুৰ কলেজৰ ব্যাপক বিত্তীয় কেলেংকাৰীৰ তদন্ত দাবী তলা বন্ধ ঘোষণা ছাত্ৰ একতা সভাৰ শীৰ্ষক বাতৰিটোৰ ১৯/০২/২০১৮ ইংৰাজী তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত হৈছিল, আৰু প্ৰকাশিত হোৱাৰ পিছত বিষয়টো সন্দৰ্ভত কামপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ পৰা ১১/০২/২০১৭ তাৰিখে এক লিখিত অভিযোগ পোৱা যায়। উক্ত অভিযোগত কামৰূপ মহাবিদ্যালয়ৰ পূৰ্বৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী হীৰেন্দ্ৰ নাথ শৰ্মাৰ কাৰ্য্যকালত (২০১১ চনৰ পৰা ২০১৭ চনলৈ) বিভিন্ন পুঁজিৰ ব্যৱহাৰত ব্যাপক খেলিমেলি হোৱা বুলি উল্লেখ কৰে যদিও এই ক্ষেত্ৰত কোনো বস্তুনিষ্ঠ প্ৰমান দিয়া হোৱা নাছিল। অসমৰ উচ্চ শিক্ষা সঞ্চালকালয়ে বিষয়টোৰ ওপৰত প্ৰাৰম্ভিক তদন্ত কৰে আৰু উক্ত তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত যোৱা ২২-০১-২০১৮ ইংৰাজী তাৰিখে পূৰ্বৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী হীৰেন্দ্ৰ নাথ শৰ্মাদেৰক কাৰণ দৰ্শোৱাৰ জাননি প্ৰেৰণ কৰে। তদন্তৰ প্ৰক্ৰিয়া অনুসৰি শ্ৰী শৰ্মাই অভিযোগ সন্দৰ্ভত তথ্য বিচাৰি অনুৰোধ জনায় আৰু

যোৱা ১৭-০২-২০১৮ ইংৰাজী তাৰিখে উক্ত অভিযোগৰ তথ্য সহিতে প্ৰতিলিপি উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা গ্ৰহণ কৰে। তেখেতৰ কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ এতিয়াও পোৱা হোৱা নাই। সমান্তৰালভাৱে উক্ত বিষয় সন্দৰ্ভত বিত্ত পৰিদৰ্শক সঞ্চালয়ৰ দ্বাৰা বিত্তীয় তদন্তৰ বাবে অনুৰোধ কৰা হয়। এই ক্ষেত্ৰত অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্যা শ্ৰী ৰ'জলীনা তিৰ্কী।

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মাননীয় সদস্য, প্ৰাক্তন মুখ্যমন্ত্ৰী, বঢ়মপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে যিজন অধ্যক্ষৰ তত্বাৱধানত ইমান ডাঙৰ এটা বিত্তীয় খেলি মেলি হ'ল তেওঁৰ ওপৰত কিয় ব্যৱস্থা লোৱা হোৱা নাই, যিজন Incharge Principal আছিল ।

**মাননীয় অধ্যক্ষ** ঃ Incharge Principal ক Show cause দিয়া হোৱা বুলি কৈছে নহয়। আৰু যোৱা ১৭ ফেব্ৰুৱাৰী তাৰিখে কিবা এটা কৰা বুলি কলে নহয়। এতিয়া মাননীয় সদস্যা শ্ৰী ৰ'জলীনা তিৰ্কী।

**শ্ৰী ৰ'জলীনা তিৰ্কী (মাননীয় সদস্যা, সৰুপথাৰ)** ঃ Hon'ble Speaker Sir, before I begin I just want to submit documents regarding this topic.

**মাননীয় অধ্যক্ষ** ঃ Please try to make your submission within a short time.

**শ্ৰী ৰ'জলীনা তিৰ্কী (মাননীয় সদস্যা, সৰুপথাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত Special mention ত মই যোৱা ইংৰাজী ১৪ ফেব্ৰুৱাৰী তাৰিখে বুধবাৰে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "ধনশিৰি সীমান্তত অস্তিত্বহীন অসম প্ৰশাসন, ৭খন গাওঁ পঞ্চায়তৰ উন্নয়নমূলক কাম কাজত CRPF ৰ বাধা" এই বিষয়ৰ ওপৰত ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট জিলৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত, মই প্ৰতিনিধিত্ব কৰা সৰুপথাৰ সমষ্টিতে অসম নাগালেণ্ড সীমান্তৰ A, B, C এই তিনিটা চেক্টৰৰ লগতে আমাৰ যি ৭খন গাওঁ পঞ্চায়ত আজি ইয়াত উল্লেখ কৰা হৈছে, সেইবোৰ হল চুঙাজান এম ভি, মাজগাওঁ, পানাজান, মধ্যমপুৰ, চিলনীজান, কৰৈঘাট, হালধিবাৰী জি পি লৈ নৰজ্যোতি জিলা পৰিষদ সমষ্টিৰে গঠিত ।

আজিৰ পৰা প্ৰায় ৪৫/৫০ বছৰ আগৰে পৰা এই অঞ্চল সমূহত ভূমিহীন কৃষক সকলে হাবি জংঘল কাটি কৃষি কৰ্ম, ব্যৱসায় আদিত নিজকে নিয়োজিত কৰাৰ লগতে সীমান্তৰ প্ৰহৰী হিচাপে বসবাস কৰি আছে। এই কৃষিজীৱি অসমীয়া লোক সকলে এনেকৈ বসবাস কৰি প্ৰহৰী হৈ নথকা হলে আমাৰ অসমৰ ভূমি কেতিয়াবাই নগাৰ দখললৈ গ'ল হেতেন । কিন্তু অধ্যক্ষ মহোদয়, অতি দুখৰ বিষয় যে শান্তিৰে বসবাস কৰি থকা এই কৃষিজীৱি লোক সকলে বাৰে বাৰে নগা দুষ্কৃতি কাৰীৰ প্ৰহৰী স্বৰূপে থকা অসমীয়া লোক সকলৰ ওপৰত নানা ধৰণে উপদ্ৰৱ, অত্যাচাৰ, উৎপীড়ন চলাই আহিছে। আজি আমি যদি বিগত সময়লৈ মনত পেলাও আমাৰ নিশ্চয় মনত পৰিব যে ১৯৭৯ চনত সীমান্তৰ বৃহৎ এলেকাৰ মানুহৰ ঘৰ-বাৰী জ্বলাই দিয়া হৈছিল, সেই অঞ্চলৰ পৰা মানুহক খেদি পঠোৱা হৈছিল আৰু বহুতো মানুহ হত্যা কৰা হৈছিল। আৰু ঠিক তেনেধৰণে ১৯৮৯ চনত বহু ঘটনা সংঘটিত কৰাৰ লগতে কেইবাজনো গাওঁবুঢ়াক অপহৰণ কৰি হত্যা কৰা হৈছিল আৰু মানুহক ঘৰৰ ভিতৰত বন্ধ কৰি জ্বলাই দিয়া হৈছিল। শেহতীয়াকৈ ২০১৪ চনত তেনে ঘটনা পুনৰ ঘটিছিল। য'ত চৰকাৰী হিচাব মতে ৯৮৭৩ জন লোক আক্ৰান্ত হোৱাৰ উপৰিও

১২জনতকৈ অধিক লোকক হত্যা কৰা হৈছিল । .বহু জীৱ-জন্তু, সা-সম্পত্তি নষ্ট কৰি দিয়া হৈছিল। ইয়াৰ পিছতো  এই অঞ্চলত আমাৰ পহৰী হিচাপে থকা লোক সকলৰ ওপৰত সীমান্তবাসীৰ লোক সকলৰ পৰা বিভিন্ন ধৰণৰ কৰ দাবী কৰি অহা হৈছে। ইয়াৰ প্ৰতিলিপি আপোনালোকলৈ প্ৰেৰণ কৰা হৈছে আৰু মাননীয় মন্ত্ৰী মহোদয়লৈও দিয়া হৈছে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও সীমান্ত অঞ্চল সমূহত যি নিৰপেক্ষ বাহিনী হিচাপে নিয়োজিত CRPF য়ে আজি দেখা যায় যে তেওঁলোকে নগাৰ পক্ষত হে কাম কৰে। তেওঁলোকে আমাৰ অসমীয়া ৰাইজৰ পক্ষে কাম কৰা দেখা নাযায়। মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে আজি যদি আমাৰ অসমভূমিত এটা সৰু ঘৰ repairing কৰিবলৈ যাওঁতেও CRPF য়ে তাতে নানা ধৰণৰ অজুহাত দেখাই বাধা-বিঘিনী কৰে আৰু কাম কৰিব বন্ধ কৰি দিয়ে। ঠিক তেনেধৰণে আমাৰ মানুহে যদি ইটা, বালি বা চিমেন্ট ট্ৰাকত লৈ যায় সেইবিলাকো বিভিন্ন ধৰণৰ চেকিং কৰি বন্ধ কৰি দিয়ে। সেই আজি এই ৭ খন যি পঞ্চায়ত ৰ কথা ইয়াত উল্লেখ হৈছে, এই ৭ খন পঞ্চায়তে পূৰ্বতকৈ বেছি কাম-কাজত বাধা বিঘিনী দিছে। তাৰ লগতে আমাৰ যি PMAY ঘৰ বা IAY ঘৰ হওঁক বা P&RD ৰ বিভিন্ন আঁচনি, MP & MLA, LAD Fund আৰু সকলো উন্নয়ণ মূলক আঁচনিৰ কাম-কাজ কৰাত বন্ধ কৰি দিছে।  এই সম্পৰ্কত আমাৰ এই ৭ খন গাওঁ পঞ্চায়তৰ সচিব, সভাপতি সকলে বিহীত ব্যৱস্থা লবলৈ গোলাঘাট জিলা উপায়ুক্ত আৰু মোলৈ প্ৰতিলিপি প্ৰেৰণ কৰিছে। তাৰে প্ৰতিলিপি অধ্যক্ষ মহোদয় আপোনাৰ ওচৰত দিয়া হৈছে। আজি এই ৭ খন গাওঁ পঞ্চায়তত সকলো ধৰণৰ উন্নয়ণ মূলক কাম কাজ বন্ধ হৈ গৈছে। অন্যহাতেদি আজি যদি মন কৰো, আমাৰ যি উন্নয়ন মূলক কাম লোৱা হৈছে, সেই কামৰ আঁচনি সমূহৰ UC সময় মতে যদি দাখিল কৰা নহয় তেনেহলে সমুদায়  ধন ঘূৰি যোৱাৰ সম্ভাৱনা আছে। সেই কাৰণে অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে অসম নাগালেণ্ড সীমান্তৰ একেবাৰে পিছপৰা অঞ্চলৰ জনসাধাৰণৰ স্বাৰ্থত আজি মই চৰকাৰক আহ্বান জনাব বিচাৰিছো। ইয়াত ৫ টা পইন্ট আছে। প্ৰথমতে, অসমৰ ভূমি আৰু সীমান্তৰ অসমীয়া ৰাইজৰ নিৰাপত্তাৰ স্বাৰ্থত চৰকাৰে অনতিপলমে ধনশিৰি মহকুমাত আৰক্ষী জিলা হিচাপে ঘোষণা কৰি যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয়তে, সীমান্ত অঞ্চলত হঠাৎ সৃষ্টি হোৱা যিকোনো ঘটনা প্ৰতিৰোধ কৰিবলৈ সেই স্থান সমূহলৈ যাতায়াতৰ বাবে জৰাজীৰ্ণ সকলোবোৰ বাট-পথ পকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যাতে আমাৰ বিষয়া সকলে অতি সোনকালে তালৈ যাব পাৰে। তৃতীয়তে, A,B,C তিনিওটা Sector, Border Magistrate নিযুক্তি দি তেওঁলোকক সীমান্ত অঞ্চলতে থকাৰ বাবে Quarter, গাড়ী, Security, Staffs আদি সুবিধা প্ৰদান কৰি অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চতুৰ্থতে, উক্ত অঞ্চলত নিয়োজিত যি CRPF আছে তাৰ সলনি  APBN ক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। APBN ক নিয়োগ কৰিলেহে আমাৰ স্থানীয় মানুহে তাত নিজকে অলপ সুৰক্ষিত বুলি ভাবিব। পঞ্চমমতে, এই ৭ খন গাওঁপঞ্চায়ত সমূহত অতি শীঘ্ৰে কাম-কাজ আৰম্ভ কৰি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সেয়েহে অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে, চৰকাৰে এনে পদক্ষেপ গ্ৰহণ কৰিলেহে সীমান্ত অঞ্চলত ৰাইজৰ বসবাস কৰাৰ বাবে উপকৃত হ'ব, শান্তি প্ৰতিষ্ঠা বাহাল থাকিব আৰু উন্নয়ণ মূলক কামৰ অধিকাৰৰ পৰা আমাৰ সীমান্ত বাসী ৰাইজ বঞ্চিত নহয়। ইমানে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**  মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া সদস্যা শ্ৰীমতী ৰোজলিনা তিৰ্কী ডাঙৰীয়ানীয়ে Rule 301 ৰ অধিনত যিটো জাননী দিছে সেইটো আমাৰ চৰকাৰৰ

দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কত আমি চৰকাৰৰ তৰফৰ পৰা এটা বিবৃতি দিব বিচাৰিছো। ইংৰাজী ১৪-০২-২০১৮ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ হোৱা ৭ খন গাওঁপঞ্চায়তৰ উন্নয়ণমূলক কাম কাজত C R P F ৰ বাধা' শিৰোনামেৰে প্ৰকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পৰা যায় যে অসম-নাগালেণ্ড আন্তঃৰাজ্যিক সীমান্তৰ অন্তৰ্গত বিবাদমান এলেকাত আইন শৃংখলা আৰু স্থিতাৱস্থা বজাই ৰখাৰ উদ্দেশ্য উভয় ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ মাজত স্বাক্ষৰিত চুক্তি মৰ্মে SOP প্ৰস্তুত কৰা হৈছিল। উক্ত SOP খনৰ ১২ নং দফা মতে বিবাদমান এলেকাত কোনো ধৰণৰ নতুন কাম যেনে- ঘৰ নিৰ্মাণ তথা বৰ্ধিতকৰণ আদি কৰিবলৈ অনুমতি দিয়া নহয়। কিন্তু SOP খনৰ মতে উক্ত অঞ্চলত মেৰামতিৰ কাম উভয় ৰাজ্যৰ সীমান্ত দণ্ডাধীশৰ অনুমতি মৰ্মেহে কৰিব পৰা যায়। বিবাদমান এলেকাত বসবাস কৰি থকা দৰিদ্ৰ লোকসকলৰ উন্নতিকল্পে জিলা উপায়ুক্ত আৰু সীমান্ত দণ্ডাধীশ পৰ্য্যায়ৰ বহুতো সভাত উভয় পক্ষৰ সন্মতি মৰ্মে সিদ্ধান্ত লোৱা হৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ অন্তৰ্গত কাম কাজখিনি চলাই থকা হব আৰু এই কামখিনি সুস্থভাৱে চলিও আছিল। উল্লেখনীয়ভাৱে, নাগালেণ্ডৰ ফালৰ পৰা 'B' চেক্টৰৰ জালাল বস্তি/অকাই গাওঁত দুটা এমহলীয়া পকী ঘৰ নিৰ্মাণ কৰাৰ পিছত C R P F এ বিবাদমান এলেকাত বিভিন্ন আঁচনিৰ "IAY, PMAY (G) আৰু SBM (G)" সকলো ধৰণৰ নিৰ্মাণমূলক কাম কাজ বন্ধ কৰি দিয়ে। বিবাদমান এলেকাত চৰকাৰৰ জনকল্যাণমূলক আঁচনিৰ কাম কাজৰ বিষয়টো পুনৰ বিভিন্ন পৰ্য্যায়ৰ সভাত উত্থাপন কৰা হৈছিল আৰু উভয় পক্ষই এনে ধৰণৰ কামখিনি চলাই যোৱাৰ বাবে সন্মতি প্ৰদান কৰে যদিও ১৮-০১-২০১৮ তাৰিখে কাৰ্বিআংলং জিলাৰ বোকাজানত অনুষ্ঠিত হোৱা এখন সভাত ডিমাপুৰৰ উপায়ুক্তই কোনো ধৰণৰ নতুন কাম কাজৰ বিৰুদ্ধে মত পোষণ কৰে। এই ক্ষেত্ৰত বিবাদমান এলেকাত মোতায়েন কৰা নিৰপেক্ষ বাহিনীৰ Operational Commander তথা আৰক্ষী সঞ্চালক প্ৰধান (সীমান্ত), অসমকো হস্তক্ষেপ কৰাৰ বাবে অনুৰোধ কৰা হৈছিল আৰু আৰক্ষী অধীক্ষক (সীমান্ত) যোৱা ০৫-১২-২০১৭ তাৰিখে এই আঁচনি সমূহৰ কাম কাজখিনি উভয় পক্ষৰ সীমান্ত দণ্ডাধীশৰ লিখিত অনুমতি মৰ্মে চলাই লোৱাৰ বাবে এখন পত্ৰ প্ৰেৰণ কৰে। আনাকি যোৱা ০৬-০২-২০১৮ তাৰিখে গোলাঘাটত অনুষ্ঠিত হোৱা DLCC সভাখনত বিষয়টো লৈ আলোচনা কৰা হয় আৰু বিবাদমান এলেকাত উল্লেখিত আঁচনি সমূহৰ কামখিনি চলাই লোৱা হব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু এই মৰ্মে বিবাদমান এলেকাৰ ৭ খন গাওঁ পঞ্চায়তৰ সভাপতি ও সম্পাদককলৈ নিৰ্দেশ দিয়া হৈছে। এই সন্দৰ্ভত CRPF য়েও যাতে হিতাধীকাৰীসকলক কোনো ধৰণৰ বাধা আৰোপ নকৰে তাৰ বাবে কোৱা হৈছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে যোৱা ১৬-০১-২০১৮ তাৰিখে নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰাণালয়ে বিবাদমান এলেকাৰ পৰিস্থিতিৰ ওপৰত আলোচনাৰ বাবে অসম আৰু নাগালেণ্ডৰ লগত এখন সভা অনুষ্ঠিত কৰে। উক্ত সভাত যিহেতু নাগালেণ্ড বৰ্তমানে বাহাল থকা SOP খন তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয় বুলি মত পোষণ কৰে সেয়েহে, উ ভয় পক্ষৰ বাবে গ্ৰহণযোগ্য হোৱাকৈ এখন নতুন SOP প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। যিহেতু বৰ্তমানৰ SOP খনত চৰকাৰী আৰু বেচৰকাৰী নিৰ্মাণকাৰ্য্যৰ মাজত কোনো পাৰ্থক্য ৰখা হোৱা নাই, সেইবাবে নতুন SOP খনত চৰকাৰৰ জনকল্যাণমূলক আঁচনি সমূহ সুচাৰুৰূপে ৰূপায়ণ তথা সুৰক্ষা বাহিনী মোতায়েনৰ ক্ষেত্ৰত নিৰ্দিষ্ট নিয়মাৱলী সন্নিবিষ্ট কৰাৰ বাবে বিবেচনা কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত শেষত ৩০১ ৰ Notice আছিল মামুন ইমদাদুল হক

চৌধুৰীৰ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and conduct of Business in Assam Legislative Assembly ৰ Rule 301 "দেশৰ মুঠ উৎপাদনৰ মাত্ৰ ০.৫৭ শতাংশহে গাখীৰ উৎপাদন কৰে অসমে" বিষয়টো সদনত উত্থাপন কৰিবলৈ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। গাখীৰ সম্পৰ্কে নতুনকৈ কবলৈ একো নাই। এজন সুস্থ মানুহৰ কাৰণে গাখীৰৰ কিমান প্ৰয়োজন সেইটো সকলোৰে জানে। গাখীৰ যথেষ্ঠ পুষ্টিকৰ খাদ্য আৰু ইয়াৰ Perfect Food বুলিও কোৱা হয়। এজন মানুহে জীয়াই থাকিবৰ কাৰণে Food materials ৰ দৰকাৰ Carbohydrate, Protein, Vitamin, Calcium each and everything গাখীৰত আছে। Science কোৱা মতে এজন মানুহে গাখীৰৰ বাহিৰে একো নোখোৱাকৈ জীয়াই থাকিব পাৰে। Indian Council for Medical Research ৰ যিটো মানদণ্ড সেইমতে এজন প্ৰাপ্তবয়স্ক মানুহৰ কাৰণে প্ৰতিদিনে ২০৮ M.L গাখীৰ লাগে। কিন্তু অসমত ইমানখিনি গাখীৰো নাই। অসমত বৰ্তমান প্ৰতিদিনে ৭৪ ML হে দিব পৰা অৱস্থাত আছে। এইক্ষেত্ৰত মই এই চৰকাৰ বা আগৰ চৰকাৰ কাকো দোষাৰোপ কৰিব বিচৰা নাই। কাৰণ গাখীৰ সম্পৰ্কত কমেই চিন্তা-ধাৰা লোৱা হয়। গাখীৰ গাঁৰৰ বস্তু বুলি ওলাই কৰা হয়। সেইকাৰণে কোনেও গুৰুত্ব সহকাৰে নলয়। গতিকে এদিনতে যে এইটো সম্ভৱ নহয় সেইটো মইওঁ জানো। কোনো বাদানুবাদত মই যাব বিচৰা নাই। ২০০০-২০০১ ত এবছৰত ১৫,০০০লিটাৰ গাখীৰ উৎপাদন হৈছিল। কিন্তু ২০১৫-২০১৬ চনত এইটো বহুত বাঢ়িলে কাৰণ জাৰ্চী গাই লালন পালন কৰাত মানুহৰ গুৰুত্ব বাঢ়িছে। ২০১৬-২০১৭ ত ২,৮০,০০০ Ltr. লৈ বৃদ্ধি হৈছে গাখীৰৰ উৎপাদন। ইয়াত কিন্তু চৰকাৰৰ অ ৱদান কম। নিবনুৱা লৰা-ছোৱালী বিলাকে বিভিন্ন বেঙ্কৰ পৰা লোন লৈ কামবোৰ কৰিছে। এতিয়া এনেকুৱা কিছুমান গাই আছে যিবোৰে দিনটোত ৩০-৩৫ Ltr. গাখীৰ দিয়ে। গতিকে ইমান উৎপাদন বঢ়াৰ পিছতো আমাৰ মাত্ৰ প্ৰতিদিনে ৭৫ ML কৈহে পাও। এই গাখীৰখিনিৰ ৫৪.৪১ শতাংশ আহে যিবিলাক ঘৰুৱা গাই আছে তাৰ পৰা আৰু ২৪.১৪ শতাংশ আহে জাৰ্চী গাই বা বৰ্ণসংকৰ গাইবিলাকৰ পৰা। অৰ্থ্যাৎ ৪২.৬৯ শতাংশ অকল গাইৰ পৰা গাখীৰ উৎপাদন হয়। ম'হৰ পৰা আমি গাখীৰ পাওঁ ১৪.৪৬ শতাংশ। এইটোও বহুত Negligible নহয়। ছাগলীৰ পৰা পাওঁ মাত্ৰ ২.৯৪ শতাংশ প্ৰতি বছৰে। আমাৰ অসম চৰকাৰৰ পশু পালন বিভাগৰ ৰিপোৰ্ট মতে অসমত যিমানখিনি গাখীৰ উৎপাদন হয় তাৰে ৬০ শতাংশ তৰল গাখীৰ আৰু বাকী ৪০ শতাংশ গাখীৰ বিভিন্ন খাদ্য সামগ্ৰী বনোৱাত ব্যৱহাৰ হয়। অসমত প্ৰত্যেক বছৰে বৰ্ণসংকৰ গাইৰ পৰা ২৪৬.০৬ নিযুত লিটাৰ উৎপন্ন হয় প্ৰতি বছৰে আৰু থলুৱা গাইৰ পৰা ৪৭৫.০৩ নিযুত লিটাৰ উৎপন্ন হয়। ইয়াত ম'হৰ পৰা উৎপন্ন হয় ১২৬.২৫ নিযুত লিটাৰ আৰু ছাগলীৰ পৰা উৎপন্ন হয় ২৫.৬৪ নিযুত লিটাৰ। এইখিনি report শুনোতে লাগে খুব ডাঙৰ Record। কিন্তু Central Govt. Agricultural Ministry ৰ যিটো ৰিপোৰ্ট ২০১৬-২০১৭ ত ১৬৪ মিলিয়ন টন। Central Govt. Agricultural Minister Shri Radha mohan singh ৰ এখন ৰিপোৰ্টৰ পৰা মই এইটো collect কৰিছো। তাত তেখেতে উল্লেখ কৰিছে যে, ২০১৬-২০১৭ Financial year ত ১৬৪ মিলিয়ন টন গাখীৰ উৎপাদন হৈছে। ইমান হিউচ এমাউন্ট। গতিকে এই হিউচ এমাউন্টৰ তুলনাত অসমৰ উৎপাদন যথেষ্ঠ কম। চাবলৈ গলে ভাৰত বৰ্ষত যিটো গাখীৰ উৎপাদন হয় তাত অসমে শ্বেয়াৰ কৰিব পাৰে মাত্ৰ ০.৫৭। এই হেডলাইনতে মই মোৰ

বিষয়টো আনিছিলো। আমাৰ অসম চৰকাৰৰ গাখীৰ উৎপাদনৰ ওপৰত এটা ৰিপ্লাই আছে যিটো তৰা চিহ্নিত প্ৰশ্ন নং ১৬৩ ত মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কৰিছিল। ২১-০২-২০১৮ তাৰিখে আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিলে যে অসম চৰকাৰৰ অধীনত কোনো দুগ্ধ উৎপাদন আঁচনি বা প্ৰকল্প নাই। তাৰমানে এই গাখীৰবিলাক যে, প্ৰডাকশ্যন হয় তাত চৰকাৰৰ কোনো অৰিহণা নাই বুলি যদি কওঁ চৰকাৰে বেয়া পাব কিন্তু চৰকাৰে নিজে কৈছে নাই। মই দুটা উদাহৰণ দি শেষ কৰিব বিচাৰিছো। এজন হাজিৰা কাম কৰা মানুহে এতিয়া প্ৰতিদিনে ১৫-২০ লিটাৰ গাখীৰ উৎপাদন কৰি At least দিন হাজিৰা কৰাৰ পৰা ৰক্ষা পাইছে আৰু এজন শিক্ষক দেখিছো তেওঁ Retired Principal. Retirement ৰ সকলো পইচা তেওঁ Milk production ত Invest কৰি এতিয়া প্ৰতিদিনে ৩৫-৪০ লিটাৰ গাখীৰ উৎপাদন কৰে। চৰকাৰে যদি “শ্বেত বিপ্লৱ” Policy এটা বনায় ভাল হয়। Rural Economy develop কৰাৰ কাৰণে বা growth & develoment ৰ কাৰণে ইয়াত যদি কিবা Policy বনাই মোৰ মতে Milk Policy বনালে ভাল। কাৰণ ইয়াত ইমান Finance ৰ প্ৰয়োজন নহয়।কাৰণ বহুত নিবনুৱা লৰা আছে, বেঙ্কৰ পৰা লোন লৈ তেওঁলোকে কৰিব পাৰিব। মাত্ৰ setup টো চৰকাৰে বনাই দিলে হ’ল। তেওঁলোকৰ যেতিয়া সময় হ’ব, গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে চৰকাৰে এটা নিৰ্দ্দিষ্ট Policy বনাই কেনেকে আগবাঢ়িলে নিবনুৱা লৰা-ছোৱালী বিলাক সংস্থাপিত হ’ব। এইখিনিকে কয় মই সামৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰী মামুন ইমদাদুল হক চৌধুৰীয়ে যিটো বিষয় আনিছে সেইটো যথেষ্ঠ গুৰুত্বপূৰ্ণ বিষয় আৰু এই বিষয়টোৰ লগত আমাৰ নিবনুৱা সমস্যাকে ধৰি আমাৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ কথাখিনিও জড়িত হৈ আছে। সেই কথাখিনিত মই একমত। ইয়াৰ গুৰুত্ব চৰকাৰে উপলব্ধি কৰে। অধ্যক্ষ ডাঙৰীয়া, চৰকাৰৰ অৱদান একেবাৰেই নোহোৱা নহয়। vetrainary বিভাগৰ পৰা সময়ে সময়ে যিবিলাক দিহা পৰামৰ্শ দিয়ে কেনেকুৱা ধৰণৰ গাই গৰু পালন কৰিব লাগে বা Frozen semen plant যিবিলাক কৰিছে তাৰ পৰা যি বৰ্ণসংকৰ গাইৰ বীজ দিব পাৰিছে বা vetrainary ডাক্তৰ সকলে যিখিনি বিভিন্ন ধৰণৰ Service দি আছে অসমত, সেই হিচাপত দেখা যায় যে, এই বৰ্ণসংকৰ গাই আৰু বিভিন্ন জাতীয় গাই ৰাইজে পালন কৰিবলৈ সুবিধা পাইছে। কিন্তু, সেইটো massive কৰাৰ কাৰণে মাননীয় বিধায়ক ডাঙৰীয়াই যি কথা কৈছে সেইটোত আমি আপোনালোকৰ লগত একমত। সেইমতে আমাৰ ৰাজ্যখনৰ বিভিন্ন ঠাইত ইতিমধ্যে Veterinary ৰ ডাক্তৰৰ সুবিধাকে ধৰি যিখিনি বৈজ্ঞানিক পৰামৰ্শ, তাৰ বাবে extension service আছে আৰু এনে ধৰণৰ extension service গাওঁ অঞ্চলতো provide কৰি থকা হৈছে। অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰাৰ দৰে এইটো কথা সত্য যে অসমে দেশখনৰ মুঠ দুগ্ধ উৎপাদনৰ অতি সামান্য অংশহে উৎপাদন কৰে। অসমৰ পশুধনৰ সংখ্যা এক কোটিতকৈ বেছি যদিও এই পশুধনৰ গাখীৰ তথা মাংস উৎপাদনৰ গুণগত মান ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত নিম্ন হোৱাৰ বাবে প্ৰতি জনী গাই গৰুৰ বিপৰীতে পাব লগীয়া গাখীৰৰ পৰিমাণ ডেৰ লিটাৰতকৈ কম। অথচ, ভাৰতৰ অন্যান্য ৰাজ্যত গাই গৰুৰ গাখীৰৰ উৎপাদনৰ পৰিমাণ গড় হিচাপত ৮ ৰ পৰা ৯ লিটাৰ পৰ্যন্ত পোৱা যায়। আজিৰ দিনত অসমৰ গাই গৰুৰ পৰা উৎপাদিত গাখীৰে ৰাজ্যখনৰ প্ৰয়োজনীয় চাহিদাৰ ৩৬.২% হে পূৰণ কৰিব পাৰে। বাকী খিনি গাখীৰ বাহিৰৰ পৰা আনিব লাগে। অৰ্থাৎ

আমাৰ যিমান consumption হয়, তাৰে ৩৬.২% গাখীৰ অসমৰ গাই গৰুৰ পৰা উৎপাদন হয়, বাকীখিনি deficit হয়। গাই গৰুৰ মানৰ উত্তৰণ ঘটাই অধিক গাখীৰ উৎপাদন কৰাৰ বাবে আৰু উক্ত উৎপাদিত গাখীৰৰ বিপনন কৰিবৰ বাবে পশু পালন আৰু পশু চিকিৎসা বিভাগে বহুতো আঁচনি হাতত লৈছে। তাৰে কেইটামান উল্লেখ কৰা হ'ল- **প্ৰথমতে**, উচ্চ উৎপাদন ক্ষম দেশী-বিদেশী গৰুৰ যোগেদি থলুৱা গাই গৰুৰ দ্বাৰা কৃত্ৰিম প্ৰজনন ঘটাই উচ্চ মান বিশিষ্ট গাই গৰু জন্ম দিয়াৰ ব্যৱস্থা কৰা হৈছে। অসম চৰকাৰে বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহাৰ্যৰে অসম পশুধন উন্নয়ন অভিকৰণ (Assam Livestock Development Agency) ৰ যোগেদি এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত Development Agency য়ে বছৰি ৩ লাখতকৈ অধিক হীমায়িত শুক্ৰ নলী (Frozen Semen Straw) উৎপাদন কৰিব পৰা এটি কেন্দ্ৰ (Frozen Semen Bull Station) বৰপেটা জিলাৰ বৰপেটাত স্থাপন কৰি হীমায়িত শুক্ৰ উৎপাদন আৰম্ভ কৰিছে। এই হীমায়িত শুক্ৰ অতি উচ্চ মান সম্পন্ন আৰু ইয়াক ভাৰত চৰকাৰে 'A' Grade Certificate প্ৰদান কৰিছে। এই ক্ষেত্ৰত উৎপাদিত শুক্ৰৰে কৃত্ৰিম প্ৰজনন কৰি Jersey, Holstein Friesian আদি উন্নত জাতৰ গৰুৰ বৰ্ণসংকৰ পোৱালি ২০১৫-১৬ বৰ্ষত ২,১৭,২৪৮ টা, ২০১৬-১৭ বৰ্ষত ৩০,১০৯৯ টা আৰু ২০১৭-১৮ বৰ্ষত নৱেম্বৰ মাহলৈকে ২,০৬.২৮৬ টা উৎপাদন কৰা হৈছে। এই কেন্দ্ৰটিয়ে ২০০৪-০৫ বৰ্ষৰ পৰা এই কামত লাগি আছে। উত্তৰ-পূৰ ভাৰতৰ এনে উচ্চ মান বিশিষ্ট শুক্ৰ উৎপাদনকাৰী সংস্থা এইটোৱেই প্ৰথম। **দ্বিতীয়তে**, বিভাগে ইয়াৰ উপৰিও ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ যোগেদি অধিক উৎপাদন ক্ষম গাই গৰু বিতৰণ কৰি আহিছে। 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত গাই গৰু পালনৰ যোগেদি অধিক গাখীৰ উৎপাদনত বিশেষ গুৰুত্ব দিয়া হৈছে। ইয়াৰ যোগেদি গো-পালক সকলক ঋ ণ আৰু ৰাজ-সাহাৰ্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। **তৃতীয়তে,** উৎপাদিত গাখীৰৰ উৎপাদনকাৰী সকলক সংগঠিত কৰি উৎপাদন বৃদ্ধিৰ লগতে অধিক লাভৱান কৰি তুলিবলৈ বিভাগে ইতিমধ্যে ৩৮১ খন দুগ্ধ উৎপাদক সমিতি (DCS) গঠন কৰিছে। অহা ৭ বছৰৰ ভিতৰত এনে আৰু ৪৬০ খন দুগ্ধ উৎপাদক সমবায় সমিতি বিশ্ব বেংকৰ অৰ্থ সাহাৰ্যৰে গঠন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দুগ্ধ বিপননৰ সুবিধাৰ্থে এই সমবায় সমিতি সমূহক বিভিন্ন যন্ত্ৰ-পাতি, সঁজুলি আৰু আচবাবৰ যোগান ধৰাৰ উপৰি ৬৭ টা দুগ্ধ সংগ্ৰহ কেন্দ্ৰ (Milk Collection Centre), ৫৮টা Bull Milk Cooling Centre স্থাপন কৰাৰ লগতে দুগ্ধ উৎপাদক সকলক ১৬৫৫ খন Bicycle আৰু ৩৩১০ টা ২০ লিটাৰ ধাৰণ ক্ষম গাখীৰ বিপনন পাত্ৰৰ যোগান ধৰা হৈছে। ইয়াৰ উপৰি TSP আৰু SCCP আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনতো বহুতো মহিলা তথা যুৱক-যুৱতীক উৎপাদন ক্ষম গাই গৰু যোগান ধৰা হৈছে। **চতুৰ্থতে,** ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত Dairy Entrepreneurs Development Scheme(DEDS) ৰ যোগেদি ২০১৭-১৮ বৰ্ষত এতিয়ালৈকে প্ৰায় ৬৫০ জন যুৱক-যুৱতীক ৪ কোটি টকাৰ ৰাজ-সাহাৰ্য সহ বেংক ঋ ণ প্ৰদান কৰা হৈছে। **পঞ্চমতে,** পশুধনৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি বিভাগৰ অধীনত থকা পশু চিকি ৎসালয়, স্বাস্থ্য কেন্দ্ৰ ইত্যাদি বোৰৰ ক্ষীপ্ৰ গতিত মেৰামতিৰ কাম চলাই থকা হৈছে। পশু চিকিৎসক, ক্ষেত্ৰ সহায়ক আদিৰ খালী পদ সমূহ পূৰণ কৰাৰ লগতে সময়মতে ঔষধ যোগান ধৰা, পশু ধনৰ টীকাকৰণ ইত্যাদিৰ কাম কৰা হৈছে। ইতিমধ্যে, ৰাজ্যখনত পশুধনৰ মাৰাত্মক ৰোগ 'চবকা' নিৰাময় কৰণৰ অভিযান আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে ২০১৭-১৮ বৰ্ষত ৬.৫ কোটিতকৈও অধিক টকা ধাৰ্য কৰা হৈছে। আমি আশা কৰো, ৰাজ্যখনৰ বৃহৎ সংখ্যক নিবনুৱা

যুৱক-যুৱতীয়ে ৰাজ্যখনৰ অতি নিম্ন পৰিমাণৰ দুগ্ধ উৎপাদনৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ পৰা সৃষ্টি হোৱা গাখীৰৰ বৃহৎ বজাৰখন দখল কৰিবলৈ আগবাঢ়ি আহিব। আমি তাৰ বাবে আহ্বান জনাইছো। তাৰ ফলস্বৰূপে অসমত গাখীৰৰ উৎপাদন বৃদ্ধি পোৱাটো নিশ্চিত। ২০৩০ চনৰ ভিতৰত ৰাজ্যখনত গাখীৰ উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ আৰু তাৰ বাবে চৰকাৰে ইতিমধ্যে বিভিন্ন আঁচনি হাতত লৈছে । অধ্যক্ষ মহোদয়, এইখিনি কথাৰ লগতে চৰকাৰৰ যিখিনি সুবিধা আছে সেই বিষয়ে মই জনালো।

**মাননীয় অধ্যক্ষঃ** সদনত আজি তেখেতে ভাল বিষয় এটা raise কৰিছে আৰু আগলৈও এই বিষয়টো আমি চাম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, আপোনাক Undemocratic interference of Deputy Commissioner ৰ যি কথা কোৱা হৈছিল তাৰ গোটেই খিনি তথ্য আমি আনিছো। এই তথ্য খিনি চাই অন্ততঃ ইয়াৰ ওপৰত এটা ব্যৱস্থা লোৱা হয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মোক তথ্য খিনি দি দিব।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা Point of Order আছে।

**মাননীয় অধ্যক্ষঃ** এক মিনিট সময় ৰ'ব। মই এটা কথা কৈ লওঁ।

মই সদনৰ অনুমতি সাপেক্ষে এটা additional item, **Item No. 03 (A)** ল'ব বিচাৰিছো। আজি পুৱা Rules Committee ত এটা নতুনকৈ rule frame কৰিছিলো। সেইটো সদনত lay কৰিবলৈ দিব বিচাৰিছো। যিহেতু এই বাৰ আমাৰ বাজেট Tablet ত দিব, সেই কাৰণে আমি Item No. 03(A) বুলিয়েই Parliamentary Affairs Minister ক Report টো lay কৰি দিবলৈ কৈছো। আপোনালোকে টেবুলত পাব। Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** Hon'ble Speaker Sir, I beg to present the interim Report of the Rules Committee of Assam Legislative Assembly.

**মাননীয় অধ্যক্ষঃ** Thank You. Now, your Point of Order.

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, according to Rule No. 130 (A), Special Motions will get precedence over Resolution. Resolution ৰ Agenda ত প্ৰথমে Pending Resolution আহিব তাৰ পিছত New Resolution সমূহ আহিব। আচলতে, আজিৰ Agenda ত Special Motion টো serial মতে আগত আহিব লাগিছিল তাৰ পিছতহে Resolution সমূহ আহিব লাগিছিল।

**মাননীয় অধ্যক্ষঃ** এই সম্পৰ্কে যোৱা-কালি মই আমাৰ Officials সকলৰ লগত আলোচনাৰ বাবে বহিছিলো। মই চালো যে এইটো এটা Convention ত এনেকৈয়ে চলি আছে। সেই কাৰণে মই কালিয়েই কৈছিলো যে আমি এটা Rule frame কৰিব লাগে যাতে তেনে ধৰণে হয়। আজি Special Mention ৰ ক্ষেত্ৰতো আমাৰ Leader of the Opposition য়ে এখন Notice দিছে। সেই কাৰণে তেখেত সকলক কথা এটাৰ বাবে মাতিছিলো। সি যি কি নহওঁক, আমি এইখিনি কথা তেখেত সকলক মোৰ কাৰ্যালয়ত clarify কৰি দিম। কিন্তু আপুনি যিটো কথা কৈছে, আমিও বিচাৰিছো যে সেইটো ক্ষেত্ৰত এটা Rule frame কৰিব লাগে । কিন্তু, Convention টো এনেকুৱা যে প্ৰথমতে Pending Resolution টো কৰি লৈ আগবঢ়া হ'ব। আপুনি যিটো কৈছে, সেইটো আমি সকলোৱে মিলি যি ভাল দেখো সেই মতে কৰি ল'লে

ভাল হ'ব। মই Pending Resolution খিনি যিমান পাৰো শেষ কৰি গৈ আছিলো। কিন্তু সদায় এজন দুজনে ক'বলৈ ওলাইছে। গতিকে তপন কুমাৰ গগৈ ডাঙৰীয়াই তেওঁৰ যিখিনি আধৰুৱা হৈ আছিল সেই খিনি ক'ব তাৰ পিছত অজন্তা নেওঁগ ডাঙৰীয়ানী আৰু সত্যব্ৰত কলিতা ডাঙৰীয়াই ক'ব। তপন কুমাৰ গগৈ ডাঙৰীয়া, আপোনাক আৰম্ভ কৰিবলৈ কৈছো।

**শ্ৰী তপন কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পবিত্ৰ সদনত সৰ্বসন্মতি ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে যে কোনো কাৰণতে অসম চুক্তি বা চুক্তিৰ ছ নং দফাৰ কোনো ধৰণৰ সংশোধন হ'ব নালাগে। এনে সংশোধনৰ ফলত অসম চুক্তি খনকে অৱমাননা কৰা হ'ব। শ্ৰীআব্দুল খালেক ডাঙৰীয়াই এই বিষয়টোৰ ওপৰত উত্থাপন কৰিছিল। মই ইয়াৰ আগৰ বাৰো এই সম্পৰ্কত বক্তব্য ৰাখিছিলো যে ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হ'ল ছটা বছৰৰ অহিংস পন্থাৰে কৰা আন্দোলনৰ ফলশ্ৰুতিত আৰু তাৰ পিছত এই চৰকাৰ গঠন হৈছিল আৰু আজি ৩২ টা বছৰ চুক্তিখন কাৰ্য্যকৰী কৰিবৰ কাৰণে সকলোৰে অহৰ্নিশে দাবী উৎথাপন কৰি আহিছে। কিন্তু এই ৩২ টা বছৰে চুক্তি খনৰ দফা বিলাক কাৰ্য্যকৰী কৰাৰ বাবে ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰা নহ'ল আৰু সেইকাৰণেই প্ৰত্যেকেই বিচাৰিছে যে অসম চুক্তিখন আখৰে আখৰে পালন কৰা উচিত আৰু আজি ইয়াত অ্না হৈছিল যে অসম চুক্তিৰ লগতে অসম চুক্তিৰ ৬ নং যিটো দফা এই দফাটো যাতে কাৰ্য্যকৰী কৰা হয়। মই এতিয়া আহিছো যে অসম চুক্তিৰ ৬ নং দফা অনুসৰি আমি অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক আইনগত আৰু প্ৰশাসনীয় ৰক্ষা কৱচ দিয়া হ'ব। সেয়ে অসম চুক্তি অনুসৰি ৬ নং দফাত এই কথাখিনিৰ উল্লেখ আছে আৰু এই কথাখিনিৰ ভিতৰত যিহেতু অসম চুক্তিৰ স্বাক্ষৰক াৰী আছিল সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদ। অসমবাসী ৰাইজৰ আবাল বৃদ্ধ বালিকা সকলোৰে জাতি ধৰ্ম নিৰ্ব্বিশেষে এই চুক্তিখন কাৰ্যকৰী হোৱাটো বিচাৰিছে আৰু সকলোৰে আন্দোলনত অংশগ্ৰহণ কৰিছিল আৰু সকলোবোৰ দলে এই চুক্তিখন কাৰ্য্যকৰী হোৱাটো বিচাৰিছে। এতিয়া এই চুক্তিখন কাৰ্য্যকৰী কৰিবলৈ যাওঁতে বিভিন্ন সময়ত যিহেতু Nodal Ministry আমাৰ Home Ministry, কেন্দ্ৰীয় চৰকাৰৰ আৰু Nodal Ministry ৰ লগত বিভিন্ন সময়ত এই বিষয়ত আলোচনা হৈছে আৰু সেই আলোচনা মৰ্মে অসম চুক্তিৰ ৬ নং দফাটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। আজি মই আগৰ কথাখিনি নকওঁ যে ২০০০ চনৰ ১০ এপ্ৰিল তাৰিখে সেই সময়ত Join Secretary, Nort East ৰ G.K.Pillai ডাঙৰীয়াৰ নেতৃত্বত ত্ৰিপাক্ষিক আলোচনা হৈছিল যি বিষয়া পৰ্য্যায়ৰ আলোচনা। এই আলোচনাত সদৌ অসম ছাত্ৰ সন্থাৰ তিনিজন, অসম চৰকাৰৰ তিনিজন আৰু কেন্দ্ৰীয় চৰকাৰৰ তিনিজন, তাত অসম বাসী ৰাইজৰ এটা দাবী আছিল যে অসমীয়া মানুহখিনিক সাংবিধানিক ৰক্ষা কবচ দিব লাগে। যিহেতু ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগলৈকে যিসকল ইয়াত আহিছিল, থাকিব পাৰিব। সেই খিনি অসমীয়া আৰু সেইখিনিক আইনগত ভাৱে আমি সকলোৰে আকোৱালি লৈছো আৰু ১৯৭১ চনৰ আগৰ খিনিক যিহেতু আকোৱালি ললো, সেইখিনিৰ দায়িত্ব যিহেতু আমি অসমে গ্ৰহণ কৰিলো তাৰ বিনিময়ত আমি বিচাৰিছো যে আমাক সাংবিধানিক ৰক্ষা কবচ লাগে আৰু সেই সাংবিধানিক ৰক্ষা কবচ পাবৰ কাৰণে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যি ত্ৰিপাক্ষিক বৈঠক হৈছিল সেই ত্ৰিপাক্ষিক বৈঠকত কথাখিনি উল্লেখ হৈছিল আৰু ২০০০ চনৰ ১০ এপ্ৰিল তাৰিখে G.K.Pillai ডাঙৰীয়াৰ নেতৃত্বত হোৱা সেই আলোচনাত যে অসমীয়া মানুহক সাংবিধানিক ৰক্ষা কবচ দিব অৰ্থাৎ আসন সংৰক্ষণ আমি অসমীয়া মানুহৰ কাৰণে বিচাৰিছিলো যাতে ১০০ শতাংশ আমি স্থানীয় নিকায়,

বিধান  সভা লোকসভা সকলোতে যাতে অসমীয়া মানুহৰ বাবে আমি আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰো। সৰ্বকালৰ বাবে যদি অসমীয়া মানুহে শাসন কৰাৰ অধিকাৰ পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। G.K.Pillai ডাঙৰীয়াৰ নেতৃত্বত যি আলোচনা হৈছিল সেই আলোচনাই সিদ্ধান্ত গ্ৰহণ কৰিলে যে ইয়াত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব। অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষা কবচ দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি দিলে কিন্তু কোনখিনি মানুহক দিব। সেইদিনা অসম চৰকাৰৰ তৰফৰ পৰা, সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা আমি বিস্তৃত ভাৱে গোটেই কথাখিনি তাত উত্থাপন কৰিছিলো। তেতিয়াৰ অসম চুক্তি বিভাগৰ কমিচনাৰৰ দায়িত্বত আছিল প্ৰফুল্ল চন্দ্ৰ শৰ্মা ডাঙৰীয়া আৰু আজি আমাৰ ইয়াত উপস্থিত থকা আমাৰ সকলোৰে শ্ৰদ্ধাৰ মাননীয় শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী আসনত আছিল আৰু তেতিয়া প্ৰফুল্ল শৰ্মা ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ G.K.Pillai ডাঙৰীয়াক অনুৰোধ জনালে যে আমাক অসম চৰকাৰৰ কিছু প্ৰয়োজন হ'ব যে অসমীয়াৰ সংজ্ঞা কি হোৱা উচিত। এই সম্পৰ্কত গোটেই কথাখিনি অসম চৰকাৰে আলোচনা কৰি ক'লে যে আমি প্ৰতিবেদন খন দিব পাৰিম আৰু সেই কাৰণে তেওঁলোকে সময় বিচাৰিছিল। তাৰ পিছত বহু বছৰ বাগৰি গ'ল। তাৰপিছত ২০০৫ চনৰ ৫ মে তাৰিখে প্ৰধান মন্ত্ৰীৰ ওচৰত ত্ৰিপাক্ষিক আলোচনা হৈছিল। ১৬ বছৰৰ পিছত প্ৰধানমন্ত্ৰীৰ ওচৰত ত্ৰিপাক্ষিক আলোচনা হ'ল। এই আলোচনাত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে অসম চুক্তি কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব, অসম চুক্তি অনুসৰি ক্লজ ৬ ত আমি যিখিনি কথা উল্লেখ কৰিছিলো তাত আছিল যে  স্থা নীয় নিকায়, বিধান সভা, সংসদৰ এশ শতাংশ অসমৰ খিলঞ্জীয়া মানুহৰ বাবে আসন সংৰক্ষণ, অসমত কেৱল খিলঞ্জীয়া, অসমীয়া মানুহৰ হাততে মাটিৰ অধিকাৰ প্ৰদান, ভূমি আৰু সম্পদৰ ওপৰত অধিকাৰ, অসমক বিশেষ সাংবিধানিক মৰ্য্যদা প্ৰাদান, দ্বৈত নাগৰিকত্ব প্ৰৱৰ্তনৰ ব্যৱস্থা, ইনাৰ লাইনৰ ব্যৱস্থা, অসমৰ সত্ৰ  সমূহৰ সংৰক্ষণ আৰু উন্নয়ন, বুৰঞ্জী প্ৰসিদ্ধ স্থান আৰু কৃতি চিহ্ন সমূহৰ সংৰক্ষণ, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো কাৰ্য্যলয়ৰ এশ শতাংশ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ নিবনুৱা যুৱক যুৱতীৰ মকৰল কৰাকে ধৰি বিভিন্ন পৰামৰ্শ সেই আলোচনাত উৎথাপন কৰা হৈছিল আৰু এইখিনি এতিয়া minutes হিচাপে আমাক কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে আৰু এইখিনি আলোচনা হৈছে আৰু এইখিনি কাৰ্যকৰী কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে, অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। তাৰপিছত আমি দেখিলো যে এইখিনি আলোচনা চলি থকা অৱস্থাত আজি আমাৰ ইয়াত উপস্থিত আছে অসম চৰকাৰৰ সেইসময়ৰ অধ্যক্ষ শ্ৰী প্ৰণৱ গগৈ ডাঙৰীয়া। তেখেতে এটা সুন্দৰ পদক্ষেপ গ্ৰহণ কৰিছিল যে ৬ নং দফা অনুসৰি আমি তেতিয়া উত্থাপন কৰিছিলো যে অসমীয়া মানুহক সাংবিধানিক ৰক্ষা কবচ প্ৰদান কৰিব লাগে আৰু অসমীয়া কোন বুলি কেন্দ্ৰীয় চৰকাৰে যেতিয়া সংজ্ঞা বিচাৰিছিল সেই সংজ্ঞাটোৰ ওপৰত তেখেতে ৫৩ টা organization ক আমন্ত্ৰণ জনাই বিভিন্ন কেইবালানিও আলোচনা তেওঁ কৰিছিল আৰু তাৰ আগতে অসম চৰকাৰৰ তৰফৰ পৰা অসম সাহিত্য সভাকে ধৰি অসমৰ বিভিন্ন জনগোষ্ঠীৰ যি সাহিত্য সভা আছে আৰু সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন organization আছে সকলোকে অসমীয়াৰ সংজ্ঞা দিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা আহ্বান জনাইছিল আৰু তেতিয়া অসমীয়া সংজ্ঞা দিবৰ কাৰণে যি আহ্বান জনাইছিল বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাই 'আমি অসমীয়া' সংজ্ঞা তেওঁলোকে অসম চৰকাৰক দিছিল। কিন্তু অসম চৰকাৰে সেই সময়ত কোনো ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিলে আৰু শেষ পৰ্য্যায়ত শ্ৰী  প্ৰণৱ গগৈ ডাঙৰীয়াই এটা সিদ্ধান্ত গ্ৰহণ কৰিবৰ কাৰণে সকলোকে আমন্ত্ৰণ জনাইছিল। প্ৰায় ৫ লানি

আলোচনাত আমি অংশগ্ৰহণ কৰিছিলো। আমি নিজেই তাত উপস্থিত আছিলো আৰু সেই আলোচনাৰ অন্তত অসম বিধান সভাৰ মজিয়াত এই গোটেই বিষয়টো অৰ্থাৎ তেখেতে ৩১-০৩-২০১৫ ত এই পবিত্ৰ সদনত অসমীয়াৰ সংজ্ঞা কি হোৱা উচিত এই সম্পৰ্কত এখন প্ৰতিবেদন তেখেতে উল্লেখ কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে অসমীয়া সংজ্ঞা ৰ সম্পৰ্কত উত্থাপিত অধ্যক্ষ ডাঙৰীয়াৰ সেই প্ৰতিবেদন এইখন পবিত্ৰ সদনে কিন্তু আলোচনা কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ নকৰি্লে। সেই সময়ত কংগ্ৰেছ চৰকাৰ শাসনত আছিল। তেওঁলোকে কোনোধৰণৰ ব্যৱস্থাই গ্ৰহণ নকৰিলে যাৰ কাৰণে আজিলৈকে অসমীয়াৰ সংজ্ঞা নিৰূপন কৰিব পৰা নহ'ল। এই কথাটো কিন্তু অতিকৈ দুখজনক কথা, দুৰ্ভাগ্যজনক কথা। এই কথাখিনি আমি প্ৰত্যেকেই আচলতে চকু দিয়া উচিত। কিন্তু তাৰ লগে লগে আপোনালোকে জানে যে আমাৰ অসমীয়াৰ সংজ্ঞা সম্পৰ্কে কেইবাটাও কথা বিভিন্ন সময়ত আলোচনা হৈ আছে। কোনখিনি মানুহ অসমীয়া বুলি ক'ব। বিভিন্ন জনে বিভিন্ন পৰামৰ্শ আগবঢ়াই আহিছে। কোনোবাই কৈছে যে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল। ইয়াণ্ডাবু সন্ধিৰ সেই চনটোত আচলতে অসমীয়াৰ সংজ্ঞা নিৰূপনৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজিৰ তাৰিখত এইটো কোনো কাৰণতে প্ৰাসঙ্গিক নহয়। এই কথাটো আমি সদৌ অসম ছাত্ৰ সন্থাত থাকোতে সেই সময়ত উল্লেখ কৰা হৈছিল আৰু সদৌ অসম ছাত্ৰ সন্থাই স্পষ্ট ভাৱে এইটো কৈছিল যে ১৮২৬ চনটো কেতিয়াও প্ৰাসঙ্গিক হ'ব নোৱাৰে। ইয়াৰ ভিতৰতে আহিলে যে ভাৰতবৰ্ষ স্বাধীন হৈছিল ১৯৪৭ চনত। ১৯৪৭ চ নটো ধৰিব লাগে। আজিৰ তাৰিখত ১৯৪৭ চনটো প্ৰাসঙ্গিক নহয়। আহিলে ১৯৫০ চন। যিহেতু ১৯৫০ চনটো প্ৰাসঙ্গিক নহয় সেইকাৰণে আহিলে যে ১৯৫১ চন অৰ্থাৎ ভাৰতবৰ্ষৰ ভিতৰত কেৱল অসমতেই ১৯৫১ চনতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰা হৈছে আৰু সেই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত যিসকল লোকৰ নাম আছে সেই লোক সকলৰ সতি সন্ততি সহ সকলোকে অসমীয়া হিচাবে গন্য কৰিব লাগে। বিভিন্ন জাতি জনগোষ্ঠী, বিভিন্ন ধৰ্মাৱলম্বী সকলো সম্প্ৰদায়ৰ নাম আছে ১৯৫১ চনতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত আৰু এই কাৰণে ১৯৫১ চনতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী খনত আচলতে অসমীয়াৰ সংজ্ঞা হিচাবে নিৰূপন কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই কথাখিনি বিভিন্ন আলোচনা হওঁতে কৈছিল আৰু এই পবিত্ৰ সদনত ২০১৫ চনত এই কথাখিনি আচলতে আলোচনা কৰি এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে সকলো জাতি জনগোষ্ঠীয়ে সমৰ্থন জনাইছিল প্ৰণৱ গগৈ ডাঙৰীয়াৰ এই উদ্যোগক। মই আশা ৰাখিম যে ভৱিষ্যতৰ দিনত আমি অসমীয়া জাতিটো ৰক্ষা কৰিবৰ কাৰণে, অসম খনক ৰক্ষা কৰিবৰ কাৰণে আচলতে অসমীয়াৰ সংজ্ঞা নিৰূপন কৰাৰ ক্ষেত্ৰত পবিত্ৰ সদনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰ লগে লগে আমি যিখিনি কথা তাত উল্লেখ কৰিছিলো যে আমাৰ সকলোকে ১০০ শতাংশ সাংবিধানিক ৰক্ষা কবচ লাগে। স্থানীয় নিকায়, বিধান সভা, লোক সভা এই যে আসন সংৰক্ষণ আমাক দিব কিমান শতাংশলৈকে ? আসন সংৰক্ষণ দিয়া কথাটো বিভিন্ন সময়ত আলোচনা হৈছে। Law Department ৰ মানুহ তাত উপস্থিত আছিল, Joint Secretary সমূহৰ নেতৃত্বত বিভিন্ন সময়ত আলোচনা হৈছিল যে কিমান শতাংশ অসমীয়া মানুহক সাংবিধানিক ৰক্ষা কবচ দিয়াৰ ক্ষেত্ৰত, আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ কাৰণে percentage কিমান হ'ব সেই পৰ্য্যায়লৈকে আলোচনা আগবাঢ়িছিল। মই আশা ৰাখিম এতিয়া কেন্দ্ৰীয় চৰকাৰৰ Home Ministry ৰ আজি আকৌ পুনৰ বাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যি আলোচনা প্ৰক্ৰিয়া আৰম্ভ হৈছে এই আলোচনা প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰৰ তিনিজন, অসম চৰকাৰৰ তিনিজন, সদৌ অসম ছাত্ৰ সন্থাৰ তিনিজন অৰ্থাৎ বিষয়া পৰ্য্যায়ত যি আলোচনা অনুষ্ঠিত হ'ব এই আলোচনাই এটা গতি লবৰ

কাৰণে ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিব। আমি এইক্ষেত্ৰত সকলোৱে ফলপ্ৰসু ভাৱে আগবঢ়াটো বিচাৰিম। তাৰ লগে লগে আমি বিচাৰিছো যে ৩২ বছৰে যিখিনি কাৰ্য্যকৰী নহ'ল সেইখিনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে অৰ্থাৎ অসম চুক্তিখন কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সীমাচীল কৰিবৰ কাৰণে ব্যৱস্থা আছিল। যোৱা ৩২ বছৰে সীমাচীল কৰিবৰ কাৰণে যিখিনি ব্যৱস্থা ল'ব লাগিছিল তেনেধৰণৰ ব্যৱস্থা আচলতে গ্ৰহণ কৰিব পৰা নহ'ল। **২৬৩** কিলোমিটাৰ আমাৰ এই ভাৰত বাংলাদেশ সীমান্ত। অসম চেক্টৰত ধুবুৰী চেক্টৰ আৰু কৰিমগঞ্জ চেক্টৰত আছে. এই **২৬৩** কিলোমিটাৰ যি সীমা আছে, এই সীমাটো চীল কৰিবৰ কাৰণে **১৯৮৫** চনৰ পৰা আজিৰ তাৰিখলৈকে যেনেধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, তেনেধৰণে কৰিব নোৱাৰিলো। আমি বিচাৰিছো যে, পঞ্জাৱ চেক্টৰত যেনেকৈ পাকিস্থানৰ সীমা যেনেকুৱা ধৰণৰ আছে, আমি তেনেধৰণৰ কাটাতাৰৰ বেৰ দিয়াৰ ব্যৱস্থা আমি অসমবাসী ৰাইজে বিচাৰিছে। আমি আশা ৰাখিম যে, আমাৰ বৰ্তমানৰ চৰকাৰে এই বছৰৰ ভিতৰত সীমা চীল কৰিবৰ কাৰণে ইতিমধ্যে যি প্ৰতিশ্ৰুতি দিছো সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে আমি সক্ষম হ'ব পাৰিম। ৪২ কিলোমিটাৰ তাত নদী অঞ্চল আছে। সেই নদী অঞ্চললেদি যাতে কোনো অবৈধ বাংলাদেশী সোমাই আহিব নোৱাৰে, নদী অঞ্চলত যাতে পহৰাৰ ব্যৱস্থা কৰা হয়, তাত যাতে Parmanent BOP দি যাতে পহৰাৰ ব্যৱস্থা কৰা হয়, এই কথাখিনিও বিভিন্ন সময়ত তাত আলোচনা হৈছে আৰু এই কাৰণে আমি এই বছৰটোতে এই গোটেই কথাখিনি এটা ব্যৱস্থা গ্ৰহণ কৰিব বুলি, এইখিনি হব বুলি আমি আশা ৰাখিছো। চুক্তি অনুসৰি আৰু এটা ব্যৱস্থা গ্ৰহণ কৰা কথা আছিল। যোৱা ৩২ টা বছৰে এই কথাখিনি নহ'ল। Second line of Defence.কেন্দ্ৰীয় চৰকাৰে কৈছে যে, Second line of Defence গঠন কৰা হ'ব আৰু এই Second line of Defence গঠন কৰি BSF যেতিয়া Borderত থাকিব, BSF পাৰ হৈ যদি কোনোবা অবৈধ বাংলাদেশী সোমাই, তেতিয়াহ'লে Second line of Defence য়ে এইখিনিক কৰায়ত্ব কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু আমি দেখিলো যে, যোৱাবছৰ কেইটাত, যোৱা ৩২ টা বছৰে Second line of Defence গঠন কৰিব কাৰণে কোনো ধৰণৰ ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰিব পৰা নহ'ল। কোনেও নকৰিলে। কিন্তু Border ত যেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, Border ত ৰাখিব লাগিছিল, এইখিনি Specially Border ত ৰখাৰ কাৰণে ব্যৱস্থা আছিল। কিন্তু Border ত ৰখাৰ কোনো ধৰণৰ ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰা নহ'ল। সেই কাৰণে এই ব্যৱস্থাটো আচলতে ভৱিষ্যত দিনত আমি আশা ৰাখো যে, আমাৰ চৰকাৰে এতিয়া কৈছে যে, আমি Second line of Defence গঠন কৰি এইখিনি ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিম। এই কথাখিনি ইতিমধ্যে কোৱা হৈছে। আমি অসম চুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা বহুত কিবা-কিবি পাইছো। এইখিনি কথা উল্লেখ কৰিব বিচাৰিছো। আজি আপোনালোকে জানে, নুমলীগড় ৰিফাইনেৰী অসম চুক্তি অনুসৰি আহিছে, আজি শংকৰদেৱ কলাক্ষেত্ৰত অসম চুক্তি অনুসৰি আমি পাইছো। IIT Guwahati আজি আমি পাবৰ কাৰণে সক্ষম হৈছো। তেজপুৰ বিশ্ববিদ্যালয় অসম চুক্তি অনুসৰি পাইছো। অসম বিশ্ববিদ্যালয় অসম চুক্তি অনুসৰি আমি পাইছো, গেছ ক্ৰেকাৰ প্ৰকল্প অসম চুক্তি অনুসৰি হৈ আছে। বগীবিল ব্ৰীজ আজি অসম চুক্তি অনুসৰি হৈ আছে। অৰ্থাৎ অসম চুক্তিয়ে অসমবাসী ৰাইজক ক্লজ ছিক্স আৰু ক্লজ চেভেন এই দুটাত আমাক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হব পৰাকৈ অৰ্থ নৈতিক ভাৱে আগবাঢ়িবৰ কাৰণে আৰু আমাৰ অসমীয়া মানুহক প্ৰশাসনীয় ৰক্ষা কবচ এই গোটেইখিনি দিয়াৰ ক্ষেত্ৰত অসম চুক্তিয়ে ৰক্ষণাবেক্ষণ দি আহিছে আৰু সেই কাৰণে অসম চুক্তিখন কাৰ্য্যকৰী হোৱাটো

আমি প্ৰত্যেকেই বিচাৰো। অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই, আমাৰ যিখন বিদেশী বহিষ্কাৰ কৰিবৰ কাৰণে যিখন হাৰ্ড ৰোল আছিল, যিখন আইন আছিল, IMDT Act (Illegal Migrants Determination by Tribunal ) Act, এই IMDT খন অসম চুক্তি অনুসৰি এইখন বাতিল কৰিবৰ কাৰণে বিভিন্ন সময়ত দাবি উত্থাপন কৰি আহিছে। কিন্তু এই IMDT আইনখন বাতিল কৰিবৰ কাৰণে অ্সম চুক্তি অনুসৰি কোনেও কিন্তু ফলপ্ৰসু ব্যৱস্থা আচলতে গ্ৰহণ কৰা নাছিল আৰু সেই কাৰণে বিভিন্ন কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে কয় যে, IMDTআইনখন থকাৰ কাৰণে আমি অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰিব পৰা নাই। চিনাক্তকৰণ কৰিব পৰা নাই। এই আইনখন আচলতে বাতিল হ'ব লাগে। বিভিন্ন সময়ত আলোচনা চলি থকা অৱস্থাত অসমৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই মহামান্য চুপ্ৰিম কোৰ্টত IMDTআইনখন বাতিল কৰিবৰ কাৰণে এটা কেছ তৰিছিল। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল বনাম কেন্দ্ৰীয় চৰকাৰ। ২০০৫ চ নৰ ১২ জুলাই তাৰিখে মহামান্য চুপ্ৰিম কোৰ্টে অৰ্থাৎ উচ্চতম ন্যায়ালয়ে এই আইনখন বাতিল কৰিবৰ কাৰণে ২০০৫ চনৰ ১২ জুলাই তাৰিখে এটা ৰায় প্ৰদান কৰিলে আৰু সেই ৰায় অনুসৰি অসমৰ পৰা IMDT আইনখন বাতিল কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিলে আৰু এই আইনখন বাতিল কৰাৰ পাছত, তাৰ পাছতো অসমৰ পৰা অবৈধ বিদেশী চিনাক্তকৰণ কৰি বহিষ্কাৰ কৰিবৰ কাৰণে কোনো ধৰণৰ ফলপ্ৰসু কিন্তু ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ২০০৫ চনৰ পৰা আপোনালোকে দেখিছে যে, ২০০৫ চনত ইয়াত কংগ্ৰেছে শাসন কৰি আছিল আৰু ২০০৫ চনৰ ৫ মে' তাৰিখে প্ৰধানমন্ত্ৰীৰ লগত আলোচনা হৈছিল। সেই আলোচনাৰ সিদ্ধান্ত বিলাক আচলতে কাৰ্য্যকৰী কৰিবৰ কাৰণে কোনো ধৰণৰ ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ নকৰিলে। তাত আৰু কি কি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তাত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে, অসম চুক্তি অনুসৰি অসমবাসী ৰাইজৰ দাবী আছিল যে, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন উন্নীতকৰণ কৰিব লাগে। সেই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰিবৰ কাৰণে ব্যৱস্থা আচলতে গ্ৰহণ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নতিকৰণৰ কাৰণে কেইবাবাৰো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেইবাবাৰো ব্যৱস্থা গ্ৰহণ কৰি পাইলট প্ৰজেক্টৰ কাম আৰম্ভ কৰিবৰ কাৰণে ইয়াত সিদ্ধান্ত দিয়া হৈছে। প্ৰথম কম্পিউটাৰ কিনিবৰ কাৰণে পইচা দিছে। ধুবুৰীত পাইলট প্ৰজেক্টৰ কাম আৰম্ভ কৰিবৰ কাৰণে দিয়া হৈছে। কিন্তু সেই কামটো আধৰুৱা হৈ থাকিল । নহ'ল। তাৰ পাছতে ২০০৫ চনৰ সিদ্ধান্ত অনুসৰি দুইবছৰৰ ভিতৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ কাম চেপ্তেম্বৰত আৰম্ভ কৰিব আৰু দুই বছৰৰ ভিতৰত কাম সম্পুৰ্ণ কৰিব। কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ, সদৌ অসম ছাত্ৰ-সন্থাৰ মাজত আলোচনাত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। অৰ্থাৎ ২০০৫ চনৰ চেপ্তেম্বৰৰ পৰা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম আৰম্ভ কৰিব আৰু ২০০৭ চনৰ চেপ্তেম্বৰত শেষ কৰিব। কিন্তু অসম চৰকাৰে সেই সময়ত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে, মনিটৰ নকৰিলে যাৰ কাৰণে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কামটো সেইসময়ত ৰৈ গ'ল। তাৰ পাছতে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক ক'লে যে, ৰাষ্ট্ৰীয়. নাগৰিকপঞ্জী উন্নীতকৰণৰ কৰিবৰ কাৰণে পাইলট প্ৰজেক্টৰ কাম আৰম্ভ কৰিব লাগে আৰু এই পাইলট প্ৰজেক্ট দুটা বৰপেটা আৰু ছয়গাওঁত পাইলট প্ৰজেক্টৰ কাম আৰম্ভ কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ল। কিন্তু ব্যৱস্থা গ্ৰহণ কৰাৰ পাছত অবৈধ বাংলাদেশীক যিসকলে ৰক্ষণা-বেক্ষণ দি থাকে অবৈধ বাংলাদেশী ৰক্ষক সকলৰ নেতৃত্বত বৰপেটাত এটা আন্দোলন আৰম্ভ কৰিলে যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ

উন্নীতকৰণৰ যিটো পাইলট প্ৰজেক্ট, পাইলট প্ৰজেক্টটো ধ্বংস কৰিবৰ কাৰণে অবৈধ বাংলাদেশীক যিসকলে ৰক্ষণা-বেক্ষণ দি থাকে, সেই সকলৰ নেতৃত্বত আন্দোলন হ'ল আৰু সেই আন্দোলনটো হোৱাৰ ২৪ ঘণ্টাৰ পাছত অসমৰ মাননীয় মুখ্যমন্ত্ৰী, সেই সময়ৰ শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই পাইলট প্ৰজেক্টৰ কাম বন্ধ কৰি দিলে। তাতকৈ দুৰ্ভাগ্যজনক কথা কিন্তু একো হ'ব নোৱাৰে। অৰ্থাৎ অবৈধ বাংলাদেশীৰ ওচৰত আঠুলৈ অবৈধ বাংলাদেশীৰ ৰক্ষণা-বেক্ষণ যিসকলে দি আছিলে সেই সকলৰ ওচৰত আঠু লৈ ২৪ ঘণ্টাৰ ভিতৰত এন আৰ চি উন্নীতকৰণৰ যিটো পাইলট প্ৰজেক্ট আছিল, সেই পাইলট প্ৰজেক্টৰ কাম বন্ধ কৰি দিয়া হ'ল। তাতকৈ দুৰ্ভাগ্যজনক কথা কি হ'ব পাৰে? চুপ্ৰিম কোৰ্টে অৰ্থাৎ Assam Public Works. Assam Public Works য়ে চুপ্ৰিম কোৰ্টত এখন আবেদন জনালে যে, এন আৰ চি সম্পৰ্কত। চুপ্ৰিম কোৰ্টৰ তৰফৰ প ৰা কেইবাটাও গ্ৰুপক পাৰ্টি কৰিলে। সদৌ অসম ছাত্ৰ-সন্থাক চুপ্ৰিম কোৰ্টে পাৰ্টি কৰিলে যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কৰিবৰ কাৰণে আৰু অসম চুক্তি অনুসৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কৰিব লাগে। এই সম্পৰ্কত চুপ্ৰিম কোৰ্টে সদৌ অসম ছাত্ৰ-সন্থাৰ পৰা সেই সময়ত এফিডেফিডত বিছাৰিলে, অসম চৰকাৰৰ পৰাও এফিডেফিড বিচাৰিছে, ইলেকশ্যন কমিশ্যনাৰৰ পৰাও এফিডেফিড বিচাৰিছে। বিভিন্ন জনৰ পৰা এফিডেফিড বিচাৰিছে। দুটা কেছ তাত কৰা হৈছে। এটা হৈছে এন আৰ চি আৰু এটা হৈছে যে, ১৯৭১ টো কিয় কৰা হ'ল? ১৯৫১ টো কিয় কৰা নহ'ল? এই সম্পৰ্কতো এফিডেফিড বিচাৰিছে আৰু মহামান্য উচ্চতম ন্যায়ালয়ে এতিয়া, জাষ্টিছ শ্ৰী ৰঞ্জন গগৈ আৰু নেৰিমানৰ আদালতত এই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীত কৰণৰ গোটেই কেছটো তাত চলি আছে। সেই সময়ত এই অভাজন সদৌ অসম ছাত্ৰ-সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিলো, তেতিয়া নিজেই আমি এফিডেফিড দিছিলো আৰু সেই এফিডেফিড দিয়াৰ পাছত বহুত আলোচনা তাত হৈছে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ, সদৌ অসম ছাত্ৰ-সন্থা , আমছু , এ পি ডব্লিউ বা বিভিন্ন জনে নিজৰ তাত উকিল থিয় কৰাইছিল । আৰু প্ৰত্যেকেই নিজৰ নিজৰ বক্তব্য ৰাখিছে চুপ্ৰিম কোৰ্টত আৰু চুপ্ৰিম কোৰ্টৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীত কৰণৰ কাম চলি আছে। প্ৰথম পৰ্য্যায়ৰ ইতিমধ্যেই খচৰা তাত প্ৰকাশ পাইছে, আৰু দ্বিতীয় পৰ্য্যায়ৰ খচৰা প্ৰকাশ পাব। এইখিনি চুপ্ৰিম কোৰ্টৰ তত্ত্বাৱধানত চলি আছে।

**ম্াননীয় উপাধ্যক্ষ ঃ** গগৈ ডাঙৰীয়া অলপ চমু কৰিলে ভাল হয় আৰু দুজন মাননীয় সদস্য আছে।

**শ্ৰী তপন কুমাৰ গগৈ, (সোণাৰি) ঃ** সেই কাৰণে আমি আশা ৰাখিম যে বৈধ ভাৰতীয় নাগৰিকৰ নাম সন্নিবিষ্ট এখন প্ৰকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আমি অসমবাসী ভাৰতবাসী ৰাইজে পাবৰ কাৰণে সক্ষম হব পাৰিম। অৰ্থাৎ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত যিসকল লোকৰ নাম আছে, সেই লোক সকলৰ সতি-সন্ততিসহ ১৯৭১ চনৰ ভোটাৰ তালিকাত যিসকলৰ নাম আছিল, এই লোকসকললৈকে উন্নীতকৰণ কৰিবৰ কাৰণে ব্যৱস্তা গ্ৰহণ কৰা হৈছে।. বিভিন্ন সময়ত তাত এটা প্ৰতিক্ৰিয়া হৈছিল, অৰ্থাৎ যে, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন দহ বছৰৰ মুৰে মুৰে উন্নীতকৰণ হ'ব লাগিছিল, কিন্তু ১০ বছৰৰ মুৰে মুৰে উন্নীতকৰণৰ নকৰাৰ কাৰণে আজি এই অৱস্থাটোৰ সৃষ্টি হৈছে। সেই কাৰণে আমি বিচাৰিচো যে, এখন বৈধ ভাৰতীয় নাগৰিকৰ নাম সন্নিবিষ্ট নাগৰিকপঞ্জী পাবৰ কাৰণে আমি সক্ষম হ'ব পাৰিম। আমি ১৯৫১ চনৰ এন আৰ চিত যিসকল লোকৰ নাম নাই, সেইলোক সকলে ১৯৫২ চনৰ ভোটাৰ তালিকাত যিসকল লোকৰ নাম আছে, সেই সকল তাত সন্নিবিষ্ট হ'ব, ১৯৫২ চনৰ ভোটাৰ তালিকাত যদি কাৰোবাৰ নাম নাথাকে, ১৯৫৭ ভোটাৰ

তালিকাত নাম সন্নিবিষ্ট থাকিব, ১৯৫৭ ভোটাৰ তালিকাত নাম নাথাকিলে ১৯৬২ ভোটাৰ তালিকাত থাকিব, অৰ্থাৎ ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ মাজত যিমান ভোটাৰ তালিকা আছে, সকলো তাত ক্লাব কৰা আছে। সেই কাৰণে কোনো বৈধ ভাৰতীয় নাগৰিকে কেতিয়াও শংকা প্ৰকাশ কৰিব নালাগে, কথাটো বিভিন্ন সময়ত আলোচনা হৈছে, চুপ্ৰিম ক'ৰ্টত এই বিলাক কথা কোৱা হৈছে। ছুপ্ৰিম ক'ৰ্টৰ তত্বাৱধানত যিহেতু কামটো চলি আছে। আমি আশা ৰাখিছো যে আমাৰ বৈধ ভাৰতীয় নাগকিৰ নাম সন্নিবিষ্ট এখন প্ৰকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী পাবৰ কাৰণে আমি সক্ষম হব পাৰিম। এই কথা খিনি আমি প্ৰত্যেকেই উপলব্ধি কৰিছো। সেই কাৰণে মই আৰু বেছি দীঘলীয়া নকৰো, মই চমুৱাই আনিব বিচাৰিছো। আমি বিচাৰিছো যে সৰ্বকালৰ কাৰণে অসমীয়া মানুহে শাসন কৰাৰ অধিকাৰটো যাতে আমাৰ প্ৰত্যেকৰে থাকে, প্ৰত্যেকে পাব পাৰো। তাৰ কাৰণে কিন্তু অসমীয়া মানুহক সাংবিধানিক ৰক্ষা- কবচৰ কিন্তু প্ৰয়োজন হব। এই সাংবিধানিক ৰক্ষা-কৱচ পাবৰ কাৰণে বা আসন সংৰক্ষণৰ ব্যৱস্থা কৰিবৰ কাৰণে পবিত্ৰ সদনে অসমীয়াৰ সংজ্ঞা নিৰূপন কৰিবৰ কাৰণে আমি কিন্তু ব্যৱস্থা ভৱিষ্যতৰ দিনত গ্ৰহণ কৰিব লাগিব। এই আহ্বান আমি ৰাখিছো। আজি আমাৰ যিমান বিলাক কথা ক্লজ- **৬** মতে আছে, ক্লজ **৬** মতে আজি সত্ৰসমূহৰ কথা আছে, আমাৰ পুৰণি বুৰঞ্জী প্ৰসিদ্ধ স্থান বিলাকৰ কথা আছে। কীৰ্তিচিহ্ন বিলাকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে পইচা দিছে। সদৌ অসম ছাত্ৰ সন্থাক ক্লজ- **৬** অনুসৰি এই পইচা দিয়া হৈছে। সদৌ অসম ছাত্ৰ সন্থাক ক্লজ-**৬** অনুসৰি যিখিনি দাবী উথাপন কৰিছিল, কেন্দ্ৰীয় চৰকাৰে সেই দাবী মতেই এই পইচাখিনি দিছে। **২০০০** চনৰ **১০** এপ্ৰিল তাৰিখে সদৌ অসম ছাত্ৰ সন্থাৰ ফালৰ পৰা প্ৰায় **৬০০** সত্ৰ আৰু পুৰণি কীৰ্তি-চিহ্ন নাম সম্বোধিত এখন প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিয়া হৈছিল আৰু সেই যিখন পত্ৰ দিয়া হৈছিল, সেই প্ৰতিবেদনত প্ৰায় **৬০০** আমাৰ সত্ৰ আছে বুৰঞ্জী প্ৰসিদ্ধ ঠাই আছে আৰু আমাৰ কীৰ্তি-চিহ্ন আছে, সেই কথাখিনি আজিও লিপিবদ্ধ হৈ আছে। এতিয়া কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত সত্ৰ সমূহ সংৰক্ষণৰ কাৰণে আৰু বুৰঞ্জী প্ৰসিদ্ধ ঠাই আমাৰ দৌল, দেৱালয় সেই বিলাক সংৰক্ষণৰ কাৰণে, ইতিমধ্যে পইচা দিয়াৰ ব্যৱস্থা কৰিছে। জ্যোতি চিত্ৰবনক পইচা দিয়া হৈছে, জ্যোতচিত্ৰবনক অসম চুক্তি অনুসৰি পইচা পাই আছে। আমাৰ জ্যোতি চিত্ৰবনৰ পইচাৰ জৰিয়তে আমাৰ অসমীয়া যিখিনি মানুহ আছে, চিনেমা কৰাকে আদি কৰি, আমাৰ সংস্কৃতি ৰক্ষা কৰিবৰ কাৰণে, সেই খিনি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই কাৰণে অসম চুক্তি অনুসৰি, অসমীয়া মানুহৰ সাংস্কৃতিক, অসমীয়া মানুহৰ সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক আইনগত আৰু প্ৰশাসনীয় ৰক্ষা-কবচ, এই ৰক্ষা-কবচ পাবৰ কাৰণে অসম চুক্তিৰ **৬** নং দফাটো, ক্লজ-**৬** দফাটো কাৰ্য্যকৰী কৰিবৰ কাৰণে আমি কিন্তু ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ। কেন্দ্ৰীয় চৰকাৰে, অসম চৰকাৰে কৈছে যে আজি ভৰতীয় জনতা পাৰ্টীৰ চৰকাৰ কেন্দ্ৰত আছে, অসমত আমাৰ ভাৰতীয় জনতাপাৰ্টীৰ চৰকাৰ আছে। দুয়োখন চৰকাৰে কৈছে যে অসম চুক্তি আমি কাৰ্য্যকৰী কৰিম। এইবাৰ মহামান্য আমাৰ ৰাজ্যপাল মহোদয়ে ৰাজ্যপালৰ ভাষণত কৈছে যে, অসম চুক্তি কাৰ্য্যকৰী কৰিবৰ কাৰণে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ , এই কথাখিনিও তাত উল্লেখ কৰিছে। সেই কাৰণে মই আশা ৰাখিম, যে **২০১৫** চনত প্ৰনৱ গগৈ ডাঙৰীয়াই অসমীয়াৰ সংজ্ঞা সম্পৰ্কত যি এটা পদক্ষেপ গ্ৰহণ কৰিছিল, সেইপদক্ষেপটো আছিল যে অসম চুক্তিৰ আধাৰত, আসন সংৰক্ষণ আৰু সাংবিধানিক ৰক্ষা-কবচৰ কথা কোৱা হৈছে, তাৰ বাবেহে কেৱল খিলঞ্জীয়া মনুহৰ আমাৰ যিটো অসমীয়াৰ সংজ্ঞা, এই

অসমীয়াৰ সংজ্ঞাটো কেৱল আসন সংৰক্ষণৰ বাবেহে অসমীয়াৰ সংজ্ঞা। কেৱল আমি যে আসন সংৰক্ষণ বিচাৰিছো, আসন সংৰক্ষণ বিচৰাৰ কাৰণেহে অসমীয়াৰ সংজ্ঞাটো প্ৰয়োজন হৈছে। সেই কাৰণে এই অসমীয়াৰ সংজ্ঞা সম্পৰ্কিত সকলোৱে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে আমি যাতে অসম চুক্তিৰ, আমি ক্লজ-**৬** অনুসৰি আমি অসমীয়াৰ সংজ্ঞা আমি নিৰূপন কৰি, আমি অসমখনৰ অস্তিত্ব আমি ৰক্ষা কৰিব পাৰো। অসমীয়া জাতিক আমি ৰক্ষা কৰিব পাৰো আৰু অসমত বসবাস কৰা সকলো জাতি, জনগোষ্ঠীৰ অস্তিত্ব যাতে আমি ৰক্ষা কৰিব পাৰো, তাৰ বাবে যাতে আমি প্ৰত্যেকেই পদক্ষেপ গ্ৰহণ কৰো। এইখিনিকে কৈ যিহেতু উপাধ্যক্ষ মহোদয়ে কৈছে যে অলপ চমুৱাই আনিব লাগে আৰু বহুত কথা কবলৈ আছিল। এই কথাখিনি ভবিষ্যৎ দিনত নিশ্চয় আকৌ এইখিনি কথা কবৰ কাৰণে সুবিধা পাম। এইখিনিকে কয় মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ । শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ , সদস্যা ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো এই গুৰুত্বপূৰ্ণ প্ৰস্তাৱটোত আপুনি মোক অংশগ্ৰহণ কৰিবলৈ দিয়াৰ কাৰণে। অসম চুক্তি, ই মাত্ৰ এক চুক্তিয়েই নহয়। ই অসমৰ ইতিহাসৰ এক ঐতিহাসিক দলিল, য'ত **৮৫৫** জন শ্বহীদৰ কেঁচা তেজ আৰু অসমৰ মানুহৰ আবেগ অনুভুতি জড়িত হৈ আছে। **৬** বছৰীয়া এই আন্দোলনৰ ফলত অসমৰ বহুতো ভাল কথাৰ সৃষ্টি হ'ল, ভাল কামৰ সৃষ্টি হ'ল। সেইটো আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। যে আমি অসমীয়া লোক সকলে, অসমত বস-বাস কৰা লোক সকলে, আমি অবৈধ অনুপ্ৰবেশৰ যি সকল বিদেশী লোক তেখেত সকলৰ বিৰুদ্ধে আমি সজাগ হলো আৰু দ্বিতীয়তে যি উগ্ৰ জাতীয়তাবাদৰ চিন্তা-চৰ্চা তাৰ পৰিবৰ্তে সুস্থ জাতীয়তীবাদৰ চিন্তাৰে, আমি সমন্বয়ৰ অসমখনক যে ৰক্ষা কৰিব লাগে। সেই শিক্ষা আমি অসম চুক্তিৰ পৰা লাভ কৰিলো। যেতিয়া এটা আন্দোলন দীৰ্ঘদিন ধৰি চলে, সেই আন্দোলনটোৰ যথেষ্টখিনি সুপ্ৰভাৱৰ লগতে, কিছু কু-প্ৰভাবো পৰা দেখা যায় আৰু তেনেধৰণৰ কিছু নেতিবাচক প্ৰভাৱ আমাৰ সমাজখনত নপৰা নহয়। শিক্ষা জগতখনত ইয়াৰ ফলত কিছু নেতিবাচক প্ৰভাৱ পৰা আমি দেখিছিলো, দ্বিতীয়তে, অসম আন্দোলনৰ ফলশ্ৰুতিত কিছু উগ্ৰবাদী সংগঠনৰ জন্ম হ'ল,আৰু মইও ব্যক্তিগত ভাৱে, একাংশ অসম আন্দোলনৰ জৰিয়তে সৃষ্টি হোৱা উগ্ৰপন্থী সংগঠনৰ বাবে মোৰ জীৱনত যথেষ্ট সংকটময় পৰিস্থিতিৰ সন্মুখীন হৈছিলো। তথাপিও উপাধ্যক্ষ মহোদয়, মই অসম চুক্তিক সন্মান জনাওঁ, এই কাৰণেই যে ই মোৰ ব্যক্তিগত সুখ-দুখৰ প্ৰশ্ন নহয়, ই হৈছে অসমৰ **৮৫৫** জন শ্বহীদৰ ত্যাগ, যাৰ ফলত আজি অসম চুক্তি বাস্তৱত ৰূপায়ন হৈছে। অসমৰ লগতে ৰাইজৰ আবেগ আৰু অনুভূতি আছে, যাক আমি সদায় সন্মান কৰা উচিত। আজি দীৰ্ঘদিন ধৰি যদি এটা আন্দোলন চলে, তেতিয়াহলে কেতিয়াবা উপাধ্যক্ষ মহোদয়, যুক্তিয়ে পথ হেৰুৱায় আৰু তেতিয়া আবেগে এক প্ৰধান সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথম অৱস্থাত যেতিয়া অসম আন্দোলন আৰম্ভ হৈছিল, মইয়ো স্কুলৰ ছাত্ৰী আছিলো আৰু যিটো স্থানৰ পৰা আৰম্ভ হৈছিল, তাতেই মোৰ ঘৰ। মই সেই সময়ত অসম আন্দোলনৰ কিছু পৰিস্থিতি দেখিছিলো। আজি সেই বিলাক দোহাৰিব নিবিচাৰো। মই সেই সময়ছোৱাত স্কুলৰ ছাত্ৰীৰ পৰা, কলেজীয়া ছাত্ৰী হলো। সেই সময়ছোৱাত আমাৰ দলটোক এই আন্দোলনৰ বিৰোধীতা কৰা বুলি যথেষ্ট গৰিহণা দিয়া হৈছিল। পিছৰ পৰ্য্যায়ত এইটো কথা স্বীকাৰ কৰিবই লাগিব যে তদানিন্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াৰ লগত সেই সময়ত আমাৰ দলৰ চৰকাৰখন ভংগ কৰি দি আন্দোলনকাৰী সকলৰ লগত ঐতিহাসিক অসম চুক্তি সম্পন্ন হ'ল। গতিকে এজন প্ৰধান মন্ত্ৰীয়ে নিজৰ দলৰ ৰাজনৈতিক স্বাৰ্থক জলাঞ্জলি দি আন্দালনকাৰী সকলৰ লগত

ঐতিহাসিক চুক্তি সম্পাদন কৰাটো মই ভাবো যে এক তাৎপৰ্য্যপুৰ্ণ কথা। আজি এই ঐতিহাসিক চুক্তিৰ ফলত আজি আপোনালোকৰ মাজত আমি দেখা অসম চুক্তিৰ ফল। যথেষ্টখিনি মন্ত্ৰী, বিধায়ক আজি আমি পাইছো সদনত আৰু সেই যথেষ্টখিনি ইয়াত আমাৰ সদনৰ সদস্য সকল আছে। যাৰ অসম আন্দোলনৰ লগত ওতঃপ্ৰোত ভাৱে সম্পৰ্ক আছে আৰু সেই অসম চুক্তিৰ ফলস্বৰূপে **৮৫৫** জন শ্বহীদৰ শিতানৰ তেজে ধোঁৱা মাটিক আজি অমৰত্ব প্ৰদান অসম চুক্তিয়ে কৰা নাইনে? গতিকে উপাধ্যক্ষ মহোদয়, মই পুনৰবাৰ কব বিচাৰিছো যে এই অসম চুক্তিযে ই কেৱল এখন ৰাজনৈতিক চুক্তি নহয়। ই হৈছে এখন ধৰ্মনিৰপেক্ষ দলিল আৰু যি চুক্তিখনত আমি অসমক এক মাইলষ্ট'ন বুলি কব পাৰো। আজি অসম চুক্তি দীৰ্ঘ সময় পাৰ হৈ গৈছে, প্ৰায় **৩২** বছৰ পাৰ হৈ গ'ল। এই দীৰ্ঘ সময়ছোৱা উপাধ্যক্ষ মহোদয়, আমি কি পাইছো, কি নাই পোৱা, তাৰ আমি লেখ জোখ চোৱাতকৈ ধনাত্মক যিটো ইয়াৰ দিশ, সেইটো চাব লাগিব, যে অসম চুক্তি হয়, কেন্দ্ৰীয় চৰকাৰ সেই সময়ত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ তেখেত সকলে মিলি অসমখনক আগুৱাই লৈ যাবৰ কাৰণে যথেষ্টখিনি আন্তঃগাঠনি উন্নয়ন কৰিছিল, আমি স্বীকাৰ কৰিব লাগিব। সেই কাৰণে কৈছো উপাধ্যক্ষ মহোদয়, মই বিশেষকৈ আজি এটা ৰাষ্ট্ৰীয়বাদী দলৰ এগৰাকী সদস্যা। সদায় আগতেওঁ কৈছো ভৱিষ্যতেওঁ কৈ যাম, যে মই সদায় সুস্থ জাতীয়তাবাদক বিশ্বাস কৰো। সুস্থ জাতীতাবাদেহে তাৰ ভেটিত সুস্থ ৰাষ্ট্ৰীয়বাদ গঢ় লয়। যাৰ প্ৰমান আপোনালোকে দেখিছে যে গোপীনাথ বৰদলৈ ডাঙৰীয়া। গোপীনাথ বৰদলৈ ডাঙৰীয়া, সেই গৰাকী স্বনামধন্য ব্যক্তি আমি আজিও তেখেতৰ ব্যক্তিত্বক মুৰ দোৱাওঁ। কি কাৰণে মুৰ দোৱাওঁ যে, তেখেতে ৰাজ্যখনৰ স্বাৰ্থক আগস্থান দিছিল। বিপদৰ সময়ত আমাক বচাই থৈ গৈছিল। গতিকে সদায় আমাৰ প্ৰথম স্থান হব লাগিব যে আমাৰ যিটো জাতীয়তাবাদী চৰিত্ৰ আৰু তাৰ প্ৰমান গোপীনাথ বৰদলৈ ডাঙৰীয়া। গতিকে যোৱা ৩৩ টা বছৰে অসম চুক্তিখনে ইয়াৰ কাৰ্য্যকৰিকৰণ হৈছে । তাৰ ফলত আমাৰ অসমত যথেষ্ট খিনি সুস্থিৰ আন্তঃগাঁঠনি তৈয়াৰ হৈছে। যিটো প্ৰধান সমস্যা উপাধ্যক্ষ মহোদয়, এই অসম চুক্তিৰ যিটো প্ৰথম বেচিচ, সেইটো হৈছে, বিদেশী বিতাৰণ আৰু সেই বিদেশী বিতাৰণ কৰিবৰ কাৰণে অসম চুক্তিত ১৯৭১ চনৰ ২৫ মাৰ্চত আমি কাট অব ইয়াৰ হিচাপে ধাৰ্য্য কৰিছো। তাৰ ফলতেই আমি দেখিছো যে অসমত শান্তি ঘুৰি আহি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ বাতাবৰণ সৃষ্টি হ'ল আৰু সেই কাৰণে আজি অসম চুক্তিৰ এক ফচল যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আমি বিচাৰিছো। দল-মত নিৰ্বিশেষে আমাৰ কোনো দ্বি-মত নাই। বিদেশী বিতাৰণ হ'ব লাগে। সম্পূৰ্ণভাৱে অসমত এখন শুদ্ধ নাগৰিকপঞ্জী আমি বিচাৰিছো। Suprime Courtৰ নিৰ্দ্দেশনাত সেই কাম চলি আছে। আজি গণতান্ত্ৰিক ভাৱে ৰাইজে এখন চৰকাৰ বহুৱাইছে । আজি দহ বছৰ অসম গণ পৰিষদ দলক ৰাইজে বহুৱাইছিল। আমিও শাসনত আছিলো । এতিয়াও নতুনকৈ মিত্ৰজোঁটৰ চৰকাৰ গঠন হৈছে যে প্ৰত্যেকখন চৰকাৰৰ দায়িত্ব। কিন্তু মই উপাধ্যক্ষ মহোদয় এইটো কথায়েই কম যে আজি সদনত আপোনালোকে ইয়াত চাওঁক, অসম চুক্তিৰ লগত জড়িত যথেষ্টখিনি বিধায়কসকল আছে । শাসক দল, মিত্ৰজোঁটৰ চৰকাৰ আপোনলোকে অসম চুক্তিৰ ভিত্তিতে এই বিধান সভাত বহিছে । ক্ষমতাৰ আসনত অধিষ্ঠিত,গতিকে মই কম যে আমাতকৈ অলপ হলেও অসম চুক্তি ৰূপায়ণত বেছি দায়িত্ব আছে । ইয়াৰ লগত জড়িত হৈ আপোনালোকে শাসনৰ গাদীলৈ আহিছে । আজিও মই ভাবো আপোনালোকৰ সকলোৰে অন্তৰত সেই জাতীয়তা বাদী চৰিত্ৰ আছে । উপাধ্যক্ষ মহোদয় , আজি আমি ৰাজনৈতিক ক্ষেত্ৰত বহুতো কথা কব পাৰিম । কিন্তু মই

কাকো বোকা চটিয়াব খোজা নাই । আজি ইচ্ছা কৰিলে কংগ্রেছ দলে কি কাম কৰিছে, আজি বিজেপি দলে কি কাম কৰিছে, এই সম্পৰ্কত মই বহুত কব পাৰিম । কিন্তু মই সেইখিনিলৈ যাব খোজা নাই । মই সেই কথাখিনি যদি কওঁ, এই চুক্তিখনৰ যি ধনাত্মাক দিশ, এই ধনাত্মাক দিশটোক আমি কিছু হলেওঁ অৱনমিত কৰা হব । গতিকে সেইখিনি মই কব খোজা নাই । আমি বিচাৰিছো যে অসম চুক্তি তাঁৰ দফাই দফাই পালন কৰা হব লাগে আৰু তাৰ দায়িত্ব চৰকাৰে লব লাগিব । উপাধ্যক্ষ মহোদয়, আজি ৰাষ্টীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰথম পৰ্য্যায়ৰ খচৰাখন প্ৰকাশ হ'ল আৰু প্ৰকাশ হোৱাৰ পিছত অসমৰ ৰাইজে আগ্ৰহেৰে বাট চাই আছে যে এখন শুদ্ধনাগৰিক পঞ্জী হব, যিখন নাগৰিকপঞ্জীত অসমৰ সকলো বৈধ নাগৰিকৰ নাম অন্তৰ্ভূক্ত হব আৰু তাত এজনো অবৈধ লোক নাথাকিব । অসমৰ মানুহে আগ্ৰহেৰে বাট চাই আছে আমিও ৰখি আছো । কিন্তু আজি কিছু সময়ৰ আগত আমাৰ ৰাজ্য খনলৈ অহা কিছুমান শংকাৰ কথা মই হাউচত কবই লাগিব। এই কাৰণে ক'ব লাগিব যে উপাধ্যক্ষ মহোদয়, আজি ৩ কোটি ২৯ লাখ মানুহৰ আমি ১২৬ জন প্ৰতিনিধি । আপোনালোকৰ শাসক দলৰ প্ৰতিনিধি আৰু এমুঠিমান বিৰোধী দলৰ প্ৰতিনিধিও আছো । আমি যদি অসমৰ জলন্ত সমস্যা বিলাক বিধান সভাত নকওঁ কোনে কব ? উপাধ্যক্ষ মহোদয় , সেই কাৰণে অসমৰ ৰাইজৰ স্বাৰ্থত মই দুটামান কথা উল্লেখ কৰিব বিচাৰিছো । আজি অসম চুক্তি, যাক আমি ঐতিহাসিক দলিল বুলি কৈছো । মই কৈছো যে এইখন ধৰ্ম নিৰপেক্ষতাৰ দলিল । কিন্তু এই চুক্তিখনৰ প্ৰতি আজি ভাবুকি আহিছে । সেই ভাবুকি হৈছে যে শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তাৱিত নাগৰিকত্ব সংশোধণী বিধেয়ক যিখন আনিব বিচাৰিছে , সেই বিধেয়কখন অনাৰ প্ৰধান উদ্দেশ্য হৈছে যে হিন্দু বাংলাদেশী সকলক অসমত নাগৰিকত্ব দিয়া। আজি আপোনালোকে কব পাৰে যে এই প্ৰস্তাৱিত সংশোধনী বিধেয়কখনত খ্ৰীষ্টিয়ান ,পাৰ্চী,বৌদ্ধ,জৈন এই লোক সকলৰ যে কথা আছে সেইটো নহয় । ইয়াৰ অন্তৰালত যিটো মূখ্য উদ্দেশ্য আছে, সেই মূখ্য উদ্দেশ্য হৈছে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ যিবোৰ হিন্দু-বাংলাদেশী আছে, সেই বাংলাদেশী বিলাকক আমাৰ অসমত নাগৰিকত্ব দিয়া । ইয়াতকৈ আৰু দুখৰ কথা, পৰিতাপৰ কথা হ'ব পাৰে নেকি ? আজি আমি বিদেশী বিতাৰণৰ কথা কৈছো । ধৰ্মৰ নামত আজি বিদেশীক ভাগ ভাগ কৰিব বিচৰা হৈছে । উপাধ্যক্ষ মহোদয়, ইয়াতকৈ আৰু পৰিতাপৰ কথা আছে বুলি মই নাভাৱো । আজি আমি কোনখন অসমৰ কথা কৈ আছো , কোনখন অসমৰ উন্নয়নৰ কথা কৈ আছো । এইখন যদি নাগৰিকত্ব বিধেয়ক আইনত পৰিণত হ'বলগীয়া হয়, মাননীয় উপাধ্যক্ষ মহোদয়, তেতিয়াহ'লে আমাৰ অসম চুক্তি , যাক আমি ঐতিহাসিক দলিল বুলি কৈছো, ধৰ্মনিৰপেক্ষতাৰ দলিল বুলি কৈছো, সেই দলিল এখন নিৰৰ্থক কাগজত পৰিণত হ'ব ।

আজি অসমৰ ভাষা সংস্কৃতিলৈ প্ৰত্যাহ্বান আহিব, আজি অসমৰ সিংহ পুৰুষ সকলে অসমীয়া ভাষা পুনৰ স্থাপিত কৰি থৈ গৈছে। ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে এই ৩৬ বছৰে অসমীয়া ভাষা বিতাৰিত হৈছিল। তেতিয়া অসমৰ কোৰ্ট-কাছাৰীত বঙলা ভাষা প্ৰচলিত হৈছিল। অসমৰ সিংহ পুৰুষ সকলে অসমীয়া ভাষা অসমত পুনৰ স্থাপন কৰিছিল। সেই সকল লোকৰ প্ৰতি আমি অপমান কৰা নহবনে ? লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই কৈছিল - সদা, স্বদেশ, স্বজাতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা। যদি আমাৰ মাতৃ ভাষাৰ প্ৰতিয়েই সন্মান নজনাওঁ তেতিয়াহলে অসমীয়া জাতিটোৰ প্ৰতি কি মৰ্যাদা হব পাৰে মাননীয় উপাধ্যক্ষ মহোদয়! মই এটা কথা আপোনাক স্পষ্ট ভাবে কওঁ - আজি আমাৰ শাসক দল আছে, এতিয়া মিত্ৰ জোঁটৰ চৰকাৰ, মই বহু দিনৰ পৰা এই প্ৰস্তাৱৰ কথাবিলাক শুনি আহিছো। মই আশা কৰিছিলো, বহুত আশা

কৰিছিলো। আশা কৰিছিলো -ইয়াত থকা যি সকল সদস্য শাসক দলত আছে, প্ৰত্যেক জন সদস্যকে মই ব্যক্তিগত ভাৱে শ্ৰদ্ধা কৰো - এই কাৰণে শ্ৰদ্ধা কৰো তেখেত সকল যথেষ্টখিনি অভিজ্ঞ আৰু সেইসকলৰ মুখত কিন্তু বলিষ্ঠ ভাৱে, তেজস্বীতাৰে এই বিধেয়ক খনৰ বিৰোধীতা কৰা মই নুশুনিলো।মই এজন বিধায়কক শলাগ লম, তেখেত হল পদ্ম হাজৰিকা ডাঙৰীয়া । হাজৰিকা ডাঙৰীয়াই প্ৰস্তাৱটো উত্থাপন কৰা সময়ত কৈছিল যে প্ৰস্তাৱটো আমিয়েই আনিব লাগে । তেখেতে উপলব্ধি কৰিছিল,যে হয় অসম চুক্তিৰ লগত আমি যি সকল জড়িত হৈ আহিছো সেই লোক সকলে ইয়াক আখৰে আখৰে পালন কৰাৰ দায়িত্ব আছে । সেই কাৰণে হাজৰিকা ডাঙৰীয়াক মই ধন্যবাদ দিছো । অন্ততঃ এজন বিধায়কে উপলব্ধি কৰিছে,বাকী সকলে কিন্তু কোনেও ইয়াক উপাধ্যক্ষ মহোদয়, বলিষ্ঠভাৱে,স্পষ্টভাৱে এই নাগৰিকত্ব সংশোধনী বিধেয়কখনৰ বিৰোধীতা কৰা নাই । এনেকুৱা হ'ব পাৰে যে- 'সাপো মৰিল-লাঠিও নিচিগিল', কব পাৰে, কিন্তু ভালকৈ কোৱা নাই, স্পষ্টভাৱে কোনেও কোৱা নাই । কিন্তু বাহিৰত কৈছে । বাহিৰত কৈছে যে - আপোনালোকৰ মাজতে দুটা ভাগ হৈছে । এটা শিৱিৰে কৈছে বাংলাদেশী হিন্দুক নাগৰিকত্ব দিবই লাগিব আৰু এটা শিৱিৰে কি কৈছে যে-(আপোনালোকৰ মাজত বহিয়েই আছে) হিন্দু বাংলাদেশী,ভগনীয়া হ'ব অসম । উপাধ্যক্ষ মহোদয়, আজিৰ প্ৰেক্ষাপটত আপোনালোকে অসম চুক্তিৰ কথা কৈছিল এটা সময়ত। পৰিৱৰ্তিত সময়ত আপোনালোকে কলে , জাতি-মাটি-ভেটিৰ কথা, পৰিৱৰ্তিত সময়ত আপোনালোকে কলে যে এইখন শেষ শৰাইঘাটৰ ৰণ । সংকটৰ সময়তবীৰ লাচিতৰ আমি সকলোৱে নাম লৈছো । আজি উপাধ্যক্ষ মহোদয়, মোৰ মনত পৰিছে আমাৰ প্ৰখ্যাত অসমৰ এজন কবি দেৱকান্ত বৰুৱাৰ এটা বিখ্যাত কবিতালৈ। "মন্ত্ৰীত্ব যাৰ শেষ কল্পনা, এচেম্বলী যাৰ আশা, সিনো কি বুজিবসেই বীৰজনৰ, তোমাৰ ৰণৰ নুবুজা ভাষা"। আজিৰ এই সন্ধিক্ষণত অসমত যি সংকটৰ পৰিৱেশ সৃষ্টি হৈছে, আমি বিচাৰিছো এনেকুৱা এজন ব্যক্তিক, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নিচিনা এজন ব্যক্তিক, যিয়ে আমাক এই সংকটৰ পৰা মুক্ত কৰিবলৈ অসমক নেতৃত্ব দিব পাৰে । অধ্যক্ষ মহোদয়, নহ'লে আমাক কোনে নেতৃত্ব দিব ? সেইকাৰণে পুনৰবাৰ এই কথাখিনি দোহাৰিছো অধ্যক্ষ মহোদয়, যে আজি এইখন অসমত আমি আমাৰ নিজৰ জাতিক ৰক্ষা কৰিব লাগিব । অসমীয়া ভাষা সংযোগী ভাষা । যেতিয়া নাগৰিকত্ব সংশোধনী বিধেয়ক খনৰ উত্থাপনৰ কথা আহিছিল, তেতিয়া আমাৰ কিন্তু চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী সকলে প্ৰতিবাদ কৰিছিল ,যদিও সেই ৰাজ্যবিলাকৰ কিন্তু ভাষা আছিল বঙলা ভাষা । কি কাৰণত তেওঁলোকে প্ৰতিবাদ কৰিছিল ! তেওঁলোকে জানিছিল যে এইখন সংশোধনী বিধেয়ক যদি কিবা কাৰণত আইনত পৰিণত হয়,তেতিয়া তেওঁলোকৰ জাতিটোৰ কাৰণে সংকট হ'ব । আমি কোনো ভাষাৰ বিৰোধী নহয়, কোনো সম্প্ৰদায়ৰ বিৰোধী নহয় । এইখন শঙ্কৰদেৱ, আজান ফকিৰৰ দেশ।

ইয়াত সকলো ধৰ্মৰ মানুহে আমি একত্ৰিত হৈ আছো । আজি সুদুৰ পাৰস্যৰ পৰা শ্বাহমিলন আহি শঙ্কৰ গুৰুজনাৰ নীতিত মুৰদোৱাই মানৱতাবাদৰ গান ৰচিছিল,জিকিৰ ৰচিছিল, সেইজন হৈছে আজান ফকিৰ । আজি শঙ্কৰদেৱ মানৱতাবাদৰ গুৰু । একান্ত মানৱতাবাদে আমাক সকলোকে শিক্ষা দি থৈ গৈছে । অধ্যক্ষ মহোদয়, আমাৰ অন্তৰে অন্তৰে সেই জুঁইকুৰা এতিয়াও জ্বলি আছে । গতিকে এইখন দেশ শংকৰদেৱ আৰু আজান ফকিৰৰ দেশ । তেনে এখন দেশত আজি যদি বিদেশী বহিস্কাৰ কৰাৰ নামত যদি ধৰ্মক তাৰ আধাৰ হিচাপে লোৱা হয়,তাতকৈ আৰু দুৰ্ভাগ্যৰ কথা মই ভাৱো কেতিয়াও হ'ব নোৱাৰে । গতিকে অধ্যক্ষ মহোদয়, মই এটা কথা শেষত কম যে

- আজি আমি সকলো ইয়াত দল-মত নির্বিশেষে একত্রিত হ'ব লাগে । আমি আমাৰ স্বাৰ্থৰ কাৰণে সকলোৱে একত্রিত হ'ব লাগে আৰু একত্রিত হৈ আমি আগবাঢ়ি যাব লাগে, ন'হলে কিন্তু আমাক ইতিহাসে ক্ষমা নকৰে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৫ বাজিল । নেওঁগ ডাঙৰীয়ানী,আপুনি আজি শেষ কৰিবনে,কন্টিনিউ কৰিব ? যদি কন্টিনিউ কৰে তেনেহ'লে নেওঁগ ডাঙৰীয়ানীক অহাবাৰলৈ কন্টিনিউ কৰিবলৈ কম । এতিয়া ৫ বাজি গৈছে । আজি ৰাতিপুৱাও মই কৈছো Sustainable Development Goal আৰু Education ৰ ওপৰত STAKE Holder ৰ লগত আলোচনা আছে । সেয়েহে সকলোকে উপস্থিত থাকিবলৈ অনুৰোধ কৰিছো আৰু এইবাৰ বাজেটটো ই-বাজেট হ'ব । গতিকে ই-বাজেটত ব্যৱহাৰ কৰিব বিচৰা ইলেক্ট্রনিক ডিভাইচটো আমি কেনেকৈ প্রেজেন্ট কৰিব লাগিব, সেই সম্পৰ্কত আমাক ডেম'ষ্ট্রেশ্যন চেন্ট্রেল হ'লত দেখুৱাব । তাৰ আগতে অলপ চাহৰ ব্যৱস্থা কৰা হৈছে । সেয়েহে মই সকলো মাননীয় সদস্যক তালৈ আহিবলৈ অনুৰোধ কৰিলো ।

**এতিয়া সদন ১২ মাৰ্চ,২০১৮ তাৰিখৰ ৰাতিপুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হ'ল ।**